# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ০৪/০৪/২০১৮ বুধবাৰ**

---

**আজি ইংৰাজী ০৪-০৪-২০১৮ তাৰিখে দিনৰ ৯ঃ৩০ বজাৰ পৰা মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ অধ্যক্ষতাত পুনৰ সদনৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ-** Question No. 421. Kripanath Mallah. তেখেত অনুপস্থিত। শ্ৰী পবিন্দ্ৰ ডেকা। Question No. 422.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মই পাইছো। তেখেতে লিখিত উত্তৰ দিয়া নাই। ১৬,৬৫,৮৬৬ জন পঞ্জীভুক্ত নিবনুৱা বৰ্তমান ৰাজ্যখনত আছে বুলি কৈছে। মোৰ আটাইতকৈ উল্লেখযোগ্য দুটা প্ৰশ্ন ইয়াত আনিছিলো, আৰু মোৰ প্ৰশ্ন দুটাৰ ১নং টো হৈছে অসমত ব্যক্তিগত খণ্ডত বহুত উদ্যোগ প্ৰতিষ্ঠান, টেলিকম প্ৰতিষ্ঠান আছে, এই বিলাকত আমাৰ কেইবা লক্ষ্য যুৱক-যুৱতী MA,Msc, স্নাতক, ইঞ্জিনিয়াৰিং ডিগ্ৰীধাৰী Junior Engineering ডিগ্ৰীধাৰী, ডিপ্লমাধাৰী এই সকল আছে। এই সকলৰ দৰমহা Engineer বিলাকে খুব বেছি ২৫০০০ আৰু ১০,০০০ পৰ্য্যন্ত আছে আৰু যি সকল স্নাতক বা কম্পিউটাৰ শিক্ষাত শিক্ষিত ল'ৰা-ছোৱালী আছে, তেওঁলোকে খুব বেছি ৫০০০,৭০০০, ৩০০০ পৰ্য্যন্ত আছে। গতিকে আমি যেনেকৈ ব্যক্তিগত খণ্ডৰ স্কুল, শিক্ষানুষ্ঠান বিলাকৰ, ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান,বিশ্ববিদ্যালয়ৰ পৰা হাইস্কুলৈকে, বা তললৈকে শিক্ষক সকলৰ দৰমহা টো নিধাৰণ কৰিব বিচাৰিছো এখন কমিটিৰ জৰিয়তে। ঠিক তেনেকৈ অসম চৰকাৰক মই এটা অনুৰোধ কৰো । যদিও জৰিত নহয় বুলি আমাৰ মাননীয় নিয়োগ আৰু উদ্যোগিক বিভাগেও উল্লেখ কৰিছে যে এনে এখন অসম চৰকাৰে এই যুৱক-যুৱতী সকলক যাতে উচিত দৰমহা এটা দিয়ে, তেওঁলোকে চলিব পৰাকৈ, তেনে এটা আইন অসম চৰকাৰে কৰিব পাৰে নেকি? এই কথাটো অসম চৰকাৰে কৰিব পাৰে নেকি? এই কথাটো অসম চৰকাৰে বিবেচনা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে, Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ডেকা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে তাৰ উত্তৰ দিয়া হৈছে। কিন্তু তেখেতে দুটা পইন্টত বেছি ফকাছ কৰিছে। এটা পইন্ট হ'ল আমাৰ কিমান নিযুক্তি হ'ল আৰু এটা পইন্ট হ'ল যে আমাৰ private Company যিবিলাক আছে, তাত যি সকলে কাম কৰিছে, তেওঁলোকৰ দৰমহা কম হৈছে। অধ্যক্ষ ডাঙৰীয়া, এই কথাটো হয়। আমি সকলোৱে এই কথাখিনি স্বীকাৰ কৰিব লাগিব। তেখেতৰ দুটা প্ৰশ্নৰ এটা হ'ল কিমান নিয়োগ হৈছে? এইটো আমি বিভিন্ন বিভাগৰ পৰা লব লাগিব। নিয়োগ বিভাগত আমি টো নিযুক্তি নিদিও। আমি বিভিন্ন বিভাগত যেতিয়া চাকৰি ওলাই আমাৰ Exchange লৈকে যেতিয়া আহে যে ইমানটা চাকৰি ওলাইছে, আপোনালোকে নাম পঠিয়াই দিয়ক। আমি নামহে পঠিয়াই দিও বিভিন্ন বিভাগলৈ। কেন্দ্ৰীয় হওক বা ৰাজ্যিকই হওক। বিভাগলৈ নাম পঠালে তাতে কিমানজন appointment হ'ল, কি নহল, সেইটো কথা পিছত তেওঁলোকে আমাক আৰু Feedback

নিদিয়ে। আমি সেই কাৰণে বিভিন্ন বিভাগৰ পৰা তথ্যবিলাক সংগ্ৰহ কৰি আছো। এইটোত সময় লাগিব। State ৰো আছে, private আছে। private ত আমাৰ যোৱাবাৰ চৰকাৰ অহাৰ পাছত, আমাৰ প্ৰায় ৬৫০০ কোটি টকা, প্ৰায় ৭০০০ কোটি টকা investment হৈছে। তাৰ পৰা আমাৰ প্ৰায় ৪০,০০০ Direct employment হৈছে আৰু indirect আৰু বেছি হৈছে। গতিকে প্ৰতিটো কোম্পানীৰ পৰা মানুহ কিমান employment হৈছে, এই কথাখিনি আনিবলৈও আমাক সময় লাগিব আৰু প্ৰত্যেক কোম্পানীয়ে আজি যদি ১০০ জন ল'ৰা লৈছে, কালি হয়তো তাৰ পৰা ১০ জন কমাব পাৰে. কোনোবা এটা কোম্পানীয়ে ২০০ ল'ৰা লৈছে কালি হয়তো ৩০০ ল'ৰা লব পাৰে। ২য় কথাটো হ'ল যে এই বিলাকত চৰকাৰে এখন আইন আনিব পাৰে নেকি যে দৰমহাৰ ক্ষেত্ৰত। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই সদস্য ডাঙৰীয়াৰ লগত একমত যে আমাৰ যিবিলাকে employment পাইছে, তেওঁলোকে দৰমহা পাব লাগে। কিন্তু অধ্যক্ষ মহোদয়, অসম ৰাজ্যখন উদ্যোগিক ভাৱে আজি কিন্তু এনেকুৱা এটা অৱস্থা নাই, কোনোবা এজন ল'ৰাই এটা উদ্যোগত চাকৰি বাদ দি আন এটা উদ্যোগত বেছি দৰমহাত যাব পৰা স্থিতি অসমত আজিৰ দিনটোত হোৱা নাই। এইটো হবহে এতিয়া। এইটো হবলৈ গৈ আছে। আমাৰ সকলোৰে প্ৰচেষ্টাত, যে অসমত যেতিয়া উদ্যোগিক ভাবে ৰাজ্যখন বিকাশ হব তেতিয়া কি হব, এজন ল'ৰাক যদি কম দৰমহা দিয়ে তেতিয়া কব মই ইয়াত কাম নকৰো, বেলেগ কোম্পানীত যাম, বেছি দৰমহা পাম। যিটো দিল্লী, হাৰিয়ানা, পাঞ্জাৰত হয় ।যিটো মহাৰাষ্ট্ৰত হয়। গতিকে এনেকুৱা এটা পৰিবেশ আজি অসমত নাই। অসমত আচলতে বিগত দিনত উদ্যোগ নহলেই। অধ্যক্ষ ডাঙৰীয়া এই কথাখিনিও মই কও যে অসমত উন্নয়নৰ যিটো দিশ সেই উন্নয়নৰ দিশটো অকল আৰম্ভ হ'ল মহন্ত ডাঙৰীয়া যেতিয়া অসমৰ মুখ্য মন্ত্ৰী আছিল, ১৯৫২-১৯৯৭ চনলৈকে অসমৰ উদ্যোগ দিশটোত কোনোৰে adjust নকৰিলে। আৰু নকৰাৰ কাৰণে ইয়াতে উদ্যোগ নহ'ল। আৰু বাহিৰৰ লোক সকলৰ ভাব হ'ল যে অসমখন Law and Order Sate, গতিকে কেৱল তাত বোমা বাৰুদ, গুলী এই বিলাকেই চলে। অধ্যক্ষ ডাঙৰীয়া গতিকে ইয়াতে কোনো উদ্যোগ নাহিল। ১৯৯৭ চনত, মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়া আছিল তেতিয়া, গতিকে তেখেতৰ দিনত আমাৰ ইয়াতে এটা Policy আহিল, North East Industrial Investment Promotional Policy, সেই Policy টো অহাৰ সময়ত আকৌ Law and Order Situation আহিল গতিকে উদ্যোগ ইয়াত নহল। প্ৰথম বাৰলৈ যদি অসমত উন্নয়নৰ মুখ কোনোবাই দেখুৱাইছে সেই গৰাকী হ'ল অটল বিহাৰী বাজপেয়ী, প্ৰধান মন্ত্ৰী ভাৰতবৰ্ষৰ। তেখেতে দেখুৱাইছে Doner Ministry গঠন কৰি। আৰু তেখেতে policy ৰ ব্যৱস্থা কৰিছে। আমাৰ চৰকাৰখনেও এতিয়া উদ্যোগিক দিশটো আগবঢ়াই লৈ যাবলৈ চেষ্টা কৰিছো। এইখিনি কথা মই কলো। আপোনাৰ কথাত মই একমত। কিন্তু প্ৰথমতে উদ্যোগিকৰণৰ ক্ষেত্ৰত অসমৰ উদ্যোগিক দিশটো আগতে ভাল হৈ লওঁক।

**মাননীয় অধ্যক্ষ ঃ-** এটা Competitive Environment তৈয়াৰ হোৱাৰ পাছত এইটো automatic হব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়,অসমত উদ্যোগৰ স্বাস্থ্যটো যেতিয়া ভাল হব, তেতিয়া এইটো হব।

**মাননীয় অধ্যক্ষ ঃ-** তেখেতৰ আৰু এটা Supplementary এটা আছে।

**শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই কথাটো বুজি পাইছো ঘুৰাই পকাই তেখেতে কথাটো কৈছে। চৰকাৰে তেনেকুৱা এখন, আমাৰ লক্ষ্য লক্ষ্য ল'ৰা-ছোৱালী, নিবনুৱাসকলে

তাত কাম কৰি আছে। এটা B.Tech Engineer ৰৰ দৰমহা কি মাত্ৰ ১৫,০০০? আমি কিয় ইয়াক regulate কৰিব নোৱাৰে।?

**মাননীয় অধ্যক্ষ ঃ** ডেকা ডাঙৰীয়া , তেখেতে এটা বৰ দৰকাৰী কথা কৈছে। আপুনি প্ৰশ্নটো সোধক। কিন্তু আলোচনাটো নহব। Compititive যেতিয়া এটা Environment হব। দৰমহা বিলাক বাঢ়িব। কিন্তু তেখেতেও agree কৰে যে দৰমহাটো কম হৈছে আপুনি Supplementary টো কৰক এতিয়া।

**শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়ক ঃ**- চৰকাৰে এটা আমাৰ কাৰণে পৰিকল্পনা কৰিব লাগে। আৰু ২য় কথাটো কলে যে কিমানে চাকৰি পাইছে, এই কথাটো মই আজি ১ মাহ মান আগতে প্ৰশ্ন এটাত আহিছিল। তেতিয়াও কৈছে যে সময় লাগিব।

**মাননীয় অধ্যক্ষ ঃ**- It will take time. তেওঁলোকে গোটাই দিম বুলি কৈছে। নিদিলে , আমি চাম। Next বাৰ আপুনি সুধিব।

**শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়ক ঃ**-বিবেচনা কৰক চৰকাৰে যে এখন আইন হব লাগে।

**মাননীয় অধ্যক্ষ ঃ**-আপোনাৰ কথাটোত আমি এইটোৱে কব খুজিছো যে কিছুমান State ত Private যি বোৰ institution আছে, তলৰ level ৰ কৰ্মচাৰীৰ কাৰণে, minimum wage এটা কৰিছে Employment Review Committee ৰ আজি report আহিব। আপোনালোকে গম পাব অকনমান তাত। আপুনি কোৱা কথাটো মন্ত্ৰী ডাঙৰীয়াই বিবেচনা কৰিব পাৰিলে বেয়া নহয়। যদিহে এটা minimum ইমানখিনি দিব লাগিব। এইটোত মন্ত্ৰী ডাঙৰীয়াই তাৰে এটা উত্তৰ দিব পাৰে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পুনৰ ক'ব বিচাৰিছো যে অসমত উদ্যোগ স্থাপন কৰাৰ বাবে আমি Advantage Assam পাতিছো। আমি সকলোৱেই উদ্যোগপতি সকলক অসমলৈ অহাৰ বাবে অনুৰোধ কৰিছো। আমি উদ্যোগপতি সকলক বুজাই বুজাই অসমলৈ আনিছো। গতিকে সদস্যগৰাকীয়ে যিটো কথা কৈছে সেইটো কৰিবলৈ গ'লে উদ্যোগপতি সকল অসমলৈ নাহিব। অসমত উদ্যোগ স্থাপন নহ'ব। সেয়ে মই ক'ব বিচাৰিছো যে প্ৰথমে উদ্যোগসমূহ হৈ লওক তাৰ পিছত বিষয়টো দেখা যাব। অধ্যক্ষ ডাঙৰীয়া কোম্পানীত কাম কৰা বহু ল'ৰা-ছোৱালীক লগ পালে তেওঁলোকক সুধো - চাকৰি ভালদৰে চলি আছেনে? তেতিয়া তেওঁলোকে কয়- ভালে চলি আছে। তেতিয়া মই সুধো - এতিয়া ক'ত আছা? তেতিয়া তেওঁলোকে কয় যে - মই এইবাৰ এইটো কোম্পানীৰ পৰা এইটোলৈ গৈছো। তাৰ পিছত যদি সুধো কিয় গ'লা? তেতিয়া কয় যে- তাত দৰমহা কম ইয়াত বেচি দিছে। এইবিলাক পৰিবেশ বাঙ্গালোৰত আছে দিল্লীত আছে। এজন ল'ৰাই পোন্ধৰ দিনত দুটা কোম্পানী বদলায় কাৰণ তাত বহুত উদ্যোগ আছে। আমাৰ কথাটো হ'ল আমি উদ্যোগ আনিব চেষ্টা কৰি আছো। গতিকে মই ডেকা ডাঙৰীয়াক অনুৰোধ কৰিম কাৰণ টিঙৈকে উদ্যোগ হ'ব। আপুনি এই কথা বিলাকত ভেজাল নকৰিব।

**মাননীয়অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীদেৱানন্দ হাজৰিকা।

**শ্ৰীদেৱানন্দ হাজৰিকা ঃ** অধ্যক্ষ মহোদয় মই যিটো প্ৰশ্ন কৰিম বুলি ভাবিছিলো সেই প্ৰশ্নটোৰ উত্তৰ ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে দিলেই।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীআবুল কালাম ৰছিদ আলম।

**শ্ৰীআবুল কালাম ৰছিদ আলম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ মাটিয়াত চাৰিটামান উদ্যোগ আছে। তাত শিক্ষিত যুৱক সকলে কাম কৰি আছে। তাত কিছুমান মধ্যভোগী আছে তেওঁলোকে কৰ্মচাৰীসকলৰ দৰমহাৰ এটা অংশ কাটি লয়। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তাৰ পৰা এই মধ্যভোগী বিলাক কেতিয়া নোহোৱা হ'ব আৰু মধ্যভোগীসকলে নিবনুৱাসকলৰ পৰা আগতিয়াকৈ পশিছ হাজাৰ টকাকৈ লৈ কাম দি আছে। এই বিষয়টোৰ ক্ষেত্ৰত অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কি মধ্যভোগী আছে মই নাজানো। স্থায়ী কৰ্মচাৰীৰ পৰা কোনেও দৰমহা কৰ্তন কৰিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। কিছুমান নিয়োগকাৰী সংস্থা আছে নহয়? যিয়ে অস্থায়ী কৰ্মচাৰি নিয়োগ কৰে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিছুমান কোম্পানীক প্ৰতিদিনে চাৰি পৰা পাঁচশ লেবাৰৰ প্ৰয়োজন হয় আৰু হয়তো কোনোবাই লেবাৰ যোগান ধৰে। গতিকে যিয়ে লেবাৰ যোগান ধৰিব তেওঁ নিশ্চয় স্বেচ্ছাই সেৱা আগনবঢ়ায় নিশ্চয় দুই-এক পইচা ল'ব। মই এই বিষয়টো ভালদৰে নাজানো। কিন্তু কেতিয়াবা কেতিয়াবা সুনিবলৈ পাও যে - এই কোম্পানীটোৱে ভাল পইচা দিয়ে, গতিকে আমাৰ ল'ৰা বিলাকক লেবাৰ হিচাবে দিব পাৰিলে ভাল হয় বুলি কয়। মই কিন্তু আজিলৈকে কোনো কোম্পানীক কোৱা নাই। লেবাৰ যোগানকাৰীৰ বিষয়টো চৰকাৰৰ নহয় আৰ আমাৰ jurisdictionতনপৰে। গতিকে এই মধ্যভোগীৰ কথাটো কোম্পানী বিলাকক ক'ব লাগিব। অধ্যক্ষ মহোদয় তেখেতৰ সমষ্টিৰ মাটিয়াত উদ্যোগ আছে আৰু তাতে আৰু কিবা-কিবি উদ্যোগ হ'ব। যেতিয়া বিনিয়োগকাৰীয়ে এটা উদ্যোগ স্থাপন কৰে তেতিয়া সেই উদ্যোগটোত তাৰ স্থানীয় লোকক লেবাৰ হিচাপে কাম কৰিবলৈ লয়। নিশ্চয় মাটিয়াটো কোনোবাই লেবাৰৰ ঠিকা লৈছে আৰু তেওঁ লেবাৰৰ পৰা দৰমহা এটা অংশ ল'বও পাৰে । গতিকে এনে ধৰণৰ মধ্যভোগীক নিয়ন্ত্ৰণ কৰিলে কামেই নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীভৰেশ কলিতা আপুনি কিবা ক'ব বিচাৰিছিলে?

**শ্ৰীভৰেশ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন উত্তৰত এম.এ, এম.এছ. চি, এম.কমৰ কথা কৈছে কিন্তু আমি দেখিবলৈ পাও যে এম.বি.এৰ এইছ.আৰ আৰু ফাইন্সেচ এই দুটা বিভাগত উত্তিৰ্ণ হোৱা ল'ৰা-ছোৱালীক আঠ হাজাৰ টকা কোম্পানী দৰমহা দিয়ে। এইটো বৰ দুখৰ কথা। এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো চৰকাৰৰ অধীনৰ হ'লে মই এটা উত্তৰতে কৈ দিলো হয় - চৰকাৰী নিয়ম অনুসৰি। মই আপোনাৰ কথাটোত একমত। কিন্তু এইবিলাক ঠিক কৰিবলৈ হ'লে আমাক অলপ সময় লাগিব। কিছুমান কোম্পানী আছে যিবিলাকে এতিয়াও বহু দৰমহা দিয়ে। যেনে Hindustan Uniliver Limited তাত দৰমহাৰ কোনো ভেজাল নাই, চৰকাৰী চাকৰীয়ালতকৈ বেছি দৰমহা পায় আৰু অন্যান্য সা-সুবিধাও পায়। তাত যি

বিলাক Executive Trainee থাকে তেওঁলোকেও ৭০,০০০ দৰমহা পায়। বিভিন্ন কোম্পানীৰ দৰমহাৰ গাঠনি বেলেগ বেলেগ। মাননীয় সদস্য গৰাকীৰ লগত মই এক মত যদিও আমি relative regulation যদি কৰো উদ্যোগৰ বাতাবৰণটো অলপ বেলেগ ফালে যাব। আমাৰ মূল উদেশ্য হৈছে, শিক্ষা শেষ কৰাৰ পিছত অসমীয়া নিবনুৱাসকলক উদ্যোগ ক্ষেত্ৰত নিয়োজিত কৰা। এইটো আমাৰ চৰকাৰৰ লক্ষ্য।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪২৩। মাননীয় সদস্য শ্ৰীকমলেক্ষ্য দে পুৰকায়স্থ। মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজিয়াত দিয়া হৈছে।

**শ্ৰীকমলেক্ষ্য দেপুৰকায়স্থ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০৩০ চনৰ ভিতৰত এছ.ডি.জি উদ্দেশ্যত উপনিত হ'ব লাগিব। আমি প্ৰতিজন সদস্য ইয়াৰ বাবে সচেষ্ট। মই প্ৰশ্নটো কৰিছিলো যে কৃষি বিভাগত কিমান কৰ্মচাৰী আছে? আৰু কিমানৰ প্ৰয়োজন আছে? মাননীয় অধ্যক্ষ মহোদয় প্ৰশ্নৰ উত্তৰত ভয়ঙ্কৰ তথ্য পাইছো। কৃষিবিভাগৰ মুঠ কৰ্মচাৰী থাকিব লাগে ২৯৭ জন কিন্তু বৰ্তমান কাম কৰি আছে ৯৬ জনে লগতে বিভাগৰ কৃষি অধীক্ষক ১১জন থাকিব লাগে কিন্তু বৰ্তমান এজনো নাই। মাননীয় অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ৰ প্ৰতি মোৰ আন্তৰিকতা আছে - কথাটো হৈছে আমি বিভাগৰ পৰা কাম বিচাৰো কিন্তু বিভাগৰ কাম কৰিবলৈ কৰ্মচাৰী নাই। এনে পৰিস্থিতিত আমি কেনেকৈ কাম কৰিম। এই পৰিস্থিতিটো অকল মোৰ জিলাতে নহয় সকলো জিলাতে হৈ আছে। লগতে মই এটা কথা ক'ব বিচাৰিছো যে ভি.এল.ই. ডব্লিউৰ ১৯৫ টা পদৰ বাবে ১ জানুৱাৰী, ২০১৪ তাৰিখে বিজ্ঞাপন দিয়া হৈছিল কিন্তু বৰ্তমানলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে বিভাগৰ খালী থকা পদসমূহ সোনকালে পূৰণৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিকেইটা প্ৰশ্ন ইয়াত উত্থাপন কৰিছে, আমি ইয়াত তথ্য দিছিলো। তেখেতে কৈছে যে ভয়ংকৰ তথ্য। যথেষ্ট সংখ্যক পদ এখন জিলাতে খালী আছে বা ৰাজ্যখনৰ অন্য ঠাইতো হয়তো এনেকুৱা হৈছে। গতিকে ইমান কম সংখ্যক বিষয়া কৰ্মচাৰী লৈ স্বাভাৱিকতে বিভাগটো আগুৱাই নিয়াত অসুবিধা হ'ব, যিহেতু কৃষি বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ। কৃষি ক্ষেত্ৰখনলৈ আমি এক আমোল পৰিৱৰ্ত্তন আনিব নোৱাৰিলে আমি অসমৰ অৰ্থনীতি শক্তিশালী কৰিব নোৱাৰো। মূল কথা হৈছে, এতিয়া আমি ইতিমধ্যে APSC ক অনুৰোধ জনাইছিলো যে আমাৰ কৃষি বিভাগত যিবিলাক **ADO** পদ আছে, সেই **ADO** পদবোৰ পূৰণ কৰিব লাগে। বৰ্তমান ৬১টা **ADO** পদ খালী আছে। তাৰে দিব্যাংগ সকলৰ বাবে ৯টা পদ সংৰক্ষিত আছিল ।ইয়াৰ বাবে ইতিমধ্যে **Interview** পাতিছিল আৰু ৩ জনক **Select** কৰা হৈছে আৰু তেওঁলোকক নিযুক্তি দিবৰ কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ৬১টা পদৰ আমি সোনকালে জাননী দিয়াৰ বাবে **A.P.S.C** ক অনুৰোধ কৰিছো। কিন্তু আপোনালোকে জানে যে কংগ্ৰেছৰ আমোলত**A.P.S.C** ত যি ঘটনা, পৰিঘটনা সংঘটিত হৈছিল, এইবোৰ **Stream** লৈ আনিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন আছে। এদিন মই ফোন কৰিছিলো এগৰাকী **A.P.S.C** সদস্যলৈ। তেখেতে ফোনটো পায়েই নমস্কাৰ জনাই মোক কৈছিল যে আমাৰ ফোনবোৰৰ বহুত কাণ আছে। মই একো বেয়া কথা ক'ব খোজা

নাছিলো। মই অনুৰোধ জনাব খুজিছিলো **A.P.S.C** পৰীক্ষাটো সোনকালে পাতিব লাগে। কাৰণ আমাৰ অসুবিধা হৈছে। মোৰ ওপৰত ন্যস্ত কৰা অন্যান্য দায়িত্বটো এনেকুৱা হৈছে। কিন্তু তেখেতে ক'লে যে মোৰ ফোনটোত বহুত কাণ আছে। গতিকে লগ পাই কথা পাতিম। এনেকুৱা এটা শ্বাসৰুদ্ধ, ভয়ংকৰ পৰিৱেশ এতিয়াও **A.P.S.C** ত আছে। তৎস্বত্বেও এইখিনি যিমান সোনকালে পাৰে **A.P.S.C** ক **Interview** পাতিবৰ বাবে অনুৰোধ কৰিছিলো। তেখেতসকলে কৈছে যে আমি **Gap** এটা উলিয়াই তাৰিখ নিৰ্ধাৰণ কৰি পতাৰ ব্যৱস্থা কৰিম। ঠিক তেনেকৈ **Agricultural Extenstion Assistant** যিখিনি নিযুক্তিৰ কাৰণে কংগ্ৰেছৰ দিনত **Interview** পতাৰ ব্যৱস্থা কৰিছিল। কিন্তু কোনোবা সদাশয় ব্যক্তিয়ে কোৰ্টলৈ গ'ল আৰু অনিয়ম হোৱা বুলি আবেদন কৰাত কোৰ্টে স্থগিত ৰাখিলে। আমি সেইটো এতিয়া পৰিচালনা কৰিছো। সেইখিনি দিবৰ কাৰণে যিখিনি **Service Rule** আছে, সেইখিনি সংশোধনৰ ব্যৱস্থা কৰিছো। সোনকালে পদবোৰ পূৰণ কৰাৰ কাৰণে যাৱতীয় ব্যৱস্থা লম।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ(উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰাকত শস্য উৎপাদন বা ধান উৎপাদনৰ বিশেষ এটা সম্ভাৱনা আছে আৰু আমি অসমত কেইটামান বছৰত দৃষ্টান্ত স্থাপন কৰিছো । কিন্তু কথাটো হৈছে অধ্যক্ষ মহোদয়, **Akbar Pur Rice Research Centre** টো ১৯১৩ খ্ৰীষ্টাব্দত স্থাপন হৈছিল। এইটো ১০০ বছৰ পুৰণি এটা অনুষ্ঠান। তাত ৩০০ বিঘা মাটি আছে। কিছুদিন আগতে তাত আমাৰ মাননীয় মুখ্য মন্ত্ৰী আৰু মাননীয় কৃষি মন্ত্ৰী মহোদয়ে মিটিং কৰি বিশ্ববিদ্যালয়লৈ পৰিণত কৰিবৰ বাবে আলোচনা কৰিছিল । তেতিয়া আমি অতি ভাল পাইছিলো আৰু ধন্যবাদ জনাইছিলো। কিন্তু এইবাৰৰ বাজেটত এইটো উল্লেখ কৰা হোৱা নাই। যিহেতু মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰা হৈছে, মিটিং কৰা হৈছে, এইটো কৃষি বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰা হ'ব নেকি?

**মাননীয় অধ্যক্ষ** ঃ এইটো এটা বেলেগ প্ৰশ্ন। মন্ত্ৰী ডাঙৰীয়াই যদি ইচ্ছা কৰে উত্তৰ দিব পাৰে।

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেট দাখিলৰ ঠিক আগে আগে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ লগত আমাৰ এখন মিটিং হৈছিল। সেই মিটিংখনত মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ইচ্ছা প্ৰকাশ কৰিছিল যে বৰাক ভেলীত যদি তেনেধৰণৰ বিশ্ববিদ্যালয় হয়, খুব ভাল হ'ব। যিহেতু মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ইচ্ছা প্ৰকাশ কৰিছে যদিও এই বছৰ হোৱা নাই। কিন্তু আমি সেইক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ বিশ্ববিদ্যালয় স্থাপনৰ বাবে এক সক্ৰিয় বিবেচনা হৈ আছে। এতিয়া মাননীয় সদস্য. অশোক শৰ্মা ডাঙৰীয়াই কওঁক।

**শ্ৰী অশোক শৰ্মা (নলবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কৃষি মন্ত্ৰীয়ে যিটো উত্তৰ দিছে, গতিকে আপোনাৰ জৰিয়তে তেখেতক ক'ব বিচাৰিছো যে নলবাৰী সমষ্টিত ডলুৱা বুলি এখন গাওঁ আছে।

**মাননীয় অধ্যক্ষ** ঃ এইটো **Related** প্ৰশ্ন নহয়।

**শ্ৰী অশোক শৰ্মা (নলবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগৰে প্ৰশ্ন। এগৰাকী মহিলাৰ গিৰিয়েক, তেওঁ ডকাইত খেদিবলৈ যাওঁতে তেওঁক ডকাইতে হত্যা কৰিছিল। আগৰ চৰকাৰৰ দিনত মহিলা গৰাকীক সেই সময়ত কৃষি বিভাগত অস্থায়ীভাৱে নিযুক্তি দিছিল। তেওঁৰ নাম বিজু ৰাজবংশী। গতিকে মন্ত্ৰী মহোদয়ে এতিয়া তেওঁক স্থায়ীভাৱে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** এইটো **Relevant Question** নহয়। মন্ত্ৰী মহোদয়ে যদি বিচাৰে উত্তৰ দিব পাৰে।

**শ্ৰী অতুল বৰা, কৃষি মন্ত্ৰী ঃ** কংগ্ৰেছৰ আমোলত গদাপাণি পাঠক বুলি এজন ইঞ্জিনিয়াৰক সেইসময়ত দুৰ্বৃত্তই হত্যা কৰিছিল। মহিলা গৰাকী আমাৰ চৰকাৰ গঠন হোৱাৰ পিছত মোৰ ওচৰলৈ আহিছিল আৰু কৈছিল বহুতবাৰ বহু মন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছিল। প্ৰাক্তন মুখ্য মন্ত্ৰীয়েও কৈছিল। কিন্তু হৈ নুঠিল। তেওঁ বহুত কান্দি কান্দি কোৱাত তেওঁৰ পুত্ৰক **Agriculture Marketing Board** ত তেওঁৰ যোগ্যতাৰ ওপৰত ভিত্তি কৰি তেওঁক ইঞ্জিনিয়াৰ হিচাপে নিযুক্তি দিছিল। গতিকে মাননীয় সদস্যই যিগৰাকী মহিলাৰ কথা কৈছে, বিজু ৰাজবংশী, তেওঁ এদিন আমাৰ ওচৰলৈ আহিছিল আৰু তেওঁক নিযুক্তিৰ কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। **Question No.424** আমিনুল ইছলাম।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম(ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ বিত্তীয় বৰ্ষৰ বাজেটত চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে আধুনিক নাওঁ আৰু ফেৰী নাওঁৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ কথা। কিন্তু দেখা পোৱা গ'ল যে এতিয়ালৈকে ৪খন লৌহ নিৰ্মিত নাওঁ সম্পূৰ্ণ হৈছে আৰু বৰাক ভেলীত চলাই থকা হৈছে। কেন্দ্ৰীয় চৰকাৰে অসমত মাত্ৰ এখন **RO-RO** জাহাজ যোগান ধৰিছে। যিখন হাটশিঙিমাৰী, ধুবুৰীত চলি আছে। কিন্তু পৰ্য্যটকৰ কাৰণে দুখন বিশেষ নাওঁ বা জাহাজ নিৰ্মাণ কৰাৰ কথাটো কোৱা হৈছিল।

কিন্তু আমি বিচাৰিছিলো যে যিহেতু আমাৰ গুৱাহাটীৰ ওচৰত ব্ৰহ্মপুত্ৰৰ ওপৰত উমানন্দ পাহাৰক কেন্দ্ৰ কৰি যথেষ্ট **Scope** আছে। অলপ বেছিকৈ দিব লাগে কাৰণ ইয়াত নৌ পৰ্য্যটনৰ কাৰণে দুখন যথেষ্ট নহ'ব। সেয়েহে বেছিকৈ **River Texi** বা আমাৰ পৰ্য্যটনৰ কাৰণে বিশেষ জাহাজ বেছিকৈ দিলে ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি ইয়াত এটা বিশেষ পৰ্য্যটন থলী হ'ব বুলি মই ভাৱো। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ পাম বুলি আশা কৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ **Inland Water Transport (IWT),** এইটোৰ **Directorate** য়ে বহুদিন আগতে আধুনিকীকৰণৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগিছিল। কাৰণ অসমত বৰাক, ব্ৰহ্মপুত্ৰৰ লগত ১২১ খন উপনৈ আছে। ১২১ খন উপনৈ হোৱাৰ পাছত National Water Ways Brahamaputra and National Water Ways Ganga-1 তেনেকৈ National Water Ways Barak. ঠিক তেনেকৈ দিহিং, দিখৌ, সোৱনশিৰি, পাগলাদিয়া,আই নদী, ধনশিৰি বেকী, মানাহ যিমান আছে সকলো এতিয়া National Water Ways হৈ গৈছে। গতিকে আমাৰ ভাৰতবৰ্ষৰ মুঠ যিখিনি জলসম্পদ আছে, এই জল সম্পদৰ ভিতৰত Assam is the only State, wich sharing 10% , Total water Resources. তেনেকুৱা এটা ক্ষেত্ৰত এইটো উন্নয়ণ বহুদিন আগতে হ'ব লাগিছিল। মই আপোনাৰ প্ৰশ্নটো ভাল পাইছো। গতিকে আমাৰ চৰকাৰ অহাৰ পিছত আমি এইটো ব্যৱস্থা কৰিছো। আপুনি যিটো কথা কৈছে যে আমি ৪খন লোহাৰে নিৰ্মিত জাহাজ দিলো। এই জাহাজ দুখন লোহাৰ নিৰ্মিত হ'লেও জাহাজ দুখন ভাল। নমামি বৰাকৰ সময়ত ৪খন জাহাজ বৰাকত দিছিলো। গতিকে সেই চাৰিখন নতুন জাহাজ বৰাকত আছে। এইবিলাকত

Safty কে আদি কৰি সকলো ব্যৱস্থা আছে আৰু বাকী ১৫ খন জাহাজ সম্পূৰ্ণ হ'লে তেতিয়া আমি জুন মাহৰ ভিতৰত মাজুলীত দুখন, গুৱাহাটীত আৰু দুখন দিব পাৰিম। হাট শিঙিমাৰীৰ 'ঘাট'টো অতি গুৰুত্বপূৰ্ণ ঘাট। তাত দলং হ'ব যদিও দলং নোহোৱালৈকে তাতো এখন দিব লাগিব। তাত এখন অত্যাধুনিক 'ৰো-ৰো' দিয়া হৈছে। অধ্যক্ষ মহোদয়, 'ৰো-ৰো' এই জাহাজখনত একেলগে ২০০ যাত্ৰী বা ৮খন ট্ৰাক পাৰ কৰাবপৰা ব্যৱস্থা আছে। অতি অত্যাধুনিক হয়। ছয়খন আৰু আহিব। অতি সোণকালে এখন মাজুলীত,এখন গুৱাহাটী ফেৰী ঘাটত দিয়াৰ পিছতেই গোটেই ফেৰী ঘাট বিলাকত দিয়াৰ ব্যৱস্থা কৰিম। গতিকে অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো Modernization ৰ কথা কৈছে, Modernization টো কৰাৰ কাৰণে আমি বিশ্ব বেংকৰ পৰা ৯৫০ কোটি টকা ধাৰ লৈছো। এই ৯৫০ কোটি টকাৰ ভিতৰত প্ৰায় ১৬ কোটি টকা D.P.R. বনাবলৈ আমাক ইতিমধ্যে দিছে। এই বিশ্ববেংকৰ আঁচনি ৰূপায়ন সম্পৰ্কত অসম আভ্যন্তৰীণ জলপৰিবহন উন্নয়ণ সমিতি এখন কৰিব লাগিব। গতিকে ইতিমধ্যে আমি জাৰ্মানীৰ এটা কোম্পানীৰ জৰিয়তে ইয়াৰ ডি,পি,আৰ বনাইছো।

অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত কিছুমান আইনৰো কথা আছে। গতিকে আভ্যন্তৰীণ জলপৰিবহনৰ লগত সম্পৰ্কিত যিখিনি পুৰণি আইন আছে, সেইখিনি সলনি কৰাৰ কাৰণে আমি গুৱাহাটীত থকা National Law Universityৰ লগত যোগাযোগ কৰিছো। তাৰোপৰি পাটনাত থকা National Inland Navigation Institiute ৰ আৰ্হিত আমাৰ অসমতো এটা Institiute কৰাৰ কথা চিন্তা কৰিছো আৰু এই ক্ষেত্ৰত ভাৰত চৰকাৰৰ লগত আলোচনা কৰি থকা হৈছে। গতিকে এই National Inland Navigation Institiute যিটো আছে, এই Institiute টোত ২০ গৰাকী নাবিকক ইতিমধ্যে ট্ৰেইনিঙৰ কাৰণে পঠোৱা হৈছে। গতিকে অধ্যক্ষ মহোদয়, আমাৰ বিশ্বায়নৰ নদী-ঘাট থাকিব, পোৰ্ট থাকিব। আপুনি নিজেও জানে অধ্যক্ষ ডাঙৰীয়া, মাজুলীত আপুনি নিশ্চয় দেখিছে যে- আটাইতকৈ ভগা-চিগা ঘৰবিলাকেই হ'ল নদীৰ ঘাটত আৰু বৰষুণ আহিলে বহিবলৈ তাত ঠাই নাই। আটাইতকৈ বেয়া অৱস্থাত আছে। গতিকে আমি চিন্তা কৰিছো সেই ঘাটবিলাক ধুনীয়া কৰা হওঁক, এটা এটা পৰ্ট হওঁক, দোকান-পোহাৰ দি মানুহবিলাক আৰামত থাকক। এইটো হ'লে অৰ্থনৈতিক দিশটো বহুপৰিমানে সহায়ক হ'ব। ইতিমধ্যে আমাৰ River-Taxi ৰ প্ৰথম Trial হৈ গ'ল। ইয়াতকৈ আৰু উচ্চমানৰ River-Taxi চলোৱাৰ কথা আমি চিন্তা কৰিছো। গতিকে অধ্যক্ষ মহোদয়, Modernization ৰ কাৰণে বহুখিনি ব্যৱস্থা I.W.T (Inland Water Transport) য়ে লৈছে ।

ইয়াৰ উপৰিও অধ্যক্ষ মহোদয়, জীৱন-বীমা নামৰ এখন আঁচনি আমি লৈছো। আমাৰ অসমৰ যুৱক-যুৱতী সকলক কোৱা হৈছে যে- তেওঁলোকে যদি উন্নতমানৰ জাহাজ বনাই, তেতিয়াহ'লে মুঠ ব্যয়ৰ পৰা শতকৰা ৩০ ভাগ অসম চৰকাৰৰ পৰা Subsidy দিয়াৰ উপৰিও তেওঁলোকৰ Training আৰু Safety Free কৰি দিয়া হ'ব, কিন্তু তেওঁলোকে আমাৰ লগত Registration কৰিব লাগিব। ব্যৱসায়িক দিশত নিবনুৱা যুৱক-যুৱতী সকলক জড়িত কৰাৰ উদ্দেশ্যেৰে এইখিনি ব্যৱস্থা কৰা হৈছে। তাৰোপৰি অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি 'Cruise' ৰ কথা কৈছে, এই ক্ষেত্ৰত জনাব বিচাৰিছো যে- ইতিমধ্যে দুখন 'Cruise' চলি আছে আৰু এই দুয়োখনেই খুব ভালকৈ চলি আছে। গতিকে 'Cruise' ৰ ক্ষেত্ৰটো আমি ডেকা লৰা-ছোৱালী সকলক এংগেজ কৰাৰ ব্যৱস্থা কৰিছো। যি নতুন জাহাজ ১৫ খন হ'ব আমি তাৰ পৰাই

উমানন্দটো দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰী আমিনুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে- যিটো River-Taxi বাহিৰৰ পৰা কিনাৰ কথা কৈছে, এইটো আমাৰ অসমতেই কেইটামান স্থানীয় উদ্যোগে ইতিমধ্যে বনাই আছে। মই ভাবো যে- আমাৰ স্থানীয় উদ্যোগী সকলে সকাহ পোৱাকৈ ইয়াৰ পৰাই যদি লোৱা হয় ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এই ক্ষেত্ৰত প্ৰশ্ন কৰিবলগীয়া নাই। মন্ত্ৰীয়ে কৈছে যে স্থানীয় উদ্যোগী সকলক Registration কৰিবলৈ কোৱা হৈছে, ৩০ পাৰচেন্ট চৰকাৰী Subsidy দিয়াৰ কথা কৈছে।

**শ্ৰী আমিনুল ইছলাম** ঃ অধ্যক্ষ মহোদয়, তেখেতে বাহিৰৰ পৰা অনাৰ কথা কৈছে।

**মাননীয় অধ্যক্ষ** ঃ যেতিয়ালৈকে ইয়াত নহয়, বাহিৰৰ পৰাটো কিনিবই লাগিব। আপোনাৰ উত্তৰটো তাতেই সোমাই আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাহিৰৰ পৰা কিনিম বুলি আমি কোৱা নাই। 'Fiber Taxi' টো ব্ৰহ্মপুত্ৰত চলাবলগীয়া হ'লে, ব্ৰহ্মপুত্ৰৰ সোঁতৰ লগত সেই 'Fiber Taxi' খনে Resist কৰিব পাৰিবনে নাই তাৰো এটা পৰীক্ষা কৰিব লাগিব। Expart এ সেইবোৰ পৰীক্ষা কৰিছে। গতিকে আমি এক সপ্তাহৰ ভিতৰত এই Taxi' ৰ বাবে Tender Call কৰিম। তাত স্থানীয়,বাহিৰৰ সকলোৱে Tender কৰিব পাৰিব। Tender ৰ ভিত্তিতহে আমি দিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিছু পদক্ষেপ লৈছে ভাল পাইছো। এটা কথা চাৰ, গুৱাহাটীত যিটো যান-জঁটৰ সমস্যা এইটো অতি জটিল সমস্যা হিচাপে দেখা দিছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে আমাৰ নুনমাটিৰ পৰা কাছাৰিলৈকে যদি River -Taxi দিয়া যায় তেতিয়াহ'লে যান-জঁটৰ সমস্যাটো আংশিকভাৱে হ'লেও সমাধান হ'ব বুলি মই ভাৱো। কিন্তু সেইটো Viable হ'বনে নহ'ব এই ক্ষেত্ৰত কিবা পৰীক্ষা কৰিছে নেকি ? যদি কৰিছে, River -Taxi সঘনাই দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** Good Question.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, কলিতা ডাঙৰীয়াই খুব ভাল প্ৰশ্ন কৰিছে। এই ক্ষেত্ৰত আমি জাৰ্মানীৰ কোম্পানীটোক যিটো D.P.R. বনাব দিছো, তেওঁলোকে এই গোটেইখিনি দিশ চাব। তাৰ ভিতৰত আপুনি কোৱা বিষয়টোও তাত আছে। অকল ইমানেই নহয়, Railway Station, Airport ৰ লগতো কেনেকৈ এই River -Taxi Connect কৰিব পৰা যায় তাত এইটোও থাকিব। আমাৰ প্লেনত এইটোও আছে যে- গুৱাহাটীৰ পৰা Airport লৈকে যাবলগীয়া হ'লে যান-জঁটৰ কাৰণে কেতিয়াবা অসুবিধাৰ সৃষ্টি হয়। গতিকে আজিৰ দিনটোত আমি এইটোও বিৱেচনা কৰি আছো যে - Fiber-Taxi টো যদি Airport লৈকে Connect দিবপৰা যায়, তেতিয়া আমাৰ Trial মতে আমি ইয়াৰ পৰা ১২ মিনিটৰ পৰা ১৫ মিনিটৰ ভিতৰত Airport পাই যাম। তেনেকুৱা ধৰণৰ Project এটা কৰাৰ কথা আমি চিন্তা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে,ধন্যবাদ। এতিয়া প্ৰশান্ত ফুকন ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** আমি এটা এনেধৰনৰ

project লৈ আছো। আজি হ'ব বুলি মই নকও কিন্তু এটা পৰিকল্পনা চলি আছে।

**মাননীয় অধ্যক্ষঃ** শ্রীপ্ৰশান্ত ফুকন।

**শ্রীপ্ৰশান্ত ফুকনঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াৰ আগৰ চৰকাৰৰ দিনত কেইবাখনো জাহাজ কলিকতালৈ leaseত লৈ গৈছিল তাৰ পিছত আমাৰ চৰকাৰ অহাৰ পিছত আমি এই জাহাজখিনি ঘুৰাই অনাৰ বাবে ব্যৱস্থা লৈছিলো। এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা শুনিব খুজিছো সেই জাহাজখিনি এতিয়া অনাৰ ব্যৱস্থা কিমানখিনি আগবাঢ়িছে repairing আগবাঢিছে আনিলে নে নাই কিমান দিনৰ ভিতৰত আহি পাব।

**শ্রীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ ডাঙৰীয়া , আগৰ চৰকাৰৰ দিনত তেনেকুৱা ধৰনৰ ১৬- ১৮ খনমান ডাঙৰ জাহাজ কলিকতাত ভাড়াত দিছিল। গতিকে আমাৰ চৰকাৰ অহাৰ পিচত আমি ঘুৰাই অনাৰ ব্যৱস্থা কৰিছো তাৰ বাবে আমি tender ৰ এটা ব্যৱস্থা কৰিছো। টেণ্ডাৰটো আমি এনেকুৱাধৰনৰ কৰিছো যে জাহাজখন য'তে আছে তাৰ পৰা যিয়ে পাব তেওঁ আনি মালবাহী জাহাজ বা Cruise জাহাজ কৰিব পাৰিব। ইতিমধ্যে আমাৰ কেইখনমান জাহাজ আহিছে। এই জাহাজখিনি আমি In Land Water Trnsport Authority of India ক ইতিমধ্যে দিছো। অহা ৭ এপ্ৰিল তাৰিখে tender দিন ধাৰ্য্য কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** ধনবাদ---- সিদ্ধাৰ্থ ভট্টাচাৰ্যী।

**শ্রীসিদ্ধাৰ্থ ভট্টাচাৰ্যীঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আধুনিক নাও , খেল নাওঁ , Cruise ইত্যাদিৰ কথা কৈছে তাৰ বাবে তেখেতক ধন্যবাদ জনাইছো কিন্তু মোৰ প্ৰশ্নটো হ'ল- যে গুৱাহাটীৰ পৰা বিভিন্ন অঞ্চললৈ কিছু ভুটভুটী নাওঁ চলি আছে যিবিলাক সুৰক্ষাৰ ক্ষেত্ৰত কিন্তু একো নাই। গতিকে এই ক্ষেত্ৰত যিবোৰ ফেৰী নাও চলি আছে এইবোৰৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ ল'ব সেই সম্পৰ্কে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো?

**শ্রীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, এইটো এটা Important Question এইটো কথা মইও অনুভৱ কৰো। ভুটভুটীবিলাকত ইমান মানুহ উঠে, লগতে ছাইকেল ,বাইক বোজাই কৰি বিপদসংকুলভাবে অহা যোৱা কৰে আমি চিন্তিত। লগতে বিনন্দ শইকীয়া ডাঙৰীয়াৰ সমষ্টিৰ পৰুৱাৰ পৰা ভুটভুটীত কেতিয়ক সকলে চবজী লৈ আহে দেখিলে দুখ লগা কথা। সেই কাৰনে আমি কিছুমান আইন সলনি কৰিব লাগিব। গতিকে কিছুমানcompulsion আমি এই ভুটভুটিবিলাকত আমি আনিব লাগিব। গতিকে সেই কাৰনে অধ্যক্ষ ডাঙৰীয়া মই অলপ আগতে ' জীৱন ডিঙা ' আঁচনিৰ কথা মই কৈ গৈছো। এই আঁচনিটো লোৱাৰ উদ্দেশ্য হ'ল to replace ভূটভূটী । সেই কাৰনে জীৱন ডিঙাৰ জৰিয়তে আমি বিছাৰিছো ৩০ পাৰ্চেন্ট আমি subsidy দিম । চেফটীটো আমাৰ ফালৰ পৰা, চৰকাৰৰ তৰফৰ পৰা প্ৰভাইড কৰি দিম। কেৱল তেওলোকে registration কৰিব লাগিব।

**মাননীয় অধ্যক্ষঃ** শুকুৰ আলি অনুপস্থিত, অশোক সিংঘল অনুপস্থিত । Next Question No- ৪২৭, মৃনাল শইকীয়া। তাৰ আগতে Agriculture Minister please

**শ্রীঅতুল বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্রীমৃনাল শইকীয়াঃ** মোৰ পথাৰ পৰিচালনা সমিতিৰ ওপৰত প্ৰশ্নটো আছিল । জানিব পাৰিছো২৫৯৩৮ খন পথাৰ পৰিচালনা সমিতি আছে। কিন্তু কথাটো হ'ল পথাৰ পৰিচালনা সমিতি এখন কিমানটা term ৰ কাৰনে থাকে? গম পালো যে ৩ বছৰ থাকে ।এতিয়া মই জনাত

২৫৯৩৮ পথাৰ পৰিচালনা সমিতি আছে। এই সকলোৰে টাৰ্মবিলাক শেষ হৈছে। কিছুমান সমিতি বহু বছৰ পুৰণি হৈছে। সততে অভিযোগ শুনা যায় গাও-ভূঁএওয়ে গ'লে যে পথাৰ পৰিচালনা সমিতিবিলাক অনুদান আৰু সাহাৰ্য্য বিতৰণৰ ক্ষেত্ৰত বহুতো বেমেজালি সৃষ্টি কৰে সেই কাৰণে term ´ যিহেতু শেষ হৈছে সেইবিলাক automatically terminate হৈ যায় নে চৰকাৰে কিবা অধিসুচনা

জাৰি কৰিব লাগে যে পথাৰ পৰিচালনা সমিতিবিলাক নতুনকৈ গঠন কৰিব লাগে ? ইয়াত উত্তৰ পাইছো যে, Government is considering the P P S . reactivating নে আছলতে reforming ? automatic হ'ব লাগে ৩ বছৰ হ'লে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে । মন্ত্ৰী মহোদয়ে প্ৰশ্নটোৰ উত্তৰ দিব।

**শ্ৰীঅতুল বৰা , মাননীয় মন্ত্ৰী, কৃষি ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই পথাৰ পৰিচালনা সমিতিৰ concept ১৯৮৫ চনত যেতিয়া অসম গণ পৰিষদৰ চৰকাৰ আছিল, দেব বৰা ডাঙৰীয়া কৃষি মন্ত্ৰী আছিল, তেতিয়াই এই কামটো আৰম্ভ কৰিছিল। পথাৰ পৰিচালনা সমিতিৰ ৰোলটো প্ৰথম অৱস্থাত খুব positive আছিল কিন্তু পিছৰ পৰ্য্যায়ত দেখা গ'ল যে কংগ্ৰেছৰ সময়ত আলপ ৰাজনীতিকৰণ কৰা হ'ল। বহু ধৰণৰ খেলিমেলি আৰু অভিযোগ আমি চৰকাৰ গঠন কৰাৰ পিছত বিভিন্ন ঠাইৰ পৰা পাইছো। প্ৰশ্নৰ উত্তৰত আমি মাননী. সদস্যগৰাকীক অৱগত কৰিছো যে, ইয়াৰ টাৰ্মটো ৩ বছৰীয়া টাৰ্ম। এতিয়া পথাৰ পৰিচালনা সমিতিৰ এখন নিয়মাৱলী আছে। নিয়মাৱলীখন আমি পুংখানুপুংখভাৱে বিশ্লেষন কৰি কিছু নতুন নিয়ম সন্নিবিষ্ট কৰিব লাগে যাতে কৃষকৰ স্বাৰ্থত পথাৰ পৰিচালনা সমিতিসমূহে কাম কৰিব পাৰে সেই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি আমি পুনৰ গঠনৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো। খুব সোনকালে সন্মানীয় সদস্যসকলেও নিজৰ নিজৰ সমষ্টিত পথাৰ পৰিচালনা সমিতি গঠনৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰিব।

**শ্ৰীমৃনাল হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিবা সময়সীমা ধৰি দিব নেকি ?

**শ্ৰীঅতুল বৰা , মাননীয় মন্ত্ৰী, কৃষি ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয় আমাক দুমাহ সময় লাগিব। এই খেতিৰ পিচত আৰম্ভ কৰিব পৰা যাব অলপ সময়ৰ প্ৰয়োজন হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। ভালকৈ কৰিলে ভাল। এতিয়া নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাসঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো ইয়াত তথ্য পালো । পথাৰ পৰিচালনা কমিটি ২৫৯৩৮ ইয়াত ৰেজিষ্টাৰড বুলি কোৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গাওঁ আছে ২৬০০০ , গতিকে সেই তুলনামূলকভাৱে পথাৰ পৰিচালনা সমিতি বহু কম। আমি যেতিয়া বিষয়াসকলক কৈছিলো তেখেতসকলে reactivate ৰ কথা কৈছিলে। মন্ত্ৰী মহোদয়ে যিটো কথা ক'লে যে কংগ্ৰেছৰ সময়ত পথাৰ পৰিচালনা সমিতি ৰাজনীতিকৰণ কৰা হৈছিলে। বহু দুনীতিও হৈছিল। আচলতে এইটো সত্য নহয়। কাৰণ পথাৰ পৰিচালনা সমিতিবিলাক গঠন কৰে গ্ৰাম সেৱক, ভি এল ই ডব্লিউ, আৰু এ ডি অ সকলে। এইসকলৰ মাজত এনেকুৱা এটা নেক্সেছ আছে। পথাৰ পৰিচালনা সমিতিবিলাক গঠন কৰোতে গ্ৰাম সেৱক, ভি এল ই ডব্লিউ, আৰু এ ডি অ সকলে নিজৰ মানুহ অৰ্ন্তভূক্ত কৰে। reactivate কৰোতেও সেই পুৰনি মানুহখিনিকে সোমাই লয়। পথাৰ পৰিচালনা সমিতিক লৈ মানুহৰ মাজত সজাগতা নাই। যাৰ ফলত য'ত আগৰে পৰাই সমিতি আছে এতিয়াও তাতে আছে , নতুন অঞ্চলত পথাৰ পৰিচালনা সমিতি গঠন কৰা হোৱা নাই। চৰকাৰীভাৱে যিখিনি আঁচনিৰ জৰিয়তে বীজ বা tractor আহে আমি যেতিয়া পথাৰ পৰিচালনা সমিতিৰ সহায় ল'ব লগা হয় আৰু যিখিনি খেতি-বাতি হোৱা অঞ্চলত দিব বিচাৰো

তেতিয়া সেই অঞ্চলত আমি পথাৰ পৰিচালনা সমিতি বিচাৰি নাপাও। তৃণমূল পৰ্য্যায়ত কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী- ভি এল ই ডব্লিউ-গ্ৰামসেৱক, এ ডি অ সকলৰ দুনীতিৰ কাৰনে আজি প্ৰকৃত যিসকল খেতিয়কতেওঁলোক চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰাৰ পৰা বঞ্চিত হৈছে। সেই কাৰণে পথাৰ পৰিচাননা কমিটি পুনৰ গঠনৰ ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এই গোটেই কথাটো পৰীক্ষা নিৰীক্ষা কৰাৰ বাবে দুমাহ সময় লৈছে। তাৰ পিছত নিশ্চয় ফৰমেল নোটি ফিকেচন হ'ব। মই এটা পৰামৰ্শ দিব বিচাৰিছো যে মাটিৰ মালিক পথাৰ পৰিচালনা সমিতিৰ সদস্য হোৱাতকৈ প্ৰকৃত খেতিয়কে সমিতিৰ সদস্য হোৱাটো ভাল। এইটো কেনেকৈ কৰিব পৰা যাব সেইটো আপোনালোকে জানিব । মন্ত্ৰী ডাঙৰীয়াই যদি এই বিষয়ে কিবা কয় কওক?

**শ্ৰী অতুল বৰা, কৃষি বিভাগ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো পৰামৰ্শ দিছে এইটো সময়োপযোগী পৰামৰ্শ তাৰ বাবে ধন্যবাদ দিছো আপোনাক। আমি সেই দিশেৰে কাম কৰিবলৈ চেষ্টা নিশ্চয় কৰিম। অধ্যক্ষ মহোদয় আপুনি নিশ্চয় অবগত আমাৰ বেছিভাগ কৃষি সম্প্ৰসাৰন বিষয়া, Block Extention Officer বিলাক NRC ৰ কামত নিয়োজিত হৈ আছে। বহু গ্ৰাম সেৱকৰ পোষ্ট হাজাৰতকৈ অধিক কংগ্ৰেছৰ দিনৰে পৰা খালি হৈ আছে। ( বাদ- বিবাদ-- হুলস্থুল) অৱগত যে বেছিভাগ আমাৰ কৃষি সম্প্ৰসাৰণ বিষয়াই NRC ৰ কামত নিয়োজিত হৈ আছে আৰু বহুত গ্ৰামসেৱকৰ পদ হাজাৰতকৈও অধিক বহুদিনৰ পৰাই খালী আছে। যোৱা দুটা বছৰত যিখিনি দেখিলো যে কোনে দূৰ্নীতি কৰিছে কোনে নাই কৰা, সেই মানুহজন কোন, এই কথাটো আমি চিহ্নিত কৰিছো। সেই কাৰণে নতুনকৈ এইখিনি কৰিবলৈ লৈছো আৰু মই আশা কৰিছো যে প্ৰতিজন সন্মানীয় সদস্যই পথাৰ পৰিচালনা সমিতি গঠনত এক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটীঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কব লগীয়া নাই, কথাখিনি যিহেতু ওলাইছে। খালী আপুনি যিটো কথা কলে প্ৰকৃত খেতিয়কে যাতে পথাৰ পৰিচালনাত অন্তৰ্ভূক্ত হয়, সেইটোত বিশেষ গুৰুত্ব দিব লাগে। সেইটোত মোৰ মত আছে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ইয়াৰ পিছৰ প্ৰশ্ন নং. **৪২৮**, মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ।

**শ্ৰী অতুল বৰা, কৃষিবিভাগ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ মুল বিষয়বস্তু হ'ল যে **২০১৭-১৮** বিত্তীয় বৰ্ষৰ আগলৈ প্ৰতি বছৰে অসমৰ বাহিৰৰ পৰা শ শ কোটি টকাৰ আলু বীজ ক্ৰয় কৰা হয়। অথচ আমাৰ অসমতে লাখ লাখ কুইন্টল আলু গেলি পচি যায়। মোৰ প্ৰশ্নটো কৰাৰ উদ্দেশ্য আছিলে যে আলুৰ বীজ বাহিৰৰ পৰা ক্ৰয় নকৰি, আমাৰ অসমৰ থলুৱা খেতিয়কৰ পৰা ক্ৰয় কৰিব নোৱাৰি নেকি?

মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিলে যে কেন্দ্ৰীয় আলু গৱেষণা কেন্দ্ৰ (Central Potato Research Institute) চিমলাৰ প্ৰতিবেদনৰ মতে উত্তৰ ভাৰতৰ উৎপাদন কৰা আলু বোৰ বেছি ভাগ এই কাৰণে কিনা হয়। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, **২০১৬** বৰ্ষলৈ যি আলুৰ বীজ ক্ৰয় কৰা হৈছে, সেই আলুৰ বীজ পাঞ্জাৱ, হিমাচল প্ৰদেশ, হাৰিয়ানাৰ বাদেও উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গৰ পৰাও আলুৰ বীজ ক্ৰয় কৰা হৈছে। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে যি প্ৰতিবেদন উল্লেখ কৰিছে Central Potato Research Institute, চিমলাৰ তাত মাত্ৰ পাঞ্জাৱ, হিমাচল প্ৰদেশ, হাৰিয়ানাৰ কথাই কোৱা হৈছে। উত্তৰ প্ৰদেশ আৰু পশ্চিমবঙ্গৰ কথা এই তথা মতে কোৱা হোৱা

নাই আৰু পশ্চিম বঙ্গৰ আলু অসমৰ আলুৰ মাজত বিশেষ গুণগত পাৰ্থক্য নাই আৰু এটা বিভাগৰ পৰা দিয়া তথ্য অনুসৰি শুনা যায় যে আমাৰ অসমত ইয়াৰ আগতে দিয়া প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে জনাইছিলে যে আমাৰ ইয়াত বীজ উৎপাদন কাৰীৰ তেনেকুৱা ধৰণৰ কোনো Registration নাই। মাননীয় অধ্যক্ষ মহোদয়, যোৱা তিনিটা বছৰত **২০১৫-১৬, ১৬-১৭** বৰ্ষত অসমত এজনো খেতিয়কৰ নাম seeds producer হিচাপে registration কৰা নাই।

এতিয়া মোৰ কথাটো হ'ল এই গোটেই আলুৰ বীজ ক্ৰয় মাননীয় মন্ত্ৰী মহোদয়ে যিমান খিনি বিভাগৰ অন্তৰত থকা খিনি জ্ঞাত মই নাজানো, ইয়াত এটা ডাঙৰ চক্ৰ জৰিত হৈ আছে। অসমৰ খেতিয়কৰ পৰা যাতে বিভাগে বীজ ক্ৰয় কৰিব নোৱাৰে, তেনেকুৱা এটা চক্ৰ জৰিত হৈ অসমৰ খেতিয়কক seeds certificate from agency ত Registration কৰাৰ পৰা তেওঁলোকক বিৰত ৰখা হয় আৰু বাহিৰৰ পৰা আলু ক্ৰয় কৰা হয়। সেয়েহে এই প্ৰক্ৰিয়াটোক বন্ধ কৰি, প্ৰৱনতাক বন্ধ কৰি মাননীয় মন্ত্ৰী মহোদয়ক মই প্ৰশ্ন কৰিব খোজে যে অনাগত দিনত অসমৰ খেতিয়ৰক পৰা যাতে বীজ ক্ৰয় কৰিব পাৰি, তাৰ ব্যৱস্থাটো কৰিব লাগে।

**শ্ৰী অতুল বৰা, কৃষিবিভাগ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৃষি বিভাগৰ দায়িত্ব লোৱাৰ পিছত অসমৰ কিছুসংখ্যক খেতিয়ক আমাৰ ওচৰলৈ আহিছিল আৰু এই কথাটো কৈছিল যে আমাৰ পৰা আলু লব লাগে। আমি দিব পাৰো, আমি পশ্চিম বঙ্গৰ পৰাও আমি দিব পাৰো। তেতিয়া বিষয়টোলৈ মোৰ মনত সন্দেহ আছিল, যি কাৰণে লোৱা নহয় তেওঁলোকৰ পৰা। পশ্চিম বঙ্গৰ আৰু উত্তৰ প্ৰদেশৰ পৰা কিয় লোৱা নহয়। আমি তেতিয়া কৃষি বিশ্ববিদ্যালয়ৰ পৰা আমি পৰামৰ্শ বিচাৰিছিলো আৰু কেন্দ্ৰীয় আলু গৱেষণা কেন্দ্ৰ (Central Potato Research Institute) চিমলাত আছে, তাৰ পৰাও আমি বিচাৰিছিলো। Central Potato Research Institute and Agriculture University ৰ যিটো তথ্য, সেইটো তথ্যৰ অনুসৰি অসমৰ জলবায়ু উৎকৃষ্ট আলু বীজ উৎপাদনৰ বাবে অনুকুল নহয়। ইয়াত উৎপাদিত আলুৰ বীজত ভাইৰাচ সংক্ৰমণৰ বেছি সম্ভাৱনা থাকে বুলি তেওঁলোকৰ তথ্য উল্লেখ কৰিছিল। সেইকাৰণে ইয়াত উৎপাদিত আলুৰ বীজ সমূহ দ্ৰুত গতিত degenerate হয়। অন্যহাতেদি হিমাচল, পাঞ্জাৱ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ পশ্চিম অঞ্চলত উৎপাদন কৰা আলুৰ বীজত ভাইৰাচ সংক্ৰমনৰ আশংকা নিচেই কম বুলি তেওঁলোকৰ প্ৰতিবেদনত উল্লেখ কৰিছিল। কিয়নো আলুখেতিৰ সময়ছোৱাত vector pressure (ভাইৰাচ বিয়পোৱা পোক-পতঙ্গ) একেবাৰে নিম্ন পৰ্য্যায়ত থাকে। ইয়াৰ উপৰিও পঞ্জাৱ, হাৰিয়ানা, হিমাচল প্ৰদেশ আৰু উত্তৰ প্ৰদেশৰ পশ্চিম অঞ্চলত আলু চপোৱাৰ সময়ত জলবায়ু শুকান হোৱাৰ বাবে বীজত ৰোগ বা পোক -পতঙ্গৰ সংক্ৰমনৰ সম্ভাৱনা একেবাৰেই কম হয়। তথাপিও বিভিন্ন জনে আপত্তিটো দিয়াত আমি DBT (Direct Benefit Transfer) পদ্ধতিৰে কৃষকক আলুখেতিৰ বাবে আমি ৰাজসাহাৰ্য্য (subsidy) তেওঁলোকৰ বেংক একাউন্টত জমা দিয়াৰ ব্যৱস্থা কৰিছো। দেখা গৈছে বিশ্বনাথ চাৰিআলিৰ জিনজাৰ (ginger) বেছি ভাগ কৃষকে কি কৰিছে, তেওঁলোকে বাহিৰৰ পৰা ক্ৰয় কৰিছে আৰু সকলোৰে জানে যে জিনজাৰৰ বহুত ভাল খেতি হয়। মই ভাৱো DBT পদ্ধতিৰে যদি আমি কৃষকক ৰাজসাহাৰ্য্য দিওঁ, তেতিয়া হলে কাৰো মনত শংকা নাথাকিব আৰু কোনেও ইচ্ছা কৰিলেও অন্তত দূৰ্নীতি কৰিব নোৱাৰিব।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেও কৈছো, এতিয়াও কম যে Central Potato Research Institute ৰ report ত পশ্চিম বঙ্গৰ কথাটো উল্লেখ নাই। তৎস্বত্তেও আগতে ক্ৰয় কৰা হৈছে। মই উদাহৰণ হিচাপে দাঙি ধৰিছো - Central Po-

tato Research Institute

তে যি কেইটা variety recommend কৰিছিলে ২০১৬ -১৭ চনত প্ৰায় আঠ কোটি টকাৰ বীজ ক্ৰয় কৰা হ'ল তাত recommended variety এটাও নাই। যি নহওঁক এতিয়া যিটো DBT কৰিব বিচাৰিছে, এইটোৰ দ্বাৰা মাননীয় অধ্যক্ষ মহোদয়, খেতিয়ক তেনেকৈ লাভৱান নহ'ব। সেই কাৰণে নহ'ব যে আলুখেতি কৰাৰ সময়ত বীজটোৰ যথেষ্ট মুল্যৱান হোৱাৰ কাৰণে, তেওঁলোকে আলু বীজটো কৰিব নোৱাৰে। DBT ৰ যোগেদি দিব, কিন্তু খেতি কৰাৰ পিছত, প্ৰয়োজন হ'ল তেওঁলোকৰ, সাহাৰ্য্য লাগে তেওঁলোকৰ খেতি কৰাৰ সময়ত বীজ লাগে। খেতি কৰাৰ পিছত যিটো DBT কৰিব সেইটো কিন্তু বৰ বেছি উপকৃত নকৰিব। সেই কাৰণে মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো যে অহা বিত্তীয় বৰ্ষৰ পৰা এইটো বিবেচনা কৰিব লগতে মণ্ডিয়াত যোৱা বছৰ কেইবা লাখ আলু নষ্ট হৈছিল, তাত এটা cold storage স্থাপন কৰাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা লব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী অতুল বৰা, কৃষিবিভাগ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে যে DBT ৰ system ত দিলে বীজটো তেওঁলোকে ক্ৰয় কৰিব। মই ভাৱো বহুতো কৃষকে এইটো কৰিব পাৰিব। কিছুমানৰ অসুবিধা হ'ব পাৰে। তৎস্বত্বেও এই বিষয়টো আমি পুনৰ আলোচনা কৰিম। আৰু ইয়াৰ ওপৰিও যিটো cold storage ৰ কথা কৈছে, আজি ব্যক্তিগত খণ্ডটো বহুত এনেধৰণৰ cold storage হ'ব পাৰে। তাৰ কাৰণে চৰকাৰে যিখিনি সহায় সহযোগ কৰিব লাগে কৰিব, এইক্ষেত্ৰত আমি কিবা কৰিব পাৰো নেকি, বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী শিলাদিত্য দেৱ।

**শ্ৰী শিলাদিত্য দেৱ, হোজাই ঃ** Hon'ble Speaker Sir, Is the Hon'ble Agriculture Minister is aware that, even in Hojai we have big agriculturist, who are producing potato seeds and last year they have prayed that their production should be taken. But, it seems that, there is a big lobby in the national level, who want to pump their potato seed business. So, whether any measure will be taken to promore our local farmers? Because, I think we have good quality potato seeds in Hojai.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী অতুল বৰা, কৃষিবিভাগ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ ডাঙৰীয়াৰ যিটো উত্তৰ দিয়া গৈছে তাতে ইয়াৰ উত্তৰতো সোমাই আছে। yes we are aware of that. হোজাইৰ এজন ব্যক্তি মোৰ ওচৰলৈ আহিছিলে, যিজনে কৈছিল যে আমাৰ পৰা বীজ লব লাগে। তেতিয়াওঁ এই বিষয়ত আমাৰ বিভিন্ন বিষয়াৰ লগত আলোচনা কৰিছিলো। মোৰ মনত অলপ শংকা থকা কাৰণে কৃষি বিশ্ববিদ্যালয়ত আলু বীজ লৈ তথ্য দিব দিছিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

## Point of Order

## SHORT NOTICE QUESTION

### Total Question -3 Nos.

| Asked by Hon'ble Member | Question No. | Replied by |
|---|---|---|
| 1. Shri Anwar Hussain Laskar | 1 | Hon'ble Minister, PWD |
| 2. Shri. Abdul Khaleque | 2 | Hon'ble Minister, Health |
| 3. Shri. Abdul Khaleque | 3 | Hon'ble Minister, Education |

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত Investigation Report of the Empolyment Review Committee দাখিল হৈছে, মই আপোনাক ধন্যবাদ জ্ঞাপন জনাইছো, ONGC ৰ বিষয়াক মই এটা অভিযোগ দিছিলো, আৰু এই অভিযোগৰ ভিত্তিত আপুনি সমিতি খনক যাবলৈ কৈছিল আৰু ইয়াত যি কেইটা Recommendation আছে যে অসমৰ থলুৱা লোকৰ বাবে Grate -III Grate -IV ৰ চাকৰিৰ বাবে গুজৰাটৰ নিচিনাকৈ ব্যৱস্থা লোৱা হব। Government Circular will be issued. আৰু ইয়াতে Action Taken Report ৰ কথা আছিলে Within December আৰু Follow up Action within March, 2018. যদি এইখিনি হোৱা নাই, সোনকালে হোৱাটো বিচাৰিম আপোনাক আৰু Empolyment Review Committee ক ধন্যবাদ জনাম, যে তেখেত সকলে গোটেই কথাখিনি গুৰুত্বপূৰ্ণ ভাৱে লয়, এটা ভাল পদক্ষেপ গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** Thank you, এতিয়া মাননীয় সদস্য, শ্ৰী বিমল বৰা।

**শ্ৰী বিমল বৰা (মাননীয় বিধায়ক, টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা বিষয় সদনৰ মজিয়াত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, পঞ্চায়তৰ যি সমূহ কাম কাজ ভাল ধৰণে নোহোৱা কাৰণে বিভিন্ন দল সংগঠনে আন্দোলন কৰি আছে। তদন্তৰ দৰকাৰ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** আজি মন্ত্ৰী ডাঙৰীয়া নাই, নহলে মই এইটো Allow কৰিব পাৰিলো হেতেন। আপুনি এটা Zero Hour Notices দিছিলে, মই কৰিবলৈ দিব বিচাৰিছিলো যিহেতু মন্ত্ৰী মহোদয়ে মোৰ পৰা ছুটী বিচাৰিলে আপোনাৰ Question টো ইমান Sensitive যে মন্ত্ৰী ডাঙৰীয়াই নিজে দিলে ভাল হয় উত্তৰটো। আপুনি যিটো কথা কৈছে, সেইটো মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা পোনপতীয়াকৈ যাতে উত্তৰটো পায় তাৰ মই ব্যৱস্থা কৰি দিম। শ্ৰী কমলাক্ষ দে পুৰুকায়স্থ মাননীয় সদস্য আপোনাৰ কিবা আছিল নেকি ?

**শ্ৰী কমলাক্ষ দে পুৰুকায়স্থ (মাননীয় বিধায়ক, কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই

Zero Hour ত NRC ৰ বংশবৃক্ষ পৰীক্ষাৰ ক্ষেত্ৰত মানুহক যি হাৰাশাস্তি কৰি থকা হৈছে, সেই বিষয়ে মই এখন Notice দিছিলো অধ্যক্ষ মহোদয় It is a very important issue.
**মাননীয় অধ্যক্ষ ঃ** Zero Hour Notice আমি প্ৰায় ৮খন নে ৯খন পাইছো, I have allowed three. মই সকলো সদস্যকে কৈছো যে মই Special Mention এটাও ৰাখিছো, সকলোৰে Zero Hour ত দি দিয়ে, Special Mention টো কেতিয়াবা দি দিব। কথাটো গুৰুত্বপূৰ্ণ কিন্তু সদনৰ সময়টো এইবাৰ ২মাহ কৰিলো এইটো কিজানি এটা Record হব, মাজত যদিও gape আছে, কিন্তু আমি Continuously ইয়াত আছো।

মোৰ ইচ্ছা আছে যে আমি All Party বহিম আৰু বিধান সভাৰ সময় বিলাক Fixed কৰি দিব পাৰো নেকি,সেইটো আমি চাম। বিধান সভাখন এনেকুৱা এটা অনুষ্ঠান য'ৰ পৰা আপুনি ৰাইজৰ কথা কব পাৰে। আৰু আপুনি যিটো Issue কৈছে, তেখেতে যিটো কৈছে আটাইবোৰ গুৰুত্বপূৰ্ণ। But I have to allow only three, that is a Rule. সেই কাৰণে মই Special mention ৰ পিছত বহিম, আজি আৰু কালিলৈ বহা নাই কাৰণ Discussion বোৰ আছে, এইটো মই ভৱিষ্যতলৈ চাম। এতিয়া মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় বিধায়ক মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আজি এটা প্ৰশ্ন আছিল, Unstarred ৰ ৯৫১ ত। এই প্ৰশ্নটোত মই Skill Development ৰ সন্দৰ্ভত এটা প্ৰশ্ন কৰিছিলো, আৰু যিহেতু আমি খুব আশাৰে প্ৰশ্নবোৰ কৰো কিন্তু ইয়াত বিভাগৰ ফালৰ পৰা এটা শব্দ ব্যৱহাৰ কৰিছে উত্তৰত No Comment। এই No Comment টো থাকিব পাৰে জানো।

**মাননীয় অধ্যক্ষ ঃ** No Comment ৰ question টো কি আছিল ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় বিধায়ক মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, If yes, will the State Government Take up a project for Mariani LAC youth ? এইটো আছিলে Skill Development ৰ ওপৰত আৰু ইয়াৰ উত্তৰটো D ত দিছে, কিন্তু E ত যিটো প্ৰশ্ন সুধিছিলো If yes, by when ? ইয়াত দিছে No Comment ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি তেনেকৈ নোলোৱাটো উচিত। আপুনি যিটো কৈছে, যে যদি হয় তেতিয়া হলে আমাৰ মৰিয়নীটো তেনেকুৱা এটা Project লব নেকি ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় বিধায়ক মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, As stated above বুলি line টো দিয়া হলেও মোৰ ভাল লাগিলে হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে মই এইটো চাই লম। এতিয়া মাননীয় সদস্য শ্ৰী শিলাদিত্য দেৱ।

**শ্ৰী শিলাদিত্য দেৱ (মাননীয় বিধায়ক, হোজাই) ঃ** Hon'ble Speaker Sir, on second of during that Question Hour, Hon'ble Opposition Leader had asked a question regarding the numbers of criminal records for Ministers and MLAs, so there was a list given provided.

**মাননীয় অধ্যক্ষ ঃ** But this is not the way of raising the matter. No Please. মই আছো নহয় চাবলৈ, আপুনি অকনমান বহকচোন। Point of Order হৈছে interpreation of Rules. ইয়াত শ্ৰী বিমল বৰাই কথা এটা কৈছে আৰু অন্য এজনে কৈছে, কিন্তু মই Zero Hour ত তিনিটাহে দিব পাৰো। মোক বেয়া পালেও উপায় নাই। I always try to divide among the parties. মই কেতিয়াও একেটা পাৰ্টিত দুখন দি পোৱা নাই

কিজানি আজিৰ কাৰণে

এতিয়া মই Zero Hour লৈ যাম তাৰ আগতে শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ কিবা আছিল নেকি ?

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, NRC সম্পৰ্কত যিটো মাননীয় বিধায়কে কৈছে, মইও NRC সম্পৰ্কত ৩০১ ত দিছিলো ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** Supreme Court য়ে Monitor কৰি থকা বিষয় এটাত আমি বৰ বেছি আলোচনা কৰি থকাটো বৰ ঠিক নহয় যেন মই অনুভৱ কৰো। শ্ৰী দেবব্ৰত শইকীয়া আপোনাৰ Zero Hour Notice.

**শ্ৰী দেবব্ৰত শইকীয়া ( বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাব বিচাৰিছো, আজি শূণ্যকালীন ঘণ্টাৰ সময়ত মোক এটা বিষয় উত্থাপন কৰিবলৈ দিয়াৰ বাবে যোৱা ২৭ তাৰিখৰ প্ৰতিদিন বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছিল। গেলেকীত SBI সেৱা কেন্দ্ৰৰ নামত ধন লুণ্ঠন বে-চৰকাৰী সংস্থা "গ্ৰীকচিৰ"বিৰুদ্ধে গোচৰ। আমাৰ অসমৰ বিভিন্ন অঞ্চলত যিহেতু বেংক সমূহৰ Branch ৰ সুবিধা নাই সেই গতিকে যোৱা সময় ছোৱাত কেত বোৰ NGO ক বেংকৰ সহযোগী CSP হিচাবে কাম কৰিবলৈ দিয়া হৈছিল আৰু বিভিন্ন অঞ্চলত সেৱা আগবঢ়াই আহিছে। কিন্তু কেতবোৰ এনে ধৰণৰ সংস্থাই নিয়োজিত কৰে তেওঁলোকে যি Agent সকলে প্ৰবঞ্চনা কৰি বহুতৰে ধন আত্মসাৎ কৰাৰ ঘটনা ইতিমধ্যে ঘটি গৈছে। যোৱা নবেম্বৰ মাহত SBI ত টিংৰাইত এনেকুৱা এটা ঘটনা হৈছিল। তাত ৪লাখতকৈ অধিক টকা গ্ৰাহক সকলৰ পৰা প্ৰৱঞ্চকে লৈ Branch টো বন্ধ কৰি দিছিল। আমাৰ নাজিৰা মহকুমাৰ SBI মেজেঙা শাখাৰো CSP এটা ইয়াৰ পূৰ্বে ১৭ চনত বন্ধ হৈছে। নাজিৰা মহকুমাৰে গেলেকী আৰক্ষী থানাৰ অন্তৰ্গত কলীয়া পানীত যি ভাৰতীয় State Bank ৰ এটা শাখা আছিল তাত ১২ লাখতকৈ অধিক টকা স্থানীয় জৱ কাৰ্ড Holder বৃদ্ধ pension ৰ holder, বা প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰী আৰু অন্যান্য ক্ষুদ্ৰ ব্যৱসায়ী বন্ধন গোটৰ বা অন্য গোটৰ মহিলা সকলে তাত জমা থৈছিল আৰু পুলিচক কেছ দিয়া হল আৰু এতিয়া লৈকে মহিলাখিনিয়ে আজি কেই দিন মান আগত মই সমষ্টিলৈ যাওঁতে মোক লগ কৰিব আহিছিল যি সকল বঞ্চিত হৈছে, তেখেত সকলে মোক চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ কৈছে মোক, সেই গতিকে এই গোটেই কথাখিনি আমাৰ সকলোৰে যি সময়ত এতিয়া Cashless Economy ৰ ফালে যোৱাৰ কথা কৈ আছো, যদি এনেকৈ সাধাৰণ লোক সকলৰ ধন, যিটো সঞ্চয় কৰি তেওঁলোকে চৰকাৰৰ লগত সহযোগীতা কৰিব বিচাৰে এই ক্ষেত্ৰত যদি নিৰাপত্তা নাথাকে তেনেহ'লে অসুবিধা হব। ইতিমধ্যে বহুত ডাঙৰ ডাঙৰ ঘটনা ঘটিছে। কিন্তু আমি ডাঙৰ ঘটনাখিনিৰ প্ৰতি দৃষ্টি ৰাখি সৰু সৰু সাধাৰণ য'ত বেংকৰ এনেধৰণে ধন জমা ৰখাৰ পিছত তেওঁলোকে ঘুৰাই পোৱা ব্যৱস্থাটো নাথাকে তেতিয়া হলে গোটেই ব্যৱস্থাটোৰ ওপৰত চৰকাৰৰ প্ৰতি বা Banking ব্যৱস্থাৰ প্ৰতি সাধৰণ ৰাইজৰ বিশ্বাস হেৰাই যাব পাৰে, সেই গতিকে এই বিষয়ত চৰকাৰে কঠোৰ হোৱা দৰকাৰ। প্ৰয়োজন সাপেক্ষে তেওঁলোকৰ বাবে যাতে তেওঁলোকৰ তেওঁলোকে পিছত যেতিয়া পইচা লিয়াব বিচাৰিলে তেতিয়া তেওঁলোকে গম পালে যে বেংকৰ যিজন দায়িত্ব পূৰ্ণ আছিল CSP তেখেতে গোটেই ধনখিনি আত্মসাৎ কৰি দিছে, CSP টোৰ Local officer সকলে আহি যোৱা ১২ মাৰ্চত Branch টো বন্ধ কৰি দিলে। তেওঁলোকৰ যি পইচা সেই পইচাখিনি ঘূৰাই দিব এইটো আশ্বস্ত নকৰিলে, তাৰ ফলত বিভিন্ন ধৰণৰ তাত সমস্যাৰ সৃষ্টি হল আৰু উত্তেজনা হৈছিল। এনেধৰণৰ CSP ত ধন জমা থব

সেই বিলাক ঘুৰাই পোৱাৰ ব্যৱস্থা হব পাৰে তাৰ বাবে আইন ব্যৱস্থা হলেও যাৱতীয় আইন প্ৰণয়ন কৰি লব লাগে আৰু এই ক্ষেত্ৰত মই আশা কৰো যে এই যি Instant ঘটনা হৈছে, এই ঘটনাত যি সকল ভুক্তভোগী তেখেত সকলে বিহুৰ আগে আগে যাতে পইচা পাব পাৰে তাৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা লয়, মই আপোনাৰ যোগেদি অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় Leader of the Oppositionয়ে যিটো বিষয় আনিছে আমাৰ সেইটো সম্পৰ্কত চৰকাৰৰ তৰফৰ পৰা এটা বিবৃতি দিবলৈ বিচৰা হৈছে যে গেলেকীত এছ. বি. আইৰ সেৱা কেন্দ্ৰৰ নাম ধন লুণ্ঠন শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সন্দৰ্ভত শিৱসাগৰ জিলাৰ মেলাচুক ৱাৰ্ড নং - ১০ নিবাসী শ্ৰী বিৰাজ তামুলী ফুকন, পিতা অতুল তামুলী ফুকন নামৰ ব্যক্তি এজনে শিৱসাগৰ জিলাৰ মেজেঙা কেতেকীবাৰীৰ শ্ৰী পংকজ বৰগোঁহাই, পিতা হৰেণ বৰগোঁহাইৰ বিৰুদ্ধে গেলেকী আৰক্ষী নিবেশত এখন লিখিত এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত ভাৰতীয় দণ্ডবিধি আইনৰ ৪৭৭(ক)/ ৪০৯ /৪২০ ধাৰাৰ অধীনত গেলেকী আৰক্ষী নিবেশত ৪৫/ ২০১৮ নম্বৰ গোচৰ ৰুজু কৰা হয়। ইয়াৰ উপৰিও যোৱা ২৭-০৩-২০১৮ তাৰিখে শ্ৰী প্ৰশান্ত চুতীয়া আৰু অন্যান্য গ্ৰাহক ৰাইজে বেচৰকাৰী সংস্থা দৃষ্টিৰ কৰ্মচাৰীৰ বিৰুদ্ধে দিয়া গোচৰৰ ভিত্তিত ভাৰতীয় দণ্ডবিধি ৪২০ /৪০৬ / ৩৪ ধাৰাত গেলেকী আৰক্ষী নিবেশত ৪৭ /২০১৮ নম্বৰ গোচৰ পঞ্জীয়ন কৰা হয়। তদন্ত কালত উক্ত ঘটনাত জড়িত থকা শিৱসাগৰ জিলাৰ নাজিৰা আৰক্ষী নিবেশৰ অন্তৰ্গত মেজেঙা কেতেকী গাঁৱৰ শ্ৰী পংকজ বৰগোঁহাই, পিতা হৰেণ বৰগোঁহাইক যোৱা ২৪-০৩-২০১৮ তাৰিখে গ্ৰেপ্তাৰ কৰি ২৫-০৩-২০১৮ তাৰিখে জেল হাজাতলৈ প্ৰেৰণ কৰে। উক্ত ঘটনাটোৰ সন্দৰ্ভত গেলেকী আৰক্ষীয়ে ইতিমধ্যে দৃষ্টি গ্ৰাহক সেৱা কেন্দ্ৰৰ পৰা ১০ খন খতিয়ন বহী, ২০৯ জন গ্ৰাহকৰ বিভিন্ন বেংকৰ নথিপত্ৰ আৰু আচামী শ্ৰী পংকজ বৰগোঁহাইয়ে ব্যৱহাৰ কৰা লেপটপ আদি জব্দ কৰিছে। উক্ত দুয়োটা গোচৰৰে তদন্ত বৰ্তমান অব্যাহত আছে।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত প্ৰদীপ হাজৰিকা, তেখেতৰ zero hour notice উত্থাপন কৰিবলৈ মই অনুৰোধ কৰিছো।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, আমাৰ দৈনিক জনমভূমি বাতৰি কাকতত প্ৰকাশ পোৱা ২০২৫ চনটো সম্পূৰ্ণ নহয় Four Lane ৰ কাম। অধ্যক্ষ মহোদয়, নুমলিগড়ৰ পৰা আমাৰ ডিব্ৰুগড়ৰ লেপেটকাটালৈকে এই যিটো পথ বৰ্তমান যি অৱস্থাত আছে এইটোত যিসকলে গৈছে সেইসকলে প্ৰতিটো inspire পাৰ হওতে তেখেত সকলে ভালদৰে উপলব্ধি কৰিছে। এই পথটো নিৰ্মাণ কৰিবৰ কাৰণে ২০১৩ চনৰ ২০ ছেপ্তেম্বৰত কেন্দ্ৰীয় কেবিনেটে ১৮৩ কি.মিটাৰ দৈৰ্ঘ্যৰ এই পথচোৰা নিৰ্মাণৰ অনুমতি প্ৰদান কৰিছিল। এতিয়া ৫ বছৰ হৈ গ'ল, এই গোটেই পথচোৰাত ১০ শতাংশ কামও সম্পূৰ্ণ হোৱা নাই। আৰু এইগোটেই কথাটো parliamentৰ বিভাগীয়া মন্ত্ৰী শ্ৰী মনকোছ মণ্ডাপিয়াই সেইটো প্ৰকাশ কৰিছে যে এই পথচোৰাৰ দায়িত্ব ৰাজ্য চৰকাৰৰ ওপৰত আৰু ৰাজ্য চৰকাৰে হেমাহি গতিৰে তেওঁলোকে কামত হাত দিয়াৰ কাৰণে এইটো কাম হোৱা নাই। আৰু দুটামান কথা কৈছে যে মাটিৰ যি বেদখল আছে সেইবোৰ উচ্ছেদ কৰা হোৱা নাই, যি পইচা পেমেন্ট কৰিবলগীয়া আছে সেইখিনি পেমেন্ট কৰা হোৱা নাই আৰু বনবিভাগেও যি অনুমতি দিব লাগে দিয়া নাই বুলি কৈছে। আমি অধ্যক্ষ মহোদয়, ইয়াত কথাখিনি পাতি আছো যাতে আমাৰ উন্নয়নৰ গতিধাৰা আমি বৃদ্ধি কৰিব পাৰো আৰু আমাৰ যাতে উন্নয়ন হয়। আমাৰ তাৰ

কাৰণে বিভিন্ন কাৰ্য্যসূচী চৰকাৰৰ তৰফৰ পৰা লোৱা হৈছে। এতিয়া উন্নয়ন যদি হয় উন্নয়নৰ কথাটো চাব লাগিলে প্ৰথমতে communicationটোৱে আহে। আজি উজনিৰ যিটো মূল পথ এই পথটোৰ অৱস্থা আজি এনেকুৱা এটা অৱস্থালৈ গৈছে যে প্ৰত্যেক দিনেই দুৰ্ঘটনা নোহোৱাকে এই পথটো পাৰ হোৱা নাই। মই নিজেই তেনেকুৱা দুৰ্ঘটনা ঘটাৰ সময়তে মই এই ৰাষ্টাটো পাইছো। যে ইয়াত ডাঙৰ ডাঙৰ গাঁত হোৱাৰ কাৰণে মটৰ চাইকেল লৈ অহা লোক, মটৰ বাইক আৰোহী তাতে স্পটতে মৃত্যু হৈছে আৰু

মৃত্যু হোৱা অৱস্থাতে আমি নিজেই লগ পাইছো অধ্যক্ষ মহোদয়। এতিয়া আমাৰ চিন্তা হৈছে যে এই পথটো ঠিক আছে, ইয়াৰ ১০ শতাংশ কামো হোৱা নাই যিহেতু ইয়াৰ পেপাৰত লিখিছে সেইটো পোৱাৰ বাহিৰেও আমিটো সদায় নিজেই সেই পথটোৰে আহি আছো। সেই পথটোৰে আহি থাকোতে আমি নিজে পাইছো যে সঁচাকে কাম সেই পথটোত হোৱা নাই। এতিয়া এই গোটেই কথাটো দাঙি ধৰি মই জনাব বিচাৰিছো যে প্ৰকৃতকে ঘটনাটো কি হৈ আছে। এই পথচোৱাৰ ঠিক আছে Four Lane টো আমাৰ হোৱা নাই মই কোনো বেয়া পোৱা নাই বা আমি বেয়া পোৱা নাই। কিন্তু আমাৰ যিটো পথ আছিলে সেই পথটো মেৰামতি হ'ব লাগিছিল। Four Lane কেতিয়া চৰকাৰে কৰি দিয়ে আমি ৰাইজ কেতিয়া যাম সেইটো ঠিক আছে বাৰু , কিন্তু traffic ইমান বাঢ়িছে ভাৱিব নোৱাৰাকে, প্ৰত্যেক দিনাই যেন মানুহে গাড়ী কিনি আছে। ইমান সাংঘাটিক ধৰণে traffic বাঢ়িছে। এতিয়া এই ৰাষ্টাটোৰ Four Laneৰ কথা মানুহে ভাৱি থাকোতে বহুত মানুহ সেই ৰাষ্টাটোত মৰি শেষ হৈ গ'ল। এটা মৰণ ফাণ্ড বুলি ইয়াত খুব শুদ্ধ ভাৱে লিখিছে বুলি মই ভাৱিছো। কিন্তু এই কথাটো আমাৰ চৰকাৰৰ গাত লগা নাই। কেন্দ্ৰীয় মন্ত্ৰীয়ে তাত কব লগীয়া হৈছে, আমাৰ ইয়াত ৰাজ্য চৰকাৰে এই কথাখিনি আৰু সিদিনা মই এখন পেপাৰত দেখিছো যে মাননীয় মুখ্যমন্ত্ৰীয়ে এবাৰ এই পথচোৱাত নিজে গাড়ীৰে পাৰ হৈ আহিবনে বাৰু? এবাৰ গাড়ীৰে আহিবনে, তেনেকুৱা ধৰণৰ কথাও লিখি জনাইছে। তাৰমানে এইবিলাক হৈছেThis is the feeling of the general public, there are public who are facing so much hardship এই কথাটো চৰকাৰৰ দৃষ্টিগোচৰ নিশ্চয় প্ৰত্যেক দিনাই হৈ আছে। আৰু এঘৰ এঘৰ মানুহৰ এজন এজন মানুহ যেতিয়া মৃত্যু হয় সেই ঘৰ খনৰ অধ্যক্ষ মহোদয় কিমান লোকচান হব পাৰে। এই কথাটো যি ঘৰ মানুহৰ মানুহ মৰিছে সেই ঘৰ মানুহে হয়তো উপলব্ধি কৰিব। এতিয়া সেইবোৰ কথা আমি ৰাইজৰ প্ৰতিনিধি হিচাপে ইয়ালৈ আহি হয়তো উপলব্ধি হোৱাটো উচিত। সেই কাৰণে অধ্যক্ষ মহোদয়, নুমলিগড়ৰ পৰা যোৰহাটলৈ নিৰ্মাণ কৰিব লগীয়া এই পথচোৱা হৈছে ৪৫.৭২ কি.মিটাৰ। এই পথচোৱা চলিত বৰ্ষৰ ২২ মে' ত সম্পূৰ্ণ হব লাগিছিল। কিন্তু এতিয়া যিটো গতিত কাম হৈছে, ইয়াত মাত্ৰ ১৩ শতাংশহে কাম হৈছে। ইয়াৰ বাবে টকা ধাৰ্য্য কৰা হৈছিল ৪৫৪.৮৯ কোটি টকা ব্যায় সাপেক্ষে এইটো নিৰ্মাণ কৰিবলৈ লোৱা হৈছিল। কিন্তু ২০২০ চনতহে এইটো সম্পূৰ্ণ হব বুলি এটা ধাৰণা কৰা হৈছে। এতিয়া অধ্যক্ষ মহোদয়, মই জনাব বিচাৰিছো যে আমাৰ এই জৰাজীৰ্ণ পথৰ বাবে এনেধৰণৰ যি দুৰ্ঘটনা বৃদ্ধি পাইছে এই কথাটোত বিশেষ ভাৱে গুৰুত্ব দিব লাগে আৰু আমি আশা ৰাখিম যে এই সময়ৰ ইয়াৰ পৰা লেপেটকটালৈকে যিটো Four Lane নিৰ্মাণ কৰিবলৈ লোৱা হৈছে ইয়াৰ এতিয়া যিহেতু সময়তকে বহু পিছুৱাই গ'লে, এতিয়া ইয়াৰ কাম খৰটকীয়া ভাৱে যদি আগবঢ়াই নিব নোৱাৰে আমাৰ আগৰ ৰাষ্টাটোকে অন্তত মেৰামতি কৰি দিয়ক। সেইটোকে মেৰামতি কৰি দিব চৰকাৰে পাৰে নেকি, আজি মই এই zero hour notice ৰ উত্থাপনৰ যোগেদি কথাখিনি আমাৰ বিভাগীয় মন্ত্ৰীৰ পৰা

জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই 'Zero Hour' ৰ "দৈনিক জনমভূমি কাকত"ৰ ১ এপ্ৰিল তাৰিখে প্ৰকাশিত হোৱা বাতৰিৰ সন্দৰ্ভত আজি এটা খুব গুৰুত্বপূৰ্ণ প্ৰশ্ন ইয়াত উত্থাপন কৰিছে। মই খুব ভাল পাইছো। মই এই কাৰণেই ভাল পাইছো যে আমাৰ চৰকাৰ অহাৰ আগতে এই কামবিলাক ২০১৩ চনত sanction কৰাৰ পাছত award কৰা হৈছিল আৰু আজিৰ দিনত সচাঁকৈ কবলৈ হলে আমি যেতিয়া এই ৰাস্তাৰে অহা-যোৱা কৰো আমাৰো খুব দুখ লাগে। আমাৰ মনত ভাৰ হয়, ৰাইজে কেনেকে এই ৰাস্তাৰে অহা-যোৱা কৰে। ৰাইজৰ মনত নিশ্চয় ভাৰ হয় যে PWD য়ে ৰাস্তাটো কিয় নেদেখে? কিন্তু মই আজি জনাওঁ যে সম্পূৰ্ণভাৱে কেন্দ্ৰীয় চৰকাৰৰ অধীনত এই ৰাস্তাটোৰ কাম চলি আছে। ৰাইজ কিন্তু এই বিষয়ে অৱগত নহয়। তেওঁলোকে নাজানে কোনটো ৰাস্তাৰ কাম NHIDCL কৰিছে আৰু কোনটো PWD য়ে কৰিছে। তেওঁলোকেতো আমাকে বেয়া পাব। এই কাকতত কিছুমান কথা লিখিছে যে, ৰাজ্য চৰকাৰৰ হেমাহিৰ বাবে এই ৰাস্তাটোৰ নিৰ্মাণৰ কাম লেহেম হোৱা বুলি কেন্দ্ৰীয় মন্ত্ৰীজনে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীজনে কৈছে যে ৰাজ্য চৰকাৰৰ হেমাহিৰ কাৰণে নিৰ্মাণৰ কাম লেহেমীয়া হোৱা বুলি। কিন্তু আমি ৰাজ্য চৰকাৰে দায়িত্ব লোৱা ২ বছৰ হোৱা নাই, ২ বছৰ হ'বলৈ আৰু কেইটামান দিন বাকী আছে। আপোনালোকে যদি তথ্যটো ভালদৰে চায়, তেতিয়াহলে আপোনালোকে দেখিব যে, আমি দায়িত্ব লোৱাৰ পাছতে দেখিলো above 30% মাটি LA পইচা বা কিবাকিবিৰ কাৰণে আমি তেওঁলোকৰ হাতত গটাই দিব পৰা নাছিলো। আমাৰ চৰকাৰ অহাৰ পাছতে আমি ব্যক্তিগতভাৱে এই সকলোবিলাক চালো আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই একেবাৰে যুদ্ধকালীন তৎপৰতাৰে যাতে মাটিৰ problem টো solve কৰি দিব পাৰো তাৰ কাৰণে কাম আৰম্ভ কৰাৰ নিৰ্দেশ দিলে আৰু কাম আৰম্ভ কৰাৰ কাৰণেই আজিৰ দিনত আমি এই কথাটো ক'ব পাৰো যে, আজিৰ দিনত মাটিৰ কোনো problem নাই। যেতিয়া আমি মাননীয় গাডকাৰী ডাঙৰীয়াৰ লগত মিটিং পাতিছিলো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াও তাত উপস্থিত আছিল। গাডকাৰী ডাঙৰীয়াই যেতিয়া বিভাগীয় মুৰব্বী কেইজনক মাতি আনিলে তেওঁলোকে গাডকাৰী ডাঙৰীয়াক জনালে যে, হয়, আমাৰ আজিৰ দিনত মাটিৰ কোনো problem নাই। এই কথাটো ৬ মাহৰ আগৰ। এইটোৰ minutes ও আছে। LA ৰ যিবিলাক তথ্য দিয়ে আমি সেইবিলাক তথ্যই কৈ থাকো। আমি নিজে কোনো তথ্য দিব পৰা নাই, আৰু আমি নোৱাৰোও। তেওঁলোকে দিয়া তথ্যমতে ৫ টা process ত এই কামবিলাক চলি আছে। এটা নুমলীগড়ৰ পৰা যোৰহাট। এইটো ৩৯.৭২ কি:মি। এটা যোৰহাটৰ পৰা জাঁজীলৈ সেইটো ৩৭.৮০ কি:মি। এটা জাঁজীৰ পৰা ডিমৌলৈ এইটো ৪৪.৭৫ কি:মি। এটা ডিমৌৰ পৰা মৰাণ বাইপাছলৈ এইটো ২৬.৯০ কি:মি। এটা মৰাণ বাইপাছৰ শেষৰ পৰা বগীবিল সংযোগী পথলৈ ১৯ কি:মি। ছাৰ, যিটো আপুনি কৈছে, যোৰহাটৰ পৰা জাঁজীলৈ আৰু জাঁজীৰ পৰা ডিমৌলৈ এই অঞ্চলৰ কাম M/S Corsan Corviam S.A. নামৰ প্ৰতিষ্ঠানটোক দায়িত্ব দিয়া হৈছিল। এই সংক্ৰান্তত যোৱা ১৪-৩-২০১৮ ত কিছু discussionআমি সদনত কৰিছিলো। যোৰহাটৰ পৰা জাঁজীলৈ যি মুঠ দৈৰ্ঘ্য ৩৭.৮০ কি: মি, এই কামৰ নিবিদা মূল্য আছিল ৪৩৭.৩৯ কোটি টকা। এই কামৰ বাবে ১-৬-২০১৫ তাৰিখ appointed date আছিল কিন্তু উক্ত প্ৰতিষ্ঠানটোৱে কাম কৰিব নোৱাৰাৰ বাবে যোৱা ৭-৬-২০১৭ তাৰিখে বাতিল কৰা হয়। এই বাতিল কৰাৰ কাৰণে আমাৰ

ৰাজ্য চৰকাৰৰ ফালৰ পৰা আমি কেন্দ্ৰীয় চৰকাৰলৈ গলো আৰু তেওঁলোকক গোটেইখিনি কথা বুজাই কলো। তেওঁলোকে চাই দেখিলে যে, হয়, এই কোম্পানীটোৱে কাম কৰা নাই। তেতিয়া লগে-লগে তেওঁলোকক বাতিল কৰা হ'ল। বাতিল কৰাৰ পাছতে প্ৰতিষ্ঠানটোৱে performance security ৰ ৩২.৮০ কোটি টকা জৰিমনা দিবলগীয়া হৈছে। বাকী পাৰ্টি সমূহৰ নিস্পত্তি প্ৰক্ৰিয়া চলি আছে। এতিয়া কথা হৈছে যে, যদি মাটিৰ কিবা বাকী থাকিলেহেতেন বা ৰাজ্য চৰকাৰৰ কিবা problem থাকিলেহেতেন তেনেহলে এই ৩২.৮০ কোটি জৰিমনাৰ কাৰণে তেওঁলোকেতো High Court গুচি গলহেতেন। কোম্পানীটোৰ দোষ আছে। সেইকাৰণে তেওঁলোকক বাতিল কৰাৰ পাছত জৰিমনা বিহাৰ পাছতো তেওঁলোকে একো কৰিব পৰা নাই। পৰবৰ্ত্তী সময়ত পুনৰ নিবিদা আহ্বান কৰি কামটো M/S Gannon Dunkerley Company Ltd ৪০৭.৩০ কোটি টকাত যোৱা ৯-১১-২০১৭ তাৰিখে আবন্টন দিয়া হয় আৰু appointed date ১-১-২০১৮ তাৰিখে ঠিৰাং কৰা হয়। যোৰহাটৰ পৰা জাঁজীলৈ ৰাস্তাটো 4 lane লৈ উন্নতি কৰাৰ কাম ৩১-১২-২০২০ ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে। তেওঁলোকে কৈছে যে, ৩০-১২-২০২০ ভিতৰত তেওঁলোকে কামটো সম্পূৰ্ণ কৰি দিব। ঠিক সেইদৰে জাঁজীৰ পৰা ডিমৌলৈ মুঠ দৈৰ্ঘ্য ৪৪.০৭৫ কি:মি। এই কামৰ নিবিদা মূল্য আছিল ৪৬৩.৪৯ কোটি টকা। এই কামৰ বাবে ১-৬-২০১৫ তাৰিখ appointed date আছিল। কিন্তু উক্ত প্ৰতিষ্ঠানটোৰ কাম কৰিব নোৱাৰাৰ বাবে কামটো যোৱা ৩-৮-২০১৭ তাৰিখে আকৌ বাতিল কৰা হ'ল। কাম বাতিল কৰাৰ বাবদ প্ৰতিষ্ঠানটোৰ performance security ৩৪.৭৬ কোটি টকা জৰিমনা দিবলগীয়া হ'ল। পৰবৰ্ত্তী সময়ত পুনৰ নিবিদা আহ্বান কৰি M/S Gannon Dunkerley Company Ltd.ক ৩৯৮.০৬ কোটি টকা যোৱা ৯-১১-২০১৭ তাৰিখে আবন্টন দিয়া হয় আৰু appointed date ২০-১-২০১৮ ঠিৰাং কৰা হয়। জাঁজীৰ পৰা ডিমৌলৈ যিটো 4 lane লৈ উন্নতি কৰাৰ কাম ১৯-১১-২০২১ ত সম্পূৰ্ণ কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে। প্ৰতিষ্ঠানটোৰ জৰীপ আৰু অন্যান্য প্ৰাৰম্ভিক কাম ইতিমধ্যে আৰম্ভ কৰিছে। নুমলীগড়ৰ পৰা যোৰহাট মুঠ ৩৯.৭২ কি:মি। এই কামৰ নিবিদা মূল্য আছিল ৩৫৪.৮৯ কোটি টকা। এই কামৰ বাবে M/S HCCMS Prabhu নামৰ প্ৰতিষ্ঠানক ১৪-১১-২০১৪ তাৰিখে আবন্টন দিয়া হৈছিল আৰু appointed date ২৩-৫-২০১৫ । এই কামৰ অগ্ৰগতি একেবাৰে লেহেমীয়া আৰু বৰ্তমান মাত্ৰ ১৩.৭৭ শতাংশ সম্পূৰ্ণ হৈছে আৰু এতিয়ালৈ মাত্ৰ ২ টাহে milestone fill কৰিছে। মাত্ৰ ১৩.৭৭শতাংশ কাম কৰাৰ পাছত তেওঁলোকে যদি milestone fill কৰি গৈ থাকে তেনেহলে NHIDCL য়ে ব্যৱস্থা লব লাগিব এইটো Cancel কৰা বা নতুনকৈ আবন্টন দিয়াৰ ব্যৱস্থা তেওঁলোকে কৰিব লাগিব। তেওঁলোকে কোৱামতে আমি এইটো উত্থাপন কৰিম। ডিমৌৰ পৰা মৰাণ বাইপাছৰ শেষলৈ মুঠ ২৬.৯০ কি: মি কামৰ বাবে M/S Gannon Dunkerley Company Ltd.ক ২৯৪.২ কোটি টকা যোৱা ১৪-১-২০১৬ তাৰিখে আবন্টন দিয়া হয়। appointed date ১৭-৮-২০১৬ তাৰিখ ঠিৰাং কৰা হয়। আমাৰ চৰকাৰে লক্ষ্য কৰিছে যে, এই কামৰ অগ্ৰগতি মুঠেই সন্তোষজনক নহয় আৰু আপুনি অলপতেই কৈছে যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ৰাস্তা পৰিভ্ৰমন কৰিছে বা আমাৰ ফালৰ পৰা আমি যিমান পাৰো সিমান supervision কৰিছো। এই supervision কৰাৰ কাৰণে আমি এই কথাটো ক'ব পাৰিছো যে, কামৰ অগ্ৰগতিটো সন্তোষজনক নহয়। এইটোলৈ দিল্লীত বাৰম্বাৰ আমাৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মাজত বৈঠক

হৈছে। তেওঁলোকে প্ৰথম আৰু দ্বিতীয় দুটা milestone fill কৰিছে। এই কামৰ অগ্ৰগতি বৰ্তমানে মাত্ৰ ১১.২৭ শতাংশ হৈছে।

মৰাণ By pass ৰ শেষৰ পৰা বগীবিল সংযোগী পথলৈ ইয়াৰ মুঠ দৈৰ্ঘ্য ১৯ কিঃমিঃ। এই কামৰ নিবিদাৰ মূল্য আছিল ২৫২ কোটি টকা। M/S Atlanta Ltd. and M/S Bhubanta Solutions Pvt. Ltd. ক ইয়াৰ দায়িত্ব দিয়া হৈছিল। এই কামৰ বাবে ১০-০৮-২০১৫ তাৰিখে ইয়াৰ appointed date আছিল। কিন্তু উক্ত প্ৰতিষ্ঠান কেইটাই কাম কৰিব নোৱাৰাৰ বাবে যোৱা ২৩-০২-২০১৮ তাৰিখে ইয়াৰ কাম বাতিল কৰা হৈছে। এই কামটোৰ বাবে পুনৰ নিবিদাৰ আহ্বান কৰা হৈছে। আমাৰ সন্মানীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিটো কথা কৈছে যে পুৰণি ৰাষ্ট্ৰীয় ঘাই পথ বোৰৰ যথেষ্ট ক্ষতি সাধন হৈছে আৰু মানুহৰ অহা-যোৱা কৰাৰ বাবে অসুবিধা হৈছে। গতিকে সেই ঘাই পথ বোৰৰ মেৰামতিৰ কাম কৰিবৰ বাবে পৃথক প্ৰাক্-কলন প্ৰস্তুত কৰি অনুমোদন কৰা হয় আৰু নিবিদা আহ্বান কৰি কামৰ আৱণ্টন দিয়া হয়। আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই তেওঁলোকক কমেও ১০ বাৰ মান মাতি আনি দিছপুৰত meeting কৰিছিল। এই ৰাস্তাটোৰ মেৰামতিৰ সংক্ৰান্তত মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি দিল্লীলৈ দুবাৰকৈ গৈছিলো। তাৰ পিছতহে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ personal initiative ত তেওঁলোকে ৯৯ কোটি টকাৰ আৱণ্টন পালে । তেওঁলোকে যোৱা বিধান সভাত দিয়া তথ্য অনুসৰি এই ৯৯ কোটি টকাৰ maintenance ৰ কাম চলিত বৰ্ষৰ এপ্ৰিল মাহৰ ১৫ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু তেওঁলোকে এই ৯৯ কোটি টকাৰে ৬ টা package ৰ কাম আৰম্ভ কৰিছে। এমাহ মান আগতে মই তেওঁলোকক নিজেই মাতি আনি তেওঁলোকৰ review লৈছিলো। তেতিয়াও তেওঁলোকে ১৫ এপ্ৰিলৰ ভিতৰতে এই কামবোৰ সম্পন্ন কৰিব বুলি কৈছিল আৰু লগতে কৈছিল যে তেওঁলোকে দুটা package ত maintenance ৰ কামটো award নকৰি tender কৰিছিল। আমি তেতিয়া আমাৰ যি সকল থলুৱা ঠিকাদাৰ আছে তেওঁলোকক personally contact কৰি কৈছিলো যে আপোনালোকে অন্ততঃ maintenance ৰ কামবোৰ কৰি দিয়ক, এই package বোৰ ২০-২২ কোটি টকাৰহে হয় গতিকে তেওঁলোক মান্তি হয় আৰু তেওঁলোকে কোৱা অনুসৰি এতিয়া তাৰে চাৰিটা package ৰ কাম চলি আছে আৰু আন দুটা package ৰ maintenance ৰ কাম ক্ৰমে 'Dimou to Moran' and 'Moran to Bogibeel', এই দুটা package ৰ কাম ২০ এপ্ৰিলৰ ভিতৰত শেষ কৰিব বুলি আমাক আশ্বাস দিছে। গতিকে তেওঁলোকে যদি চেষ্টা কৰে, তেন্তে নিশ্চয় পাৰিব। যিহেতু আজিকালি কামবোৰ মেচিনৰ সহায়ত কৰা হয় গতিকে maintenance ৰ কামবোৰ অতিশীঘ্ৰেই সম্পন্ন হ'ব আৰু আমিও আমাৰ ৰাজ্য চৰকাৰৰ ফালৰ পৰা চেষ্টা কৰি আছো যাতে তেওঁলোকে দিয়া নিৰ্ধাৰিত তাৰিখ অনুসৰি কামবোৰ সম্পূৰ্ণ হৈ উঠে।

**মাননীয় অধ্যক্ষঃ** Thank You. আপুনি ইমান সুন্দৰকৈ কথাখিনি কৈছে গতিকে আমি আশা কৰিছো যে এই কামখিনি সোনকালে হৈ উঠিব লগতে মই মাননীয় প্ৰদীপ হাজৰিকা ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো।

এতিয়া মই শূন্যকালীন ঘণ্টাৰ শেষৰ খন notice, এটা অত্যন্ত চিন্তনীয় বিষয়ৰ ওপৰত আনিবলৈ দিব বিচাৰিছো। এই বিষয়টোৰ ওপৰত ইতিমধ্যে আমাৰ বিধান সভাৰ গোটেইখিনি মহিলা সদস্যাই বিভিন্ন সময়ত মোক কেইবাখনো notice দিছে। বটদ্ৰৱাৰ বিধায়িকা, শ্ৰী মতী আংগুৰলতা ডেকা ডাঙৰীয়ানীয়ে শূন্যকালীন ঘণ্টাত এই বিষয়টোৰ ওপৰত আলোচনাৰ বাবে মোক এখন notice

দিছিল। তাৰোপৰি, হাজোৰ বিধায়িকা শ্ৰী মতী সুমন হৰিপ্ৰিয়া, সৰুপথাৰৰ শ্ৰী মতী ৰ'জলীনা তিৰ্কী আৰু বকোৰ বিধায়িকা শ্ৰী মতী নন্দিতা দাস ডাঙৰীয়ানীয়েও এই বিষয়টোৰ ওপৰত এটা বিশেষ আলোচনা ৰখাটো বিচাৰিছিল আৰু এই বিষয়টোৰ ওপৰত stegnant আইন প্ৰণয়নৰ ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে এখন notice দিছিল। শেষত, আমাৰ বিধান সভাত যিখন, Women and Child Welfare Committee আছে, তাৰ Chairman, শ্ৰী মতী ৰ'জলীনা তিৰ্কীৰ লগতে শ্ৰী মতী অজন্তা নেওঁগ, শ্ৰী মতী সুমন হৰিপ্ৰিয়া, শ্ৰী মতী কমলী বসুমতাৰী আৰু শ্ৰী মতী নন্দিতা দাসেও মোক আৱেদন কৰিছিল গতিকে মই এইগোটেইখিনি একেলগে club কৰি Zero Hour Notice দিছো। ইয়াৰ subject টো মই এনেধৰণে দিছো,- 'ৰাজ্যখনৰ মহিলাৰ ওপৰত ক্ৰমবৰ্ধমান যৌন নিৰ্যাতন ৰোধৰ স্বাৰ্থত অধিক শক্তিশালী আইনৰ প্ৰয়োজন'। মই পুনৰ কৈছো যে এই বিষয়টো খুবেই স্পৰ্শকাতৰ বিষয়। সেয়েহে মই মাননীয় সদস্যা সকলক ক'ব বিচাৰিছো যে ঘটনাবোৰৰ বিৱৰণ নিদি মূল বিষয়টোৰ ওপৰত যাতে concentrate কৰা হয়, ইয়াৰ দ্বাৰা যাতে এটা strong message যাব পাৰে। Practically, বাজেট অধিবেশনৰ আজি শেষ দিন। কাইলৈ আৰু পৰহি , এই দুটা দিন Speaker's Initiative ৰ বাবে ধাৰ্য্য কৰা হৈছে, তাতো কিছু কাম আছে যদিও সেই দিন কেইটাত Zero Hour Notice, 54, 301 আদি কাৰ্যসূচীবোৰ নাথাকিব। কাইলৈ প্ৰশ্নকালীন ঘণ্টা থাকিব কিন্তু পৰহিলৈ প্ৰশ্নকালীন ঘণ্টাও নাথাকে। আজি বহুতে Zero Hour Notice দিছিল কিন্তু মই তেওঁলোকক উত্থাপন কৰিবলৈ দিব পৰা নাই। সেয়েহে আজি এই সুযোগটো মই মহিলা সদস্য সকলক দিছো কাৰণ It is a matter of great concern. এতিয়া মই সদনত এই বিষয়টো উত্থাপন কৰিবলৈ শ্ৰীমতী আংগুৰলতা ডেকা ডাঙৰীয়ানীক অনুৰোধ কৰিছো।

**শ্ৰীমতী আংগুৰলতা ডেকা, মাননীয় সদস্যা, (বটদ্ৰৱা)ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। এই বিষয়টো খুবেই স্পৰ্শকাতৰ বিষয় আৰু সদনৰ মজিয়াত এই বিষয়টো উত্থাপন কৰিব দিয়াৰ বাবে আপোনাক বহুত কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ বটদ্ৰৱা সমষ্টিৰ ওপৰ দুমদুমীয়া অঞ্চলত সংঘটিত হোৱা ধৰ্ষণ কাণ্ডৰ বিষয়ে মই এই সদনত যোৱা ২১ ফেব্ৰুৱাৰী তাৰিখে উত্থাপন কৰিছিলো। কিন্তু দুৰ্ভাগ্য বশতঃ এই বিষয়টো উত্থাপন কৰাৰ ঠিক এমাহ পিছতেই অৰ্থাৎ ২৩ মাৰ্চ তাৰিখে মোৰ বটদ্ৰৱা সমষ্টিৰ ভোমাৰাগুৰি লালুংগাঁৱত এগৰাকী কিশোৰীক দলবদ্ধ ধৰ্ষণ কৰি নিৰ্মম ভাৱে হত্যা কৰা হ'ল যিটো ঘটনাই সমগ্ৰ অসম জোকাৰি গৈছিল। আমাৰ লগতে অসমৰ সকলো সচেতন ব্যক্তিয়ে আশা কৰিছো যে দোষীয়ে যাতে কঠোৰৰ পৰা কঠোৰতম শাস্তি পায় আৰু ভূক্তভোগীয়ে যাতে ন্যায় পায়। অকল বটদ্ৰৱা সমষ্টিতে নহয়, অসমৰ বিভিন্ন প্ৰান্তত ধাৰাবাহিক ভাৱে নাৰী নিৰ্যাতন তথা ধৰ্ষণ কাৰ্য সংঘটিত হৈ থকা দেখা গৈছে যাক আমাৰ কোনো সচেতন ব্যক্তিয়ে সহজ ভাৱে ল'ব পৰা নাই। এই নাৰী নিৰ্যাতন, ধৰ্ষণ কাণ্ডসমূহ কি কাৰণে হৈ আছে? এই অপৰাধ প্ৰৱণতাবোৰ কি কাৰণে বাঢ়ি গৈ আছে? আমি এইখন সমাজতে জন্ম গ্ৰহণ কৰি ডাঙৰ-দীঘল হোৱা, কিন্তু এনেধৰণৰ পৰিৱেশ আমি কেতিয়াও দেখিবলৈ পোৱা নাছিলো। আচৰিত কথা যে, এনেধৰণৰ কথাবোৰ আমি সদনতো উত্থাপন কৰি আহিছো আৰু media ইয়ো বিভিন্ন সময়ত এনে ধৰণৰ ঘটনা সমূহ সম্প্ৰচাৰ কৰি আহিছে আনহাতে সকলোৰে হাতে হাতে mobile phone থকাও দেখা গৈছে কিন্তু তাৰ পিছতো যোৱা দুদিনত আমাৰ গোৱালপাৰাতেই হওঁক, নলবাৰীতেই হওঁক বা ঘিলামৰাতেই হওঁক, কিয় এনেধৰণৰ নাৰী নিৰ্যাতনৰ ঘটনা সমূহ বৃদ্ধি পাই আছে? আমাৰ এইখন সমাজত নাৰীক আগস্থান দিয়া হয়, উচ্চ স্থানত ৰখা হয় গতিকে তেনেকুৱা এখন

সমাজত সংঘটিত এনে ধৰণৰ ঘটনাবোৰে আমাক বৰ মৰ্মাহত আৰু চিন্তিত কৰি তুলিছে। অধ্যক্ষ মহোদয়, সেইকাৰণে আমি সকলোৱে বিচাৰিছো যে এখন কঠোৰ আইন প্ৰণয়ন কৰা হওঁক যাৰ অধীনত দোষীয়ে যাতে কঠোৰৰ পৰা কঠোৰতম শাস্তি পাব পাৰে। অধ্যক্ষ মহোদয়, এইখিনিতে মই বটদ্ৰৱা কাণ্ডৰ লগত জড়িত এটা কথা ক'বই লাগিব। সদনত উপস্থিত সকলোৱে শুনি আচৰিত হ'ব যে যিদিনাখন বটদ্ৰৱা কাণ্ডৰ মূল অভিযুক্ত জন গ্ৰেপ্তাৰ হৈছিল, সেইদিনাখনেই অভিযুক্তজনৰ পিতৃয়ে গোটেই ভাৰতীয় ন্যায় ব্যৱস্থাক ভেঙুচালি কৰি দম্ভালি মাৰি কৈছিল যে মই মোৰ মাটি বিক্ৰী কৰি হ'লেও মোৰ পুত্ৰক মোকলাই আনিম। গতিকে অধ্যক্ষ মহোদয়, আমি এবাৰ চিন্তা কৰি চাব লাগে যে এই কথাষাৰে কি সূচাইছে? এই কথাষাৰে ভাৰতত যে ন্যায় ব্যৱস্থা নাই বা কোনো এজন অপৰাধীক আৰু এটা অপৰাধ কৰাৰ বাবে উৎসাহ যোগোৱা যেন লগা নাই নে? অথবা এগৰাকী দোষীয়ে ধনৰ বলতেই হওঁক বা ক্ষমতাৰ বলতেই হওঁক আইনৰ মেৰপাঁচৰ পৰা যে অনায়াসে ওলাই আহিব পাৰে সেই কথাটোকে সূচোৱা নাই নে?

**মাননীয় অধ্যক্ষঃ** আপুনি ন্যায় ব্যৱস্থা নাই বুলি নকৈ ন্যায় ব্যৱস্থাত সুৰুঙাৰ অভাৱ নাই বুলি ক'ব পাৰে।

**শ্ৰীমতী আংগুৰলতা ডেকা, মাননীয় সদস্যা, (বটদ্ৰৱা)ঃ** হয়, অধ্যক্ষ মহোদয়। আমাৰ ন্যায় ব্যৱস্থাত যে সুৰুঙাৰ অভাৱ নাই, সেইটোৱে সূচোৱা নাই নে? গতিকে, এতিয়া আমাৰ সমাজত এনেধৰণৰ আইন ব্যৱস্থা চলি থকা দেখা গৈছে যে অপৰাধীয়ে অপৰাধ কৰি জেলত সোমাইছে যদিও ক্ষন্তেক পিছতে জামিন লাভ কৰিবলৈও সক্ষম হৈছে। সেয়েহে এই ক্ষেত্ৰত আমি এখন আইন প্ৰণয়ন কৰাটো বিচাৰিছো কাৰণ কোনো পিতৃ-মাতৃয়ে নিবিচাৰে যে তেওঁলোকৰ ছোৱালীজনীক ধৰ্ষণ কৰাৰ পিছত সেই অপৰাধীজন আইনৰ মেৰপাঁচৰ পৰা অনায়াসে ওলাই আহি মুক্ত মনে ঘূৰি ফুৰক অথবা অপৰাধীজনে তেওঁলোকৰ চকুৰ সন্মুখতে তেনে ধৰণৰ আন এটা অপৰাধ সংঘটিত কৰক। গতিকে সকলোৱে কামনা কৰে যে এনে ধৰণৰ কাণ্ডৰ যাতে পুনৰাবৃত্তি নহয় । সেই ছোৱালীজনীৰ অভিভাৱকে জানে যে তেওঁলোকৰ ছোৱালীজনীৰ সতীত্ব ঘূৰি নাহে বা মৃত্যুবৰণ কৰা ছোৱালীজনী আৰু কেতিয়াও ঘূৰি নাহে কিন্তু সেই ছোৱালীজনী আৰু তাইৰ পিতৃ-মাতৃয়ে মৰাৰ আগ মুহূৰ্তলৈকে এইটোৱে বিচাৰে যে দোষীয়ে কঠোৰৰ পৰা কঠোৰতম শাস্তি পাওঁক আৰু এনে এটা দৃষ্টান্তমূলক শাস্তি পাওঁক যাতে ভৱিষ্যতে কোনো ব্যক্তিয়ে এগৰাকী ছোৱালীৰ গাত হাত দিয়াৰ আগতে ১০০ বাৰ বা ২০০ বাৰেই নহয় হাজাৰ বাৰ চিন্তা কৰিবলৈ বাধ্য হয়। গতিকে আমি এনেকুৱা ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অধ্যক্ষ মহোদয়, এই বিষয়ত মই আৰু এটা গুৰুত্বপূৰ্ণ বিষয় উল্লেখ কৰিব বিচাৰিছো যে অপৰাধীৰ কোনো বয়স, ধৰ্ম, ভাষা নাথাকে। অপৰাধী সদায় অপৰাধীয়ে। আজি বটদ্ৰৱাত যিটো ঘটনা ঘটি গ'ল তাত মূল অভিযুক্তৰ লগত আৰু দুজন নাবালক চিনাক্ত কৰিছে। মই পোৱা তথ্য মতে সেই দুজন মানসিক, শাৰিৰিক ভাৱে সম্পূৰ্ণ সুস্থ আছিল। অধ্যক্ষ মহোদয়, এনেকুৱা এটা ডাঙৰ কাম কৰাৰ পিছত তেওঁলোকক আপুনি নাবালক বুলি ক'ব পাৰিব নেকি? কোনোবা চাইডৰ পৰা ক'ব পাৰিব নেকি যে তেওঁলোক নাবালক। তেওঁলোকে আজি হয়তো নতুনকৈ জীৱন এটা আৰম্ভ কৰাৰ বাবে সুযোগ পাব পাৰে, কিন্তু সেই ছোৱালী জনীয়ে সেই সুযোগটো গ্ৰহণ কৰিব পাৰিব নে? সেই ছোৱালীজনী ঘূৰি আহিবনে? তেওঁলোকে যে ভৱিষ্যতে ওলাই আহি এনে কাণ্ড পুনৰ সংঘটিত নকৰিব তাৰ কি মানে আছে। গতিকে এনে ধৰণৰ প্ৰশ্ন বিলাক আজি সকলোৱে মনত উৎথাপিত হৈছে। আমি যিহেতু আইন প্ৰণয়ণৰ কথা কৈ আহিছো গতিকে যেতিয়া এনেকুৱা এটা ঘটনা সংঘটিত হয় আমি

প্ৰাথমিক পৰ্য্যায়ৰ পৰাই সঠিক দিশত যাতে আগবাঢ়ে তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব। বিশেষভাৱে মই মোৰ সমষ্টিৰ থানা সমূহত গম পাইছিলো যেতিয়া এটা গোচৰ register হয়তেতিয়া কৰ্তৃপক্ষই অনুসন্ধানৰ বাবে এজন investigation officer ক দায়িত্ব দিয়া হয়। কিন্তু দেখা গৈছে যে এনেকুৱা ধৰণৰ কেচ বিলাকত আৰক্ষী কতৃপক্ষই এজন ভাড়াতীয়া মানুহ তাত নিয়োগ কৰে আৰু অভিযোগ নামা, কেচ ডায়েৰী সমূহ তেওঁলোকে তৈয়াৰ কৰে। যাৰ কাৰণে ক্ৰুটিপূৰ্ণ হোৱা দেখা যায় বা কেতিয়াবা investigation officer জনে কোনো ধৰণৰ সাক্ষীবাদী নোলোৱাকৈ অভিযোগ নামা বা কেচ ডায়েৰী বিলাক তৈয়াৰ কৰে যাৰ ফলত দোষী অনায়াসে গুছি আহিব পাৰে। গতিকে মই ভাৱো যে ধৰ্ষণ জাতীয় গোচৰ সমূহৰ ওপৰত আমাৰ থানা সমূহৰ যাতে এজন অভিজ্ঞ অধিবক্তা বা এজন অভিজ্ঞ আৰক্ষীৰ উচ্চ পদস্থ বিষয়াৰ নিযুক্তি, এনেকুৱা ধৰণৰ যদি ব্যৱস্থা গ্ৰহণ কৰে তেনেহ'লে নিশ্চয়কৈ প্ৰাৰম্ভিক পৰ্য্যায়ৰ পৰাই খুব ভালকৈ আৰম্ভ হ'ব আৰু বিশেষকৈ মই বিচাৰিছো যে অপৰাধীৰ ক্ষেত্ৰত ১৪ বছৰৰ তলৰ লোক সকলক যাতে যিকোনো justice board ত বিচাৰ প্ৰক্ৰিয়া চলোৱা হয়, এইক্ষেত্ৰত ধৰ্ষণ বা এনেকুৱা ধৰণৰ গোচৰ বিলাকত নাবালকৰ বয়সৰ সীমা উৰ্দ্ধতম ১৩ বছৰলৈকে নিৰ্ধাৰণ কৰিব লাগে। কিয়নো যিজন লোকে ধৰ্ষণ বা এনেকুৱা ধৰণৰ কাম কৰিব পাৰে তেওঁলোক মানসিক বা শাৰীৰিক ভাৱে কেতিয়াওঁ নাবালক হ'ব নোৱাৰে আৰু আমাৰ যিবিলাক নাৰী জনিত বিষয় আছে এনেকুৱা সমস্যাৰ পৰ্য্যবেক্ষণৰ বাবে এগৰাকী Higher rank ৰ বিষয়া যদি নিযুক্তিৰ ব্যৱস্থা কৰে তেতিয়াহ'লে খুব ভাল হ'ব আৰু বিশেষকৈ মোৰ সমষ্টিতো এটা সংখ্যলঘু প্ৰধান সমষ্টি আৰু বিশেষকৈ মই সংখ্যালঘু এলেকাত দেখিছো যে কিছুমান নিচাঁ জাতীয় দ্ৰব্য যিবিলাক নিষিদ্ধ ঘোষণা কৰা হৈছে সেইবিলাকৰ তাত ব্যৱসায় কৰি থকা দেখা যায় আৰু সহজলভ্য হোৱা দেখা যায়। গতিকে এনেকুৱা ক্ষেত্ৰত যাতে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে আৰু আমি সকলোৱে বিচাৰিছো যাতে এনে ধৰণৰ ঘটনা দুনাই নহওঁক। ৰাতিপুৱা উঠিয়েই পেপাৰত যাতে এনেকুৱা ধৰণৰ ঘটনা দেখিবলৈ নাপাওঁ। গতিকে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰক ধন্যবাদ জনাইছো যে তেখেত সকলে ইতিমধ্যে Fast Track Court ৰ ব্যৱস্থা কৰিছে। প্ৰত্যেকৰে নিশ্চয়কৈ সুবিধা হ'ব। ইতিমধ্যে 181Women Helpline মুকলি কৰিছে, নিশ্চয় সেইবোৰৰ দ্বাৰা উপকৃত হ'ব। মই এটা কথা ক'ব বিচাৰিছো যে কেৱল আইন প্ৰনয়ণ কৰিলেই বা rule তৈয়াৰ কৰিলেই যে অপৰাধীৰ সংখ্যা কমিব সেইটো নহয়। কাৰণ আমি চাব লাগিব যে কোনবিলাক ৰাজ্যত এনেকুৱা ধৰণৰ আইন প্ৰনয়ণ কৰিছে। যদি হাৰিয়ানা বা মধ্যপ্ৰদেশত এনেকুৱা ধৰণৰ আইন প্ৰনয়ণ কৰিছে কৰাৰ পিছতো যদি পুনৰ এনেকুৱা ধৰণৰ ঘটনা ঘটি আছে তেনেহ'লে অনৰ্থক হ'ব। গতিকে আমি এইটোও চাব লাগিব যে আমি নিজক প্ৰথমতে সংশোধন কৰিব লাগিব আৰু ওচৰ চুবুৰীয়া বিলাকত যদি এটা চুবুৰীত ১০-২০ ঘৰ মানুহ থাকে তেনেহ'লে তাত বসবাস কৰা প্ৰত্যেক গৰাকী ছোৱালীৰ দায়িত্ব আমি অভিভাৱক হিচাপে ল'ব লাগিব গতিকে আমি আটায়ে নাৰী সকল সুৰক্ষিত হৈ থকাটো বিচাৰিছো। চৰকাৰে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু এইক্ষেত্ৰত যাতে আৰু এখন কঠোৰ আইন প্ৰনয়ণৰ ব্যৱস্থা কৰে তাৰ বাবে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস ঃ** .মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় আজি আপুনি সদনত উৎথাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় সদস্যা শ্ৰীমতা

আঙ্গুৰলতা ডেকা ডাঙৰীয়াণীয়ে তেওঁৰ বটদ্ৰৱা সমষ্টিত যিটো ঘটনা সংঘটিত হৈ গ'ল সেইবিষয়ত তেওঁ কথা ক'ব বিচাৰিলে আৰু মহিলা হিচাবে বিষয় বিলাকৰ লগত আমাৰ sentiment জড়িত হৈ আছে। সেইবাবে আপোনাক আমি আবেদন কৰিছিলো আৰু আপুনি আজি সকলো মহিলাক অলপ অলপ ক'বলৈ সুবিধা দিব বুলি আশা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, যিকোনো এখন গনতান্ত্ৰিক দেশত নাগৰিকক সুৰক্ষা দিয়াতো চৰকাৰ এখনৰ প্ৰধান দায়িত্ব। আমাৰ জনসাধাৰণৰ আধা সংখ্যকেই হৈছে মহিলা। যদি আমি নাৰীক সুৰক্ষা দিব পৰা নাই , ইয়াৰ অৰ্থ হ'ল আমি আমাৰ আধা সংখ্যক জনসংখ্যাক সুৰক্ষা দিব পৰা নাই। মই ভাৱো যে মহিলা সকলক যদি আমি সুৰক্ষা দিব নোৱাৰো, নিৰাপত্তা প্ৰদান কৰিব নোৱাৰো তেতিয়াহ'লে মহিলাৰ বাবে আমি চৰকাৰেই হওঁক বা বিভিন্ন ধৰণৰ যিমানেই আঁচনি প্ৰস্তুত নকৰো কিয়, নাৰী সৱলীকৰণৰ কথা নকওঁ কিয়, নাৰীৰ স্বাস্থ্যৰ কথা নকওঁ কিয়, নাৰী শিক্ষাৰ কথা নকওঁ কিয় এই আঁচনিবোৰ এডাল শিপাহীন গছত পৰিণত হ'ব যিবোৰ মূল্যহীন। গছডাল থাকিব কিন্তু শিপাডাল নাথাকিব। এনেকুৱা এডাল গছ কেতিয়াওঁ জীয়াই থাকিব নোৱাৰে। এইবোৰ কথা সকলোৱে গুৰুত্ব সহকাৰে লৈছে আৰু লোৱা উচিত। আজি আমি এইকথাটো লৈ সদনত চিন্তিত আৰু আমি বিচাৰো যে নাৰী সকল সুৰক্ষিত হ'ব লাগে। সেইবাবে অধ্যক্ষ মহোদয়, আমি কেইবাবাৰো সদনৰ মজিয়াত প্ৰশ্ন উৎথাপন কৰিছিলো আৰু কিছু তথ্য বিচাৰিছিলো। মোৰ ফালৰ পৰা এটা প্ৰশ্ন আছিল যে দুটা বছৰত নাৰী নিৰ্যাতন, নাৰী ধৰ্ষণ, অপহৰণৰ কিমানবোৰ ঘটনা সংঘটিত হৈছে। সেই তথ্যটো অতি ভয়াবহ। অধ্যক্ষ মহোদয়, দুটা বছৰত ৩০০৯ টা ধৰ্ষণৰ গোচৰ ৰুজু হৈছিলে। লগতে অপহৰণৰ ঘটনা হৈছিলে ৯১০৮ টা, ধৰ্ষনত অভিযুক্ত আৰু কৰায়ত্ব হৈছিল ১৭৮৬ আৰু punished বা convicted হৈছিল ৭৬ জন। অধ্যক্ষ মহোদয়, এই তথ্যটোত এটা কথা প্ৰমাণিত হৈছে যে ধৰ্ষণৰ ঘটনা যথেষ্টখিনি বেছি হৈছে আগৰ তুলনাত। আগতেও হৈছিলে কিন্তু অনুক্ৰমে ই বাঢ়ি বাঢ়ি আহিছে। লগতে এইটো প্ৰমাণ হৈছে যে যিসকল অভিযুক্ত, যিসকলে ঘটনা বিলাক সংঘটিত কৰে , সেই সকলে শাস্তি পাব লাগে সেই সকলৰ ভিতৰত মাত্ৰ ৭৬ জনক শাস্তি প্ৰদান কৰাৰ তথ্য পোৱা গৈছে। এই কথাটো কিন্তু উল্লেখনীয়। এই কথাতো মন কৰিব লাগে যে ধৰ্ষণৰ ঘটনা য'ত নেকি ১৭,০০০ হৈছে কিন্তু শাস্তি মাত্ৰ ৭৬ জনে কিয় পালে? আইনৰ কিবা অভাৱ আছে নেকি? মই ভাৱো যে আইন আছে কিন্তু আইনৰ জৰিয়তে যিটো সুৰক্ষা পাব লাগে, আইনৰ হয়তো কিবা lacuna আছে যাৰ ফলত এই অভিযুক্ত সকল সাৰি যায়। যিহেতু তেওঁলোকে শাস্তি নাপায়, জেলত থাকিব নালাগে, ফলত অপৰাধৰ প্ৰতি যিটো ভয় মানুহৰ মনত থাকিব লাগে সেই ভয়তো বৰ্তমান নাই। যাৰ ফলত এনেকুৱা ধৰণৰ ঘটনা বিলাক দিনে দিনে বাঢ়ি গৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া এই ঘটনা বিলাক সংঘটিত হ'ল তেখেতে Fast Track Court ৰ কথা কৈছে প্ৰত্যেকখন জিলাতেই 181 Helpline no. ও দিছে। তাৰবাবে আমি তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আইন, আদালত আছে, তাৰ পিছতো কিন্তু ঘটনা কমা নাই । যেতিয়া ২০১২ চনত দিল্লীত "নিৰ্ভয়া কাণ্ড" সংঘটিত হৈছিল, তিনিমাহৰ ভিতৰত সংসদত ধৰ্ষণ বিৰোধী আইন গৃহীত হৈছিল। অৰ্থাৎ ২০১৩ চনৰ মাৰ্চত আইন গৃহীত হৈছিল আৰু এই আইনত ধৰ্ষণ কাৰীৰ বাবে কঠোৰতকৈও কঠোৰতম শাস্তি দিব পৰা ব্যৱস্থা আছিল আৰু এই আইনৰ বিধানত minimum শাস্তিটো আছিল যাৱজ্জীৱন কাৰাদণ্ড। গতিকে আইন আছে তাৰ পিছতো কিন্তু ঘটনা কমা নাই। বাঢ়িহে গৈ আছে। অধ্যক্ষ মহোদয়, মই অলপ data দিব বিচাৰিছো। অপৰাধৰ ক্ষেত্ৰত আমাৰ অসমখনৰ All India Level ত rank টো কি National Bu-

reau of Crime Records ৰ আধাৰত কথাবিলাক কব বিচাৰিছো। অসমত যিবিলাক ঘটনা সংঘটিত হৈছে মহিলা নিৰ্য্যতনৰ ওপৰত Total RPC Crime Record এইটো । ২০১৬ ৰ Record ৰ ওপৰত মই কথাখিনি কব বিচাৰিছো. এচিড এটেক্ট। মহিলাৰ ওপৰত এচিড দলিয়াই দিয়া বা এচিড মুখলৈ মাৰি দিয়া। এই ক্ষেত্ৰত আমি 6th positon ত আছো। All India Level ত । অসমত ৯টা কেছ্ হৈছে কিন্তু হয়তো আমি শুনাই নাই বা ময়ো নিজে এচিড কেতিয়া মাৰিলে ময়ো নিজেও অৱগত নহয়। কিন্তু এনেকুৰা ঘটনাও সংঘটিত হৈ গৈছে। ৯ টা কেছ্ হৈ গৈছে। দ্বিতীয়তে, kidnaping and abduction of Wmen. এইটো আছে, 4th rank ত আছে। All India Level ত । 5339 টা কেছ্ ঘটনা ঘটি গৈছে। তিনিনম্বৰত আছে kidnaping and abduction of Women to compel for marriage তাৰমানে মহিলাক কিডনেপ কৰি নিয়ে আৰু বাধ্য কৰোৱা হয় বিয়া পাতিবলৈ। তেনেকুৰা ঘটনা হৈছে। 2nd rank ত আছে All India Level ত । 4706 টো case ঘটনা ঘটি গৈছে। মাননীয় অধ্যক্ষ মহোদয়, Human traffiiking case. য'ত ছোৱালীবোৰক ঘ ৰৰ পৰা মিছা কথা কৈ নি বিক্ৰী কৰি দিয়া হয়। সেইটোত অসম 4th rank ত আছে। All India Level ত। 67 টা case হৈ গৈছে। পাঁচ নম্বৰত আছে rape ধৰ্ষণ। মই কৈয়ে গ'লো আমাৰ তথ্যত 1779 Case , আমাৰ All India Level ত 7th positon ত আছে। Dowry, অধ্যক্ষ মহোদয়, Dowry টো আমি ভাবো যে, আমাৰ অসমৰ মানুহবোৰ মৰমিয়াল। আমি Dowry নিবিচাৰো বিয়াৰ সময়ত আমাৰ এটা ধাৰণা আছে যে, এইটো উত্তৰ প্ৰদেশ, বিহাৰ,বা ৰাজস্থানত এই ঘটনা বিলাক হয়। কিন্তু অধ্যক্ষ মহোদয়, আমাৰ অসমত 157 টা Case হৈ গৈছে। Dowry ৰ ক্ষেত্ৰত। Dowry Death, Dowry ৰ ঘটনা হৈছে। এইবোৰ ঘটনা মই rank টো দিলো। আমাৰ যিবোৰ অভিযুক্ত হয়, যিবিলাকে ঘটনা সংঘটিত কৰে, তেনে ক্ষেত্ৰত শাস্তিটো যে নাপায়। তাৰে এটা Record মই দিব বিচাৰিছো. অধ্যক্ষ মহোদয়, মই যেতিয়া Record বিচাৰিছিলো যোৱাটো দুই বছৰৰ ভিতৰত। তেতিয়া যিটো তথ্য পালো জিলা ভিত্তিক এটা তথ্য বিচাৰিলো। যে বৰপেটা জিলাত 339 টা CaseRegister হৈছিল ধৰ্ষণৰ Arrest মাত্ৰ 94 অভিযোগ নামা 94 শাস্তি নিল, কোনো শাস্তি হোৱা নাই। 339 টা কেছ হৈ গৈছে। তাৰ পাছত হাইলাকান্দিত 146 Case Registered, 26 arrested , 26 অভিযোগ নামা কিন্তু শাস্তি নিল, কোনো শাস্তি নাপালে। ধুবুৰী195 Casse Registered হৈছে 71 arressted, 82 ৰ ওপৰত অভিযোগ নামা হৈছে শাস্তি নিল। শোণিতপুৰ জিলাত 124 Case Registerd হৈছে 89 Arressted ,89 ৰ ওপৰত অভিযোগ নামা FIR হৈছে, শাস্তি নিল। ধেমাজি জিলাত 100 Case Registerd হৈছে 69 Arressted 69 ৰ ওপৰত অভিযোগ নামা হৈছে, শাস্তি নিল। এই যে তথ্যবিলাকে আমাক কি বুজাইছে যে তথ্যবিলাকে আমাক এইটোৱে বুজাইছে। ঘটনা সংঘটিত হৈছে আৰু এইটো সত্য। ধৰ্ষণ হোৱাতো সত্য। কিন্তু আমি শাস্তি দিব পৰা নাই কাৰণ আইনৰ হয়তো কিছু সৰুঙা ৰৈ গৈছে। যাৰ ফলত অপৰাধকাৰী সাৰি গৈছে। সেই কাৰণে অধ্যক্ষ মহোদয়, আমি এইটো কব বিচাৰিছো যে যেতিয়া ঘটনা এটা সংঘটিত হয় প্ৰথম যিটো এফ আই আৰ হয়, সেইটো আৰক্ষীয়ে কৰে। সেই আৰক্ষীয়ে অভিযোগ নামা কৰাৰ ক্ষেত্ৰত কিছু সুৰুঙা ৰৈ যায় নেকি ? তেওঁলোকৰ তথ্য সংগ্ৰহ কৰাৰ ক্ষেত্ৰত তেওঁলোকে কিছু অৱহেলা কৰে নেকি ? কাৰণ যেতিয়া এটা ধৰ্ষণৰ ঘটনা সংঘটিত হয়, এটা পৰিয়ালত সেই পৰিয়ালটো ভাঙি পৰে। কাৰণ ছোৱালীজনীৰ সৰ্বস্ব হেৰাই যায়। তাৰ পাছত সেই পৰিয়ালটোৱে থানাত যাব, তেওঁলোকে কিবা

ক্ষতিপূৰণ বিচাৰি যাব সেই মানসিকতা আৰু নাথাকে। কাৰণ এই কেছবোৰৰ পাছত পৰিয়ালৰ মানুহ দৌৰি নাথাকে। যেনেকৈ এক্সিডেণ্ট কেছত গাড়ীখন এক্সিডেণ্ট হ'লে তাৰ ক্ষতিপূৰণ বিচাৰিব বা কিবা এটা পইচা পাব, তেওলোকৰ লাভ হ'ব। কিন্তু ধৰ্ষণৰ ক্ষেত্ৰত ধৰ্ষণত মৃত্যুবৰণ কৰাৰ ক্ষেত্ৰত পৰিয়ালে সেই কেছ বোৰৰ পিছত লাগি নাথাকে। সেই কাৰণে অধ্যক্ষ মহোদয়, সেই কেছবোৰ দুৰ্বল হৈ যায়। কাৰণ পুলিচৰ ওচৰত নাযায়, আৰক্ষীৰ ওচৰত নাযায় আৰু তাৰ ফলত এই ক্ষেত্ৰত এই কেছবোৰ আৰক্ষীয়ে গুৰুত্ব নিদিয়া হৈ যায়। আৰু তেওঁলোকে যি ধৰণে investigationকৰিব লাগে তেওঁলোকে investigation বিলাক অৱহেলা কৰে যাৰ ফলত FIR ত যিখি নি থাকিব লাগে, Strong FIRখন হ'ব লাগে, সেইমতে FIRখন প্ৰস্তুত নহয়। যাৰ ফলত Case diary খন দুৰ্বল হৈ যায়। সেই কাৰণে অধ্যক্ষ মহোদয়, আমি কৈছো যে, Fast Track আদালত হৈছে। কিন্তু আৰক্ষীৰ ভূমিকাটো কি ? আৰক্ষীয়ে কি ধৰণে লব কথাবিলাক নে এটা নিয়ম চৰকাৰে এটা ঘোষণা কৰিছে Fast Track আদালত হ'ব লাগে, হৈছে কিছু আঁচনি প্ৰস্তুত কৰিছে হৈছে. ইয়াত সীমাবদ্ধ থাকিব নেকি ? নে আৰক্ষীয়ে গুৰুত্ব সহকাৰে আন্তৰিকতাৰে এই কথাবিলাক গ্ৰহণ কৰিব। সেইকৰণে কৈছো যে, পুলিচৰ ভূমিকাটো প্ৰধান। পুলিচে যদি তেওলোকৰ কামখিনি সময়মতে নকৰে। মোৰ সমষ্ঠিত বহুতখিনি উদাহৰণ আছে। আপুনি উদাহৰণ দাঙি ধৰিব মানা কৰিছে। উদাহৰণ দাঙি ধৰিব বিচৰা নাই। কাৰণ যিসকল অপৰাধী, অপৰাধী সকলক কিন্তু বাচি যোৱাৰ বহু ৰাস্তা আৰক্ষী বিভাগৰ পৰা পায়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কেনেকৈ Strict কৰিব পৰা যায়। এইটোৱেই প্ৰধান কথা।

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু অলপমান তথ্য দিব বিচাৰিছো। আপুনি গুৰুত্ব সহকাৰে যিহেতু লৈছে ঘটনাটো। মই ভাবিছোআপুনি এইখিনি তথ্য মোক দাঙি ধৰিব দিব। অধ্যক্ষ মহোদয়, National Crime of Bureau Records যিটো আছে লাখ লাখ case panding হৈ থাকে। মই কৈছোৱেই কেছৰ পিছত পৰিয়ালে কোনো নদৌৰে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কথাকেইটা ভাল কৈছে।

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, case টো solve কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** Data কেইটা দিয়ক।

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, All India Level ত যিটো আছে, National Crime of Bureau Records 2016 ৰ ওপৰত মই কৈ আছো। অধ্যক্ষ মহোদয়,10.8 Lakh cash pending হৈ আছে All India ত। আগৰ পৰাই সেইটো জমা হৈ আছে। ফ্ৰেচলি কিছু কেছ আকৌ যোগ হ'ল। সেইটো 2.6 কেছ আকৌ যোগ হৈ গ'ল, আৰু যোগ হৈ হৈ 13.4 লাখ যোগ হ'ল মানে বাঢ়ি গ'ল। আগৰ পৰা টো আছিলেই আকৌ যোগ হ'ল বাঢ়ি গ'ল। এতিয়া Government has to send on trial এই 13.4 Lakh Goverrnmentৰে চলাব লাগিব, dispose কৰিব লাগিব, close কৰিব লাগিব। In general কৈছো। নাৰী নিৰ্য্যাতনৰ In general। এতিয়া ধৰ্ষণৰ ওপৰত মই কওঁ In case of rape 2016 Record ৰ কৈছো National Crime Bureau Records ওপৰত কথা কৈ আছো যে, পেণ্ডিং কেছ আছে ধৰ্ষণ1.18 Lakhs আগৰ পৰা আছে। এইটো carry forwarde হৈ আহিছে। ইয়াৰ লগত freshly যোগ হ'ল 2016, 33 thousand আকৌ নতুনকৈ যোগ হ'ল। তাৰমানে 1.52 lakhs total হ'ল। আৰু এইটো National Level ত 1.52 lakh total হ'ল আগৰ কেছখিনিক লৈ। এতিয়া Government have slove this

cases.1.52 lakh Government য়ে এতিয়া slove কৰিব লাগিব। এতিয়া in case of rape কিমান solve কৰিলে Government has solve and process and close or dispose যি কয়। 18.792 Government য়ে solve কৰিছে। Convicted হ'ল 4739 আৰু acquitted হ'ল মানে এৰি দিলে 13813. case solve কৰিলে 4739, এৰি দিলো 13813 তাৰমানে 25% slove কৰিলো আৰু 75% মানুহ এৰি দিলো। খালাচ কৰিছিলো। তেওঁলোকক আমি দোষী প্ৰামাণ কৰিব নোৱাৰিলো। সেই কাৰণে এই কেছ বোৰ গৈ গৈ National Level .33 lakh carry forward হ'ল, আকৌ জমা হ'ল, accumulate হ'ল। আমাৰ আছিল 2016 ত 1.18 lakh যিটো carry forward হৈ আহিছিল য'ত 13 thousand যোগ হ'ল 1.18 lakh ৰ সলনি এতিয়া আকৌ হৈ গ'ল 1.33 lakh আকৌ accumulate হ'ল জমা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** দাটাখিনি ঠিকেই আছে।

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ , আমাৰ উদ্দেশ্যটো কি কব বিচাৰিছো। আমাৰ তথ্য দিয়াৰ উদ্দেশ্য নহয়।

**মাননীয় অধ্যক্ষ ঃ** আমি সকলোৱে কোৱাতো ভালকৈ শুনিছো। বাকী সকলোৱে অলপ অলপ কব।

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেছ বিলাক চৰকাৰে চলাব লাগিব। Fast Track আদালত আছে, ঠিকেই আছে. ভাল পাইছো। কিন্তু বেছি জাজ দি বা যিখিনি machinery লাগে এই কেছ বিলাক Government য়ে solve কৰি ইয়াক শেষ কৰিব লাগিব। যেতিয়ালৈকে অপৰাধীয়ে শাস্তি নাপায়। অপৰাধী বহুত আছে। আমি কৈছো, তথ্য দিছে। অপৰাধী ঘুৰি আছে চাৰিওফালে। শাস্তি পোৱা নাই। তেওঁলোকৰ মনত ভয় নাই। অপৰাধীয়ে যেতিয়ালৈকে শাস্তি নাপায়, তেতিয়ালৈকে আমি মানুহৰ মাজত এই যিটো ধাৰণা এই মহিলাসকলে একেবাৰে অসুৰক্ষিত। এই ধাৰণা, মানসিকতাবিলাক আমি পৰিৱৰ্তন কৰিব লাগিব। অকল চৰকাৰেও কৰিব নোৱাৰে। আমি সকলোৱে এটা এৱাৰনেছ আনিব লাগিব। আৰক্ষীৰ ভূমিকাটো প্ৰধান। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিহেতু নিজৰ বিভাগ এইটো। মই আশা কৰো যে তে খেতে গুৰুত্ব সহকাৰে লয়। মই আগতেই কৈছো ঘৰৰ মানুহ বিলাকে লাগি নাথাকে।

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই আছে। আপুনি আগতে কথাটো কৈছে।

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে solve কৰিব লাগিব বুলি আৰু পুলিচৰ যিটো ভূমিকা কঠোৰ , ভাল হ'ব লাগিব। শুদ্ধ হ'ব লাগিব। মোৰ কেছ এটাৰ উদাহৰণ দিও।

**মাননীয় অধ্যক্ষ ঃ** আৰু নিদিব। কাৰণ আৰু বহুকেইজনৰ আছে। কথাকেইটা ভালকে কৈছে। দীঘল কৰি থাকিলে লাভ নহ'ব।

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** মোৰ তাত এগৰাকী মহিলা ৰাঙাপানী জি পিতো , তেওঁ মৃত্যুবৰণ কৰিলে। চাৰ, এইটো সৰু পইণ্ট এটা ৰৈ গ'ল। চৰকাৰৰ এটা আঁচনি আছে। মই আগতে পাইছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মতী নন্দিতা দাস try to conclued. মই আপোনাক দিছো। মই এইটোও দিম। কিন্তু আপুনি বহলাই নাথাকিব।

**শ্ৰী মতী নন্দিতা দাস, বিধায়িকা ঃ-** বহলাই নকওঁ। চাৰ আমাৰ Victim সকলে ৪ লাখ পাব লাগে, ৪ লাখটো তেওঁলোকে বিচাৰি নাহে। মোৰ তাতে মৃত্যুবৰণ কৰিলে এগৰাকী মহিলাই।

**মাননীয় অধ্যক্ষ ঃ-** Please, আপুনি দি দিয়ক।

**শ্ৰী মতী নন্দিতা দাস, বিধায়িকা ঃ-** মৃত্যু হোৱাৰ লগে লগে ৪ লাখ চকা যিটো আছে সুবিধা, এইটো তেওঁলোকে যাতে পায়, আমি চাৰ তেওঁলোকৰ ক্ষতি কোনোদিন পুৰাব নোৱাৰিম।।

**মাননীয় অধ্যক্ষ ঃ-** কোনেও এই পইচাটো বিচাৰি ঘুৰি নুফুৰে। আপুনি কথাখিনি কৈছে মই ভালকে লৈছো। বুজি পাইছো।

**শ্ৰী মতী নন্দিতা দাস, বিধায়িকা ঃ-** এইখিনি কথা কোৱাৰ সুবিধা দিয়াৰ কাৰণে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** কমলী বসুমতাৰী। মই কথাখিনি কোৱাৰ কাৰণে allow কৰিছো। কিন্তু সময়ৰ কথাটো লক্ষ্য ৰাখি কথাখিনি ক'ব লাগিব যাতে বেছি descriptive নহয়।

**শ্ৰী মতী কমলী বসুমতাৰী, বিধায়িকা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি শূন্যকালীন ঘণ্টাত নাৰী নিৰ্য্যাতিনৰ ওপৰত যিটো বিষয় উত্থাপন হ'ল, এই পবিত্ৰ সদনত আলোচনা কৰিবৰ কাৰণে যিটো ব্যৱস্থা আমাক দিলে, তাৰ কাৰণে মই এগৰাকী নাৰী হিচাপে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়,২০০১ চনৰ পৰা নাৰী নিৰ্য্যাতিনৰ বিষয়টো এই পবিত্ৰ অসম বিধান সভাত বহুবাৰ মই উত্থাপন কৰি আহিছো। প্ৰত্যেকবাৰেই আমি চৰকাৰৰ পৰা সুন্দৰকৈ এটা আশ্বাস পাওঁ, নাৰীক সুৰক্ষা দিয়া যাব, এনেকুৱা এনেকুৱা আইন বনাইছো, যেতিয়া এটা দুৰ্ঘটনা হৈ যায় তাৰ পাছত লগে লগে কিবা এটা ব্যৱস্থা কৰি আমাক ফুচুলাবৰ কাৰণে ঘোষণা কৰে অধ্যক্ষ মহোদয়। আমাৰ যেতিয়া জু-ৰোডত ঘটনাটো হৈছিল, এজনী ছোৱালীক শাৰিৰীক ভাৱে যিটো নিৰ্যাতন কৰিলে, গুৱাহাটীৰ মাজ-মজিয়াত তেতিয়াও সেই সময়ৰ চৰকাৰেও task Force গঠন কৰাৰ কথা আমাক জানিব দিছিল। আজি এই বটদ্ৰৱাৰ হত্যাকাণ্ডৰ পাছত মাননীয় অধ্যক্ষ মহোদয় fast Tract সেইটো ঘোষণা কৰিলে। ইয়াৰ function টো কেনেকৈ হ'ব? আমি এইটোৰ পৰা কিমানখিনি নিৰাপদ? সেইটো আমাক অলপ অৱগত কৰিলে আমি ভাল পাম। এই fast Tract য়ে আমাৰ মহিলাখিনি সুৰক্ষা দিব? দেশত বহু আইন আছে অধ্যক্ষ মহোদয়, যিমানেই আইন বনাইছে সিমানেই অপৰাধ বাঢ়ি গৈছে। তুলনামূলক ভাবে যিবিলাক আইন আছে, সেই আইন বিলাকে একেবাৰেই আমাক সুৰক্ষা দিব পৰা নাই। খুৱ latest ধৰ্ষণ জনিত যিখন আইন প্ৰৰ্বতন হ'ল তাৰ পাছতো ধৰ্ষণ trafficking হৈয়ে আছে।। Domestic Violence ৰ ওপৰত এখন আইন প্ৰনয়ণ কৰা হ'ল ২০০৫ত । তাৰ পাছতো এইDomestic Violence ৰ দ্বাৰা নাৰী নিৰ্যাতিতা হৈয়ে আছে। এই Domestic Violence ৰ দ্বাৰা নাৰী নিৰ্যাতন হৈয়ে আছে। মৃত্যু মুখত পৰিয়েই আছে। আমি আইন বিলাক, কঠোৰৰ পৰা কঠোৰতম হোৱাটো বিচাৰিছো। মই উদাহৰণ নিদিও চাৰ, তথ্যও নিদিও। কাৰণ এই বিলাক তথ্য আজি ২০ বছৰৰ পৰা পাই আছো। আপোনালোকে সেই তথ্য বিলাক খুব সুন্দৰকে দিয়ে। সেই তথ্যখিনিও মই আজি অনা নাই আৰু আজি এই বিষয়টো আহিব বুলি মই নাজানো। আইনক মই অমান্য নকৰো, অধ্যক্ষ মহোদয়, আমি কঠোৰৰ পৰা কঠোৰতম আইন আমি বিচাৰিছোঁ, আমাৰ সিদিনা বটদ্ৰৱাৰ ঘটনাটো লৈ সদনত বহুত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হ'ল। আজিৰ কথাটো আহিল । আমি কি আনিব বিছাৰিছো? কেনে ধৰণৰ আইন? যি আইনে নাৰীক সুৰক্ষা দিব পাৰিব। সেইটোহে ডাঙৰ কথা অধ্যক্ষ মহোদয়, আমি এতিয়া ভাবিবলৈ বাধ্য হৈছো, ভাৰতবৰ্ষৰ ভিতৰত নাৰী একেবাৰেই সুৰক্ষিত

নহয়। আইনেও আমাক সুৰক্ষা দিব পৰা নাই। আইন প্ৰনয়ণ কৰিছে ঠিক, কিন্তু আইনে অপৰাধীক সাৰি যোৱাকৈ এটা সুৰুঙা ৰাখি থয়। যিটো সুৰুঙাই দি অপৰাধীয়ে একেবাৰে সহজতে বাছি যাব পাৰে। আমি কি কৰিম? ৰাজহুৱাভাৱে সেইটো শাস্ত্ৰি প্ৰদান কৰিম নেকি? নে কিবা এটা বেলেগ ব্যৱস্থা আমি হাতত লম? অধ্যক্ষ মহোদয়, আইনে যদি আমাক ৰক্ষা কৰিব নোৱাৰে, সেই আইন নাৰী সকলক তুলি দিয়ক। নাৰীয়েই যি ইচ্ছা সেইটোকে কৰিব। প্ৰয়োজনত নাৰী সকলক পুৰুষে, স্বাৰ্থ সিদ্ধি কৰিবৰ কাৰণে আমাক দেৱীৰ থাপনাত বহুৱাই আমাক পূজা অৰ্চনা কৰে। এইবোৰ নতুন কথা নহয়। তাহানিৰ পৰা, সময়ত আমাক দূৰ্গা সজাইছে, লক্ষ্মী সজাইছে আৰু কিবা কিবি দেৱী সজাই আছে। আজি এই পবিত্ৰ সদনত অধ্যক্ষ মহোদয়, আপোনাৰ অধ্যক্ষতাত মই এবাৰ কৈছিলো যে আমাক নাৰী হিচাপে থাকিব দিয়ক। স-সন্মানে আমি থাকিব বিচাৰো। আমাৰ স্বাভিমান যাতে আঘাত নহয়। আমি যাতে সন্মান সহকাৰে জীয়াই থাকিব পাৰো ইয়াৰ কাৰণে আমি স-বিচাৰ বিচাৰিছো। হয় অধ্যক্ষ মহোদয়, নাৰীও অপৰাধী আছে। আজি অলপতে নিজৰ সন্তানক মাকে মাৰি পেলোৱা ধৰণৰ নাৰীও আছে। শ্বীনা বৰাৰ হত্যাকাণ্ড মাকেই কৰিছিল। তেনেকুৱা অপৰাধী এতিয়াও আছে, নাই বুলি নকওঁ। সেই বুলি সকলো নাৰী হত্যাকাৰী নহয়, অধ্যক্ষ মহোদয়, দেশত যিমানখিনি আইন প্ৰনয়ণ হৈছে, চেলেঞ্জত লৈছে অপৰাধ কৰা লোকসকলে। যিমানেই আমি আৱাজ দিছো সিমানেই অপৰাধ বিলাক বাঢ়ি আহি আছে। সেইটোৰ পৰা আমি কি বুজিছো? মহিলাৰ এই আৱাজৰ বিৰুদ্ধে তেওঁলোকে এটা চেলেঞ্জ কৰিছে। বিধান সভাত কিবা এটা আৱাজ দিয়াৰ লগে লগে পিছদিনা খনেই এটা ঘটনা ঘটে। সেই কাৰণে সেইটো আমি চেলেঞ্জ হিচাপে লৈছে, চেলেঞ্জত লৈছে আমাক। ইয়াৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাক সুৰক্ষিত এনেকুৱা এটা উপায় দিয়ক যিটোৱে নেকি আমাক নাৰী সকল অন্ততঃ অসমৰ অসমীয়া মহিলা সকলক স্বাভিমানৰ সৈতে স-সন্মানে বাছি থাকিব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-** Thank you . বাকী আমাৰ সকলোৱে অলপ অলপ বোধকৰো ক'ব বিচাৰিব। মই জ্যেষ্ঠ গৈ আছো। প্ৰথমতে নতুনখিনিক দিয়াৰ চেষ্টা কৰিছো। এতিয়া ৰ'জলীনা তিৰ্কী তাৰ পাছত ৰেণু পমা ৰাজখোৱা ও অকনমান চাগে ক'ব। আমি দিম।

**শ্ৰী মতী ৰো'জলিনা তিৰ্কী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি Zero Hour ত আপুনি আমাৰ আবেদনটো ৰক্ষা কৰি আমাক কবলৈ দিছে, সচাঁকৈ ধন্যবাদ জ্ঞাপন কৰিছো। আজি নাৰী নিৰ্য্যাতনৰ ওপৰত বা আমাৰ নাৰী সকলৰ কথা ক'বলৈ গ'লে সচাকৈয়ে এটা very sensitive issue এইটো issue ত আমি সকলোৱে মাত মাতিব লাগিব। আমি মহিলা representative সকলে কথাও পাতিছো, আলোচনাও কৰিছো। আমি সকলো একগোট হৈছো। সচাঁকৈয়ে আমি সকলো মহিলা একগোট হ'ব লাগিব। নাৰী সুৰক্ষাৰ কাৰণে আৰু ইয়াৰ কাৰণে আমি আমাৰ অসমৰ পৰা আমাৰ চৰকাৰৰ পৰা ৰক্ষণা-বেক্ষণ বিচাৰো, সহযোগিতা বিচাৰো। মই ছোৱালী হিচাপে বা যুৱতী হিচাপে সদায় সন্মান পাইছো। যেতিয়া মই মহিলা সমিতি বা মহিলা মিটিং বিলাকত গৈ বক্তব্য ৰাখো সঁচাকৈয়ে গৌৰৱেৰে কওঁ যে অসম মাতৃভূমিত আমি জন্ম গ্ৰহণ কৰিছো। কিয় হয় সেইটো আমি সকলোৱে দেখিছো। সকলো সময়তে আমাক পুৰুষৰ লগত সমানে আগবঢ়াই নিছে। আজি মোৰ দেউতাই মোক আগবঢ়াই নিছে বা আমাৰ যিমান পুৰুষ সকল আছে, সমস্থান দিছে আমাক আগুৱাই যাবৰ কাৰণে। কিন্তু এনেকুৱা সময়তে আমি যেতিয়া ৰাতি পুৱা পেপাৰ পঢ়ো বা বিভিন্ন ধৰণৰ বাতৰি চাওঁ ইণ্টাৰনেট খুলিবলৈ গ'লেও আমি দেখো যে নাৰী নিয্যাতনৰ ওপৰত বিভিন্ন ধৰণৰ কথা আমি দেখা পাওঁ। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো এই কাৰণেই আনিব

লগা হৈছে যে প্ৰতিদিনে দুটা তিনিটাকৈ ধৰ্ষণৰ কাণ্ড আমি সাংবাদ মাধ্যমৰ জৰিয়তে দেখিবলৈ পাওঁ। বটদ্ৰৱা কাণ্ডটোলৈ যদি চাও আমি দেখিবলৈ পাও যে পঞ্চম শ্ৰেণী ছাত্ৰী এজনীক দলবদ্ধ ধৰ্ষণ কৰি নিৰ্মম ভাৱে জ্বলাই দিয়া হৈছে। কথাটো ভাবিলে, গাৰ নোম সিয়ঁৰি উঠে। এইটো অতি দুখ লগা বিষয়, ভৱিষ্যতে আমি এনেকুৱা হোৱটো নিবিচাৰো। মাননীয় অধ্যক্ষ মহোদয়, আমি এখন চিঠি দিছিলো যে মহিলাসকলৰ সুৰক্ষাৰ বাবে এখন সুকীয়াকৈ কঠোৰ আইনৰ ব্যৱস্থা কৰিব লাগে। আমাৰ বহুত আইন আছে- starting from domestic violence, rape, dowry case পৰা eve-teasing লৈকে। মহিলাসকল যেতিয়া ন্যায়াললৈ যায়, ৰায়দানত বহু সময় লয়, ভুক্তভোগী সকলে ন্যায় নাপায়। অধ্যক্ষ মহোদয়, আমি মাত্ৰ এই ধৰণৰ ঘটনাৰ কিছুহে প্ৰকাশ হয় বেছিভাগ ঘটনা অপ্ৰকাশিত হৈ থাকে। তেওঁলোকক কোনে আৰু কেনেকৈ ন্যায় দিব? সেই কাৰণে কঠোৰ আইন প্ৰণয়ন কৰিব লাগিব। যাতে এই ধৰণৰ অমানবীয় কাম কৰা সকলে হাজাৰ বাৰ চিন্তা কৰে আৰু মহিলাসকলে যাতে সুৰক্ষিত অনুভৱ কৰে। মোৰ পূৰ্বৰ বক্তাসকলে কৈছে যে - অসমত প্ৰায় পঞ্চাশ শতাংশ মহিলা আছে। যদি আমি নাৰীসকলক সুৰক্ষিত কৰিব নোৱাৰো সেইটো আমাৰ বাবে লজ্জাজনক। A nation is judged by how a nation treats its women. যদি অসমত মহিলাৰ অৱস্থা এনেকুৱা হয়, তেতিয়াহ'লে অসমৰ ভৱিষ্যত কি সেইটো আজিয়েই অনুভৱ কৰিব পাৰিছো। সেইকাৰণে এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই Fast Track Court ঘোষণা কৰিছে - খুব ভাল হৈছে। কিন্তু আমি দেখিবলৈ পাইছো বিভিন্ন ক্ষেত্ৰত ন্যায়ালয়ত কেচ বিচাৰ নোহোৱাকৈ পৰি থাকে। Justice delayed is justice denied. Fast Track Court হোৱা কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছে। অতি সোনকালে যাতে যিমানখিনি পৰি থকা কেছ আছে সেইসমূহ সোনকালে সমাধান হওক আৰু অনাগত দিনত এই ধৰণত নিৰ্য্যাতিনত বলি হোৱা শিশু আৰু মহিলাসকলে ন্যায়ৰ পৰা বঞ্চিত নহয়। অসম বিধান সভাৰ মহিলা আৰু শিশু কল্যাণ সমিতিয়ে ধৰ্ষণৰ বলি হোৱা সকলৰ বাবে কি ধৰণৰ চৰকাৰী সা-সুবিধা আছে সেই সম্পৰ্কত সমাজ কল্যাণ বিভাগৰ লগত আলোচনা কৰা হৈছিল। তেওঁলোকে কৈছিল যে ৰক্ষণা-বেক্ষণ গৃহ, পুণৰ সংস্থাপন কেন্দ্ৰ আদি কৰি কিছু সুবিধা আছে। আৰ্থিক সাহাৰ্য্য দিয়াৰ কথাও বিভাগে জনাইছে। কিন্তু কিমানজনে এই সুবিধা লাভ কৰিলে - সেই তথ্য আমাক আজিলৈ দিব পৰা নাই। বিভাগে হেল্পলাইনৰ কথা কৈ থাকে যদিও সেইটো বৰ্তমান পাইলট প্ৰজেক্ট হিচাপে আছে, ব্যৱহাৰ কৰিব পৰা নাই। এই বিষয়টোত সজাগতৰ খুবেই অভাৱ হৈছে। আজি সদনত মাননীয় মুখ্যমন্ত্ৰী মহোদয় উপস্থিত আছে গতিকে মই তেখেতৰ পৰা জানিব বিচাৰিছো যে Madhya Pradesh, Haryana, Rajasthan আৰু Arunachal Pradesh ত এখন বিধেয়ক পাৰিত কৰা হৈছে below 12 years আৰু above 14 years, rape convict ক death penalty দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমাৰ অসমৰ পৰা তেনেকুৱা এখন বিধেয়ক পাৰিত কৰিব পাৰে নেকি? এইটো কৰিব পাৰিলে ৰাজ্যখনৰ বাবে এটা ঐতিহাসিক অভিলেখ হ'ব। এইটো কৰিলেহে এই জঘণ্য কাণ্ড বিলাক নিৰ্মূণ হোৱা দেখিম। আমি সকলোৰে moral responsibility ল'ব লাগিব। ধৰ্ষণৰ বলি হোৱা নিৰ্য্যাতিত সকলে যেতিয়া আৰক্ষী থানালৈ যায়, তেতিয়া বেয়া চকুৰে চোৱা হয়। সেই কাৰণে এই নিৰ্য্যাতিত সকলক আৰক্ষীয়ে যাতে ভাল ব্যৱহাৰ কৰে তাৰ প্ৰতি চৰকাৰে নজৰ দিব লাগিব। মাননীয়া সদস্যা শ্ৰীমতী কমলি বসুমতাৰী বাইদেউয়ে এটা গুৰুত্বপূৰ্ণ কথা কৈছে যে - মহিলাসকলেও কেতিয়াবা সঁচা তথ্য নিদি, মিচা তথ্য

দিয়ে। গতিকে এই বিষয়টোও ভালদৰে scrutinize, monitor কৰিব লাগিব। যাতে কোনো নিদোষীয়ে শাস্তি নাপায়। স্পৰ্শকাতৰ বিষয়ৰ ওপৰত মহিলাসকলোৰো সজাগতাৰ প্ৰয়োজন আছে। মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ বহু ৰাজ্যলৈ আমাৰ ছোৱালী কাম কৰিবলৈ যায় আৰু মানৱ সৰবৰাহকাৰীৰ হাতত পৰে। বহু চাহবাগিছাৰ ছোৱালীয়ে domestic helper হিচাপে যায় কিন্তু নিৰ্যাতিত হৈ ঘুৰি আহিব নোৱাৰে। বহুতক বিক্ৰী কৰি দিয়ে আৰু বহুতেই AIDS ৰ নিচিনা ৰোগত আক্ৰান্ত হয়। তেওঁলোকে যিহেতু কামৰ কাৰণে বাহিৰলৈ যায় তেওঁলোকৰ সুৰক্ষাৰ কাৰণে Safe Migration System কৰিব লাগে আৰু scrutinize কৰিব লাগে। তেতিয়াহে আমাৰ মহিলাসকলে সুৰক্ষিত অনুভৱ কৰিব। কেইদিন মান আগত এগৰাকী (...........) নামৰ নিৰ্য্যাতিতাৰ কথা কৰিগঞ্জৰ মাননীয় বিধায়কে সদনত কৈছিল আৰু প্ৰচাৰ মাধ্যমতো প্ৰকাশ হৈছে যে বাংলাদেশৰ এজন যুৱকে মিচা কথা কৈ বিয়া কৰাই লৈ গৈছে। এইসময়ত প্ৰশাসন ক'ত আছিল বল ক'ত আছিল? এটা মানুহক বিদেশলৈ লৈ যোৱা হ'ল সেইটো প্ৰশাসনে গমেই নাপালে। ভাৰতৰ বাহিৰলৈ যোৱাৰ বাবে কিবা ব্যৱস্থা নাই নেকি? আমি বিচাৰিছো এইক্ষেত্ৰটো এখন কঠোৰ আইন কৰিব লাগে। এইখিনি কৈয়ে মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী অজন্তা নেওগ।

**শ্ৰীমতী অজন্তা নেওগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দিনটো অসম বিধানৰ বাবে এটা দুখৰ দিন কাৰণ আজি মহিলা বিধায়কসকলে একলগ হৈ মহিলাৰ ওপৰত ৰাজ্যখনত সংঘটিত নিৰ্য্যাতন, ধৰ্ষণৰ বিৰুদ্ধে ক'ব লগা হৈছে। আমি যোৱা কালি Sustainable Development Goals ত মহিলাসকলৰ উন্নয়নৰ কাৰণে কথা কৈছো কিন্তু আজি এখন বিপৰীত ছবি দেখিছো। যোৱা কিছুদিন ধৰি আমাৰ ৰাজ্যখনত এটা উদ্বেগৰ পৰিস্থিতি সৃষ্টি হৈছে আৰু এই ক্ষেত্ৰত আমি দল মত নিৰ্বিশেষে সকলোৱেই গৰিহণা দিছো। কিছুমান বিকৃত মানসিকতাৰ মানুহৰ বলি হৈছে বৰ্তমানৰ মহিলা সমাজ। সদনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে গতিকে মই তেখেতক এটা অনুৰোধ জনাও যে, আমাৰ ৰাজ্যখনত ৪৯ শতাংশ মহিলা আছে - এই মহিলাসকলক আমি আগবঢ়াই লৈ যাব লাগিব। কিছুদিন আগতে দেশৰ যিটো ক্ৰাইম ৰিপ'ট প্ৰকাশিত হৈছে, তাত অসমৰ মহিলাসকলে অন্যৰাজ্যতকৈ বেছি যৌন আৰু সামাজিক নিৰ্য্যাতনৰ বলি হৈছে বুলি উল্লেখ কৰিছে। অধ্যক্ষ ডাঙৰীয়া আপুনি জানি আচৰিত হ'ব অন্য ৰাজ্যতকৈ অসমৰ এই নিৰ্য্যাতনৰ হাৰ ১৬৯ শতাংশ বেছি। অতি উদ্বেগজনক কথা হৈছে এইখিনি আমি নাইকিয়া কৰিব নোৱাৰো আৰু অসমৰ ৰাইজে এই ক্ষেত্ৰত কঠোৰ আইন হোৱাটো বিচাৰিছে। মহিলাৰ সুৰক্ষাৰ বাবে ভাৰতীয় সংবিধানত সুবিধা দিছে। আমাৰ ৰাজ্যটো আমি বহু আইন প্ৰনয়ণ কৰিছো। কিন্তু আইনৰ কিছু সুৰুঙাৰ বাবে দোষী ব্যক্তিসকল সাৰি যাবালৈ সক্ষম হৈছে। এই ক্ষেত্ৰত দৃষ্টি ৰাখিব লাগিব যে প্ৰকৃত দোষীয়ে যাতে উপযুক্ত শাস্তি পায়। দ্বিতীয়তে এখন কঠোৰ আইন প্ৰণয়ন কৰিব লাগিব। আইন প্ৰণয়নৰ বাবে মানুহ মাজত বিভিন্ন আলোচনা হৈছে - আমি কঠোৰ শাস্তি, মৃত্যুদণ্ড আদিৰ কথা কৈছো। মাননীয় অধ্যক্ষ মহোদয় মহিলা আৰু শিশু ধৰ্ষণৰ লগত জড়িত এই বিকৃত মানসিকতাৰ মানুহ প্ৰতি দয়া ৰাখিব নালাগে। মাতৃ হিচাপে তেতিয়া মোৰ অন্তৰখন কঁপি উঠে, যেতিয়া প্ৰচাৰ মাধ্যমত কিশোৰীসকলে মুখঢাকি দূৰ্ভাগ্যৰ কথা কয়। আমাৰো সন্তান আছে, আমি আজি এটা অন্ধকাৰ ভৱিষ্যতৰ দিশে গৈ আছো। আমি আমাৰ ছোৱালী বাহিৰলৈ গ'লে আমাৰ ভয় লাগে ঘৰলৈ সুৰক্ষিত ভাবে ঘুৰি আহিবনে নাই। আজি এনেকুৱা পৰিস্থিতি অকল অসমতেই নহয় গোটেই ভাৰতবৰ্ষত হৈছে। আমি সকলোৱে মহিলা সৱলীকৰণৰ কথা কৈ আছো কিন্তু আমাৰ সন্তানক অসুৰক্ষিত

ভৱিষ্যতলৈ আগবঢ়াই দি আছো। চৰকাৰৰ নিশ্চয় দায়িত্ব আছে আৰু সমাজৰো দায়িত্ব আছে। মই অকল চৰকাৰৰ কথা নকওঁ। কাৰণ যিমানে কঠোৰ আইন প্ৰণয়ন নকৰো কিয়, তাত কিবা নহয় কিবা সুৰুঙা থাকেই। মাননীয় অধ্যক্ষ মহোদয, মই শেষত, আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাব বিচাৰিছো যে - অনগাত ভৱিষ্যতে অসমত যাতে কোনো শিশু, কিশোৰী, মহিলাই যৌন নিৰ্যাতনৰ নিচিনা জঘন্য কাণ্ডৰ বলি নহয় তাৰ বাবে কঠোৰ আইন প্ৰণয়ন কৰি দোষীক মৃত্যুদণ্ড দিয়াৰ ব্যৱস্থা কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্যা শ্ৰীমতী ৰেনুপমা ৰাজখোৱা।

**শ্ৰীমতী ৰেণুপমা ৰাজখোৱা (টিয়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এগৰাকী নাৰী হিচাপে মোৰ দায়িত্ব আছে বুলি ভাৱি দুটামান কথা ক'ব বিচাৰিছো। বৰ্তমান সময়ছোৱাত নাৰী নিৰ্য্যাতনৰ সংখ্যাটো যথেষ্ট বৃদ্ধি হৈছে। ইয়াৰ কাৰণ আমি বিশ্লেষণ কৰিব বিচৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে ময়ো Women Commission ৰ Chairperson হিচাপে Commission চলাই গৈছিলো। তেতিয়া Commission হিচাপে ধুবুৰীৰ পৰা শদিয়া লৈকে আমি আদালত পতাৰ এটা ব্যৱস্থা কৰিছিলো। যাৰ জৰিয়তে আমি যথেষ্ট সকাহ পাইছিলো। সেইসময়ত Victim জনে যিখিনি কথা কয়, তাৰ ওপৰত ভিত্তি কৰি আমি বিচাৰ আৰম্ভ কৰিছিলো। তাৰ পিছত তেওঁলোকক শাস্তি দিয়াৰ ব্যৱস্থাও আমি কৰিব পৰিছিলো।কিন্তু অৱশ্যে এতিয়া Women Commission কেনেকৈ চলিছে, মই নাজানো। কিন্তু সেইসময়ত যথেষ্টখিনি শান্তিৰ পৰিৱেশৰ মাজত কামখিনি আৰম্ভ হৈছিল আৰু তেতিয়া আমি মহিলাখিনি সুৰক্ষিত বুলি বিবেচনা কৰিছিলো। কাৰণ সেই সময়ৰ পাছত বহুত দিনলৈ তেনেকুৱা ধৰণৰ ঘটনা দেখিবলৈ পোৱা নাছিলো। কিন্তু এতিয়া দিনে-নিশাই এনেকুৱা ধৰণৰ ঘটনা আমি শুনিবলৈ পাওঁ। বাতৰি কাকত, টিভিত দেখিবলৈ পাওঁ। এই কথাবিলাকে কিন্তু অসমীয়া সমাজখনত এটা বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি মাননীয়া সদস্যা, অজন্তা নেওঁগ, নন্দিতা দাস, ৰ'জলীনা তিৰ্কী, কমলী বসুমতাৰী ডাঙৰীয়ানীয়েও কৈ ছে। এই কথাবিলাকৰ কাৰণে অকল মহিলা সকলৰ গাতে দোষ নহয়। ইয়াত পুৰুষসকলৰো দোষ আছে। ৰাজহুৱাকৈ কিছুমান কথা ক'বলৈ অসুবিধা হয়। আমি আশা কৰিম ভৱিষ্যতৰ দিন সমূহত যাতে এনেধৰণৰ কথাবোৰ বিধান সভাৰ মজিয়াত আলোচনা কৰিবলগীয়া নহয়, আমি সেইটোহে বিচাৰিম। মই যেতিয়া Women Commission ৰ Chairperson আছিলো, তেতিয়া বিভিন্ন জিলাত আদালত পাতিছিলো আৰু আদালত তেতিয়া হাই ক'ৰ্টৰ অধিবক্তা ড° জেউতি বৰুৱা, হাচিবুৰ ৰহমান ডাঙৰীয়া আৰু আন এজন অধিবক্তা আছিল। আমি তেনেধৰণৰ কিছুমান কেচ লৈছিলো আৰু ঠাইতে কিছুমান আমি সমাধান কৰিছিলো। কিন্তু এতিয়া Women Commission এইবোৰ কেনেধৰণে লৈছে নাজানো। আমি এতিয়া সেইবোৰ দেখা নাই। মই শিৱসাগৰ জিলাতো গৈছিলো। অধ্যক্ষ মহোদয়, আপুনি তেতিয়া আছিল। আমি যোৰহাট জিলাতো গৈছিলো। তাত আমি ঠাইতে আমাৰ যি উকীল থাকে, তেওঁলোকে গোটেই সিদ্ধান্তটো লয় আৰু যদি দোষীক শাস্তি দিবলগা হয় আমি তেনেধৰণে শাস্তি বিহিছিলো। সেইকাৰণে আমি প্ৰতিজন মানুহে সক্ষম হ'ব লাগিব। আজি আমি এইবোৰ কথা বিধান সভাৰ মজিয়াত আলোচনা কৰিবলগীয়াটো দুৰ্ভাগ্যজনক।

তথাপিও আমি আলোচনা কৰিবলৈ গৈ এই কথাবোৰ ক'বলগীয়া হৈছে। মই আশা কৰিম ইয়াৰ পিছত যাতে এনেকুৱাধৰণৰ পৰিৱেশৰ সৃষ্টি নহয়। আমি প্ৰত্যেকে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি

এই ধৰণৰ কাৰ্যকলাপ যাতে বন্ধ কৰিব পাৰো তাৰ কাৰণে আমি চেষ্টা কৰিব লাগিব। সেই কাৰণে মই বিধান সভাৰ ১২৬ জন সদস্যক অনুৰোধ কৰিছো আৰু মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Several members desire to take part in the discussion. মই কৈছো বহুতে কব'লৈ বিচাৰিছে। মই কেইবাখনো Notice পাইছিলো। কেইবাজনো সদস্যই মোক কৈ আছে। মই বিষয়টোত এনেকৈ ক'ব বিচাৰিছো যে আমাৰ মাননীয় মুখ্য মন্ত্ৰীও এই বিষয়টোত উত্তৰ দিবলৈ আহিছে। যিহেতু এইটো খুব Sensitive issue. সেয়েহে আজিৰ আলোচনাটো দীঘল কৰিব বিচৰা নাই। মই মাননীয়া মহিলাসকলক এটা কথা ক'ব খুজিছো যে মই মহিলা সকলক বেছিকৈ সময় দি পুৰুষক কমকৈ সময় দিম, এইটো বুজাব বিচৰা নাই যে এইটো আপোনালোকৰ issue. এইটো আমাৰ সকলোৰে issue.We are all equeally concerned. কিন্তু মই ভাৰো এইক্ষেত্ৰত মহিলা সকলতকৈ পুৰুষ সকলৰ অনুভৱ কৰিব পৰা ক্ষমতাটো 1% হ'লেও কম। সেয়ে আমি সকলোৰে কৈ থকাতকৈ চৰকাৰেনো এই ক্ষেত্ৰত কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে, সেইটো জনাৰ খুব প্ৰয়োজন। Rup Joyti Kurmi Please bear with me.মই আপোনালোকৰ তিনিগৰকী সদস্যক ক'বলৈ দিছো। মই কৈছো যে মই পুৰুষ সকলক ক'ব দিব পাৰো। কিন্তু এই Sensitive কথাখিনি তেখেতসকলৰ পৰা আমি শুনি আমাৰ কৰ্তব্যখিনি পালন কৰিব লাগিব। আমি পুৰুষ সদস্য সকলো equally concerned. আৰু আমি আপোনালোকে কোৱা কথাখিনিৰ লগত সহমৰ্মিতা প্ৰকাশ কৰিছো বুলি আমি সকলোৰে ঘোষণা কৰিছো। এইটো Record হৈ থাকিব। We express our solidarity with your each and every point and we consider it all as very relevant and valid. AIUDFৰ মহিলা সদস্যা আমাৰ ইয়াত নাই। আমি সকলো দলে ভাৱিছো ভৱিষ্যতে AIUDF ৰ মহিলা সদস্যাৰ এই সদনত প্ৰৱেশ ঘটিব আৰু সুযোগ পাব।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** যোৱাবাৰ বিধান সভাত আমাৰ একমাত্ৰ এগৰাকী AIUDFৰ মহিলা সদস্যা আছিল।

**মাননীয় অধ্যক্ষ ঃ** দুৰ্ভাগ্যবশতঃ তেখেত এইবাৰ আহিব সুযোগ নপালে। গতিকে মই এতিয়া এটা Rule violate কৰি হয়তো আপোনাক দিব লাগিব। আপুনি কোৱাৰ পিছত আৰু এগৰাকী মহিলা সদস্যা থাকি গৈছে, সুমন হৰিপ্ৰিয়া। কেৱল মই আপোনাক কৈছো যে আপুনি সহমৰ্মিতাটো প্ৰকাশ কৰিব। যিহেতু আপোনাৰ হৈ মই কৈ দিছো। তথাপি কৈছে। গতিকে মই আপোনাক দুই মিনিটৰ কাৰণে ক'বলৈ দিছো।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ক'বলগীয়া কথা এটাই। আজি আমি অসমৰ মহিলাসকলক এই বাৰ্তটো দিব বিচাৰিছো যে আমি পুৰুষসকলে সহমৰ্মিতা প্ৰকাশ কৰিছো। মহিলাসকলৰ নিৰাপত্তাৰ বাবে আমিও সমানেই উদ্বিগ্ন। মই আমাৰ দলৰ ফালৰ পৰা এটা অনুৰোধ জনাম যিহেতু মাননীয় মুখ্য মন্ত্ৰী মহোদয়ো আছে । গতিকে আমাৰ পৱিত্ৰ সদনত এনে এখন কঠোৰ আইন প্ৰণয়ন কৰা হয় যাতে এনেধৰণৰ জঘন্য অপৰাধত জড়িত যিমান অপৰাধী আছে, তেওঁলোকৰ মৃত্যুদণ্ড নিশ্চিত হয়। এনেকুৰা হ'লে মই ভাৰো যে এই সমস্যাটো সমাধান হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী সুমন হৰিপ্ৰিয়া আপুনি চমুকৈ ক'ব। আমাৰ আৰু কাৰ্য্যসূচী আছে।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ কাৰণে সঁচাকৈ এটা

ঐতিহাসিক দিন। অধ্যক্ষ মহোদয়, আমি আপোনাৰ জৰিয়তে মহিলা সকলৰ ওপৰত হোৱা অত্যাচাৰৰ ওপৰত আমি আমাৰ বক্তব্য ৰাখিবলৈ সুবিধা পাইছো । শাসক আৰু বিৰোধী সকলো বিধায়কে ক'বলৈ সুবিধা পাইছে। সেইকাৰণে ঐতিহাসিক দিন বুলি ভাৱিছো। অধ্যক্ষ মহোদয়, আপোনাৰ লগতে চৰকাৰ আৰু মাননীয় মুখ্য মন্ত্রী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। মহিলাৰ ওপৰত হোৱা অত্যাচাৰ চলি আছে। কিন্তু আগতে Case Register কৰিবৰ কাৰণে সাহস হোৱা নাছিল । আমাৰ চৰকাৰৰ দিনত কঠোৰ আইন প্ৰণয়নৰ যিটো ব্যৱস্থা হাতত লৈছে, তাৰ লগে লগে মহিলাসকলো সচেতন হৈছে। Woman Empowerment ৰ কথা অহাৰ লগে লগে মহিলাই সাহস পাইছে। Case Register হৈছে। থানাত মহিলাই লগে লগে Reporting কৰিছে। আগতে তেনেকুৱা ধৰণৰ Reporting কৰিবলৈ সাহস কৰা নাছিল। আগতে Reporting হোৱাৰ লগে লগে অপৰাধীয়ে ঘৰত গৈ ভাবুকি দিয়ে আৰু লগে লগে Case উঠাই ল'বলৈ বাধ্য হয়। আমাৰ মহিলাক Molestation হওঁক, অপহৰণেই হঁওক আৰু হত্যাৰ কথাত ধৰ্ষণ কৰি হত্যা কৰা হওঁক বা ডাইনী সজাই হত্যা কৰিছে। সেই অপৰাধীসকলক আমাৰ চৰকাৰে কঠোৰ শাস্তি দিবলৈ যি Fast Track ব্যৱস্থাৰ সিদ্ধান্ত লৈছে তাৰ বাবে প্ৰথমতে ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ফালৰ পৰা ইয়াৰ **"ৰাজ্যখনত ক্ৰমবৰ্ধমান মহিলাৰ ওপৰত যৌন নিৰ্য্যতন ৰোধৰ স্বাৰ্থত অধিক শক্তিশালী আইনৰ প্ৰয়োজন"** শীৰ্ষক বিষয়টোৰ ওপৰত কেইটামান Suggestion দিবলৈ বিচাৰিছো। Suggestion কেইটা হ'ল -

ক) অধ্যক্ষ মহোদয়, আমাৰ গ্ৰাম্যাঞ্চলৰ বহুতো মহিলাই এনেকুৱা নাৰী নিৰ্য্যাতনৰ পৰিবেশ বা ঘটনাত লবলগীয়া সাৱধানতাৰ লগতে ভুক্তভোগী মহিলা সকলে স্বাস্থ্য পৰীক্ষাৰ আৰু ক'ত গোচৰ ৰজু কৰিব লাগে এই সম্পৰ্কে জ্ঞাত নহয়। ফলত তেওঁলোকে সমাজত ভীতিগ্ৰস্ত বা গ্লানিৰ মাজেৰে জীয়াই থাকিব লগীয়া হয়। সেইবাবে মই এটা পৰামৰ্শ দিবলৈ বিচাৰিছো যে - আমাৰ প্ৰতিটো সমষ্টিৰ অন্তৰ্গত গাওঁপঞ্চায়ত সমুহত থকা Local Body বা স্থানীয় নিকায়ৰ দ্বাৰা "মহিলা সবলীকৰণ"ৰ বাবে "সজাগতামুলক শিবিৰ" (Awareness Programme) আদি অনুষ্ঠিত কৰিব লাগে।

"মহিলা সবলীকৰণ"ৰ বাবে "সজাগতামুলক শিবিৰ" (Awareness Programme) আদি অনুস্থিত কৰিবৰ কাৰণে আমি গাওঁ অঞ্চল সমুহত থকা আত্মসহায়ত গোট (Self Help Group) বা আশা কৰ্মীৰ দ্বাৰা ভিতৰুৱা গাওঁ সমুহত "গাওঁ সভা" বা "মহিলা সভা" আদিৰ যোগেদি "সজাগতামূলক শিবিৰ" (Awareness Programme) আদি অনুস্থিত কৰিব পাৰো। আজি আমাৰ সন্মানীয় বিধায়িকা শ্ৰীমতী অজন্তা নেওঁগ বাইদেউৱে Sustainable Development Goal ৰ আলোচনাৰ সময়ত Women Awareness ৰ ওপৰত বক্তব্য প্ৰদান কৰিছে আৰু আমি এইটোওঁ দাবী কৰিছো - "We emphasize on elimination of all kind of discrimination and exploitation against Women". সেইবাবে আমি এই সবলীকৰণ প্ৰক্ৰিয়াটোত Panchayat and Rural Development Department and Health Department আদি িবিভাগ সমুহক জড়িত কৰি ললে এই Awareness Programme টোত বেছি Successful হব পাৰিম যেন বোধ হয়।

খ) অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় পৰামৰ্শটো হল - মহিলাৰ ওপৰত অত্যাচাৰ সংঘটিত হোৱা ঠাই খিনি গাওঁ পঞ্চায়তৰ "মহিলা সমিতি" "Local Body" বা আৰক্ষীএ ঘটনা সংঘটিত

হোৱা বুলি গম পোৱাৰ পিচতেই ঠাইখিনি Seal কৰি দিব লাগে যাতে, উপযুক্ত প্ৰমাণ সমূহ নষ্ট হৈ নাযায়। কাৰণ বহু সময়ত আমি দেখা পাওঁ যে ভুক্তভোগী মহিলা গৰাকীয়ে যেতিয়া কৰ্ট, থানা আদিত গোচৰ ৰজু কৰিব যায়, তেতিয়া উপযুক্ত প্ৰমাণ দিব নোৱাৰাৰ বাবে প্ৰায়ে বিফল মনোৰথ লৈ ঘুৰি আহিব লগীয়া হয় আৰু তাৰ বাবে এনে ঘটনা সংঘটিত কৰা দুস্কৃতিকাৰী বা অপৰাধী বিলাকে বিনা দ্বিধায়ে সমাজত ঘূৰি ফুৰিব পাৰে।

গ) মোৰ তৃতীয় পৰামৰ্শটো হল - মহিলাৰ ওপৰত অত্যাচাৰ সংঘটিত কৰাৰ পাচত দুস্কৃতিকাৰী বা অপৰাধী বিলাকে ভুক্তভোগী মহিলা গৰাকীক নানা ধৰণেৰে ভাবুকি প্ৰদান কৰি ভীতিগ্ৰস্ত কৰি তোলে যাতে মহিলা গৰাকীয়ে থানা, কৰ্ট আদিত গোচৰ ৰজু কৰিব নাযায়। মই ভাৱো আমাৰ চৰকাৰে এই ক্ষেত্ৰত মহিলা গৰাকীৰ নিৰাপত্তা দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, কাৰণ সেই সময়চোৱাত মহিলা গৰাকীক সাহস বা নিৰাপত্তা দিয়াৰ বাবে কাষত কোনো নাথাকে।

ঘ) মোৰ চতুৰ্থ পৰামৰ্শটো হল -

(i) আমাৰ যাতে কোনো চৰকাৰী উকিলে মহিলাৰ ওপৰত অত্যাচাৰ চলোৱা আপৰাধীৰ কেচ সমূহ নলয় এইটো মোৰ এটা বিশেষ আবেদন আৰু

(ii) এনে ধৰণৰ কেচ সমূহত যিহতুকে বহুত খৰছ হয় গতিকে দুখীয়া, দুৰ্ভগীয়া মহিলা সকলে উকিল ধৰিবলৈ দ্বিধাবোধ কৰে। সেয়েহে আমাৰ চৰকাৰে এই শোষণৰ বলি হোৱা দুখীয়া, দুৰ্ভগীয়া আৰু ভুক্তভোগী মহিলা গৰাকীক উকিলৰ খৰছটো দিয়াৰ বাবে ব্যৱস্থা কৰিব লাগে, তেতিয়া মহিলা গৰাকীয়ে বহুখিনি সকাহ পাবলৈ সক্ষম হ'ব।

সৰ্বশেষত, আজি মাননীয় মুখ্য মন্ত্ৰীৰ উপস্থিতিত আমি মহিলা সকলৰ নিৰাপত্তাৰ ক্ষেত্ৰত এখন (Fast-track) কঠোৰ আইন পাম বুলি আশা কৰিছো। অৱশ্যে এই আইন মহিলাৰ ক্ষেত্ৰত বেলেগ আৰু কন্যা শিশুৰ ক্ষেত্ৰত বেলেগ হ'ব বুলি আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই সকলোকে ধন্যবাদ জনাই আমাৰ Sustainable Development Goals ৰ আলোচনাৰ সফল সমাপ্তি কৰিছো। আলোচনাত মই অৱশ্যে এটা কথা লক্ষ্য কৰিছো, সকলো সদস্যই মহিলাৰ Protection ৰ বাবে Unanimously নাৰী নিৰ্যাতনৰ বিৰুদ্ধে এখন কঠোৰ আইন বলবৎ হোৱাটো বিচাৰিছে । **“ A Stringent Law with exemplary punishment”** সেইটো লাগিলে Dowry Case হওঁক বা মহিলাক ক্ষেত্ৰত হোৱা আন কিবা Case ই হওঁক। কিছুমান দেশে Death Penalty বহু দেশে নিবিচাৰে, তেওঁলোকে এইটো Uncivilized method বুলি কয় and We adopt democracy as our means of administration. গতিকে এই ক্ষেত্ৰত আমি অতি সতৰ্কতাৰে আগবাঢ়িব লাগিব।

আজি মই সকলো সদস্যকে এই বিষয়টোৰ ওপৰত বক্তব্য ৰাখিব দিব নোৱাৰিলো, সেয়ে মই মোৰ সতীৰ্থ সদস্য সকলক অনুৰোধ কৰিছো, যাতে আপোনালোকে মোক বেয়া নাপায়। এতিয়া মই মাননীয় মুখ্যমন্ত্ৰীক দুআষাৰ কবলৈ অনুৰোধ জনাইছো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি **“ৰাজ্যখনত ক্ৰমবৰ্ধমান মহিলাৰ ওপৰত যৌন নিৰ্যাতন ৰোধৰ স্বাৰ্থত অধিক শক্তিশালী আইনৰ প্ৰয়োজন”** শীৰ্ষক বিষয়টোৰ ওপৰত আমাৰ মাননীয়া বিধায়িকা আঙুৰলতা ডেকা, নন্দিতা দাস, কমলি বসুমতাৰী, ৰ'জলীনা তিৰ্কী, অজন্তা নেওঁগ, ৰেণুপমা ৰাজখোৱা, সুমন হৰিপ্ৰিয়া আৰু বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই অংশগ্ৰহণ কৰি যি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ালে তাৰ বাবে মই পোন প্ৰথমে ধন্যবাদ জনাইছো

আৰু আজিৰ এই বিষয়টো অত্যন্ত স্পৰ্শকাতৰ  বিষয় গোটেই ৰাজ্যখনৰ বাবে। আজি অসমৰ বুকুত বসবাস কৰা প্ৰতিটো পৰিয়ালেই এই  বিষয়টোক লৈ চিন্তিত তথা শংকিত হৈ উঠিছে। নিজৰ কন্যাক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত তেখেত সকল চিন্তিত হৈ পৰিছে, এই কথা মই বাৰুকৈ উপলব্ধি কৰিছে। কাৰণ আমি সকলো পুৰুষেই উপলব্ধি কৰা উচিত যে আমি এগৰাকী নাৰীৰ সন্তান। গতিকে নাৰীৰ মৰ্য্যদা মানে মাতৃৰ মৰ্য্যদা। নাৰী নিৰ্য্যাতন মানে মাতৃৰ ওপৰত নিৰ্য্যাতন, পত্নীৰ ওপৰত নিৰ্য্যাতন, ভগ্নীৰ ওপৰত নিৰ্য্যতন, গতিকে এই বিষয়টোক লৈ আমি সকলোৰেই এক মিলিত প্ৰচেষ্টাৰে এটা সমাধানৰ পথ উলিয়াবই লাগিব। আমি ইয়াৰ বাবে দায়বদ্ধ, প্ৰতিজ্ঞাবদ্ধ, কাৰণ এইখন সমাজত যেতিয়ালৈকে নাৰীৰ নিৰ্য্যাতন চলাই থকা নিকৃষ্ট মানসিকতাৰ ব্যক্তি জীয়াই থাকে তেতিয়ালৈকে সমাজ কেতিয়াও শান্তিত থাকিব নোৱাৰে। গতিকে, সেইবাবেই আজি পবিত্ৰ সদনত এই বিষয়টো আলোচনা হোৱাৰ বাবে মই আপোনালোকক বিশেষভাবে ধন্যবাদ জনাইছো, মাননীয় অধ্যক্ষ ডাঙৰীয়াকো মই ধন্যবাদ জনাইছো। কাৰণ ইয়াত প্ৰতিগৰাকী বিধায়ক তথা নিৰ্বাচিত জনপ্ৰতিনিধিয়ে আগন্তুক দিনত এই সমস্যাৰ পৰা এই সমাজখনক পৰিত্ৰান দিবই লাগিব। এইটোক এটা সামাজিক ব্যাধি হিচাপে আজি আমাৰ সন্মুখত দেখা দিছে, আমাৰ বাবে ই এটা বৃহৎ প্ৰত্যাহ্বান আৰু এই প্ৰত্যাহ্বানৰ এটা যোগ্য প্ৰতুত্তৰ দিবৰ কাৰণে আমি আগন্তুক দিনত যৌথ ভাবে এই বিষয়ত কাম কৰিবয়ে লাগিব। মহান মণিষী স্বামী বিবেকানন্দই কৈ গৈছে, যি ৰাষ্ট্ৰই নাৰীক মৰ্য্যদা আৰু সন্মান দিয়ে, সেই ৰাষ্ট্ৰই মহান ৰাষ্ট্ৰ হিচাপে খ্যাতি লাভ কৰে। গতিকে আমাৰ এইখন সমাজো সাতাম পুৰুষীয়া সামাজিক, সাংস্কৃতিক আধ্যাত্মিক, পৰম্পৰাৰে পৰিপুষ্ট এখন সমাজ, এইখন সমাজত তেনেধৰণৰ দুস্কৃতিকাৰীক কোনো যুক্তিতেই স্থান পাব নোৱাৰে। গতিকে সেই বাবেই এনে ধৰণৰ দুস্কৃতিকাৰীৰ বিৰুদ্ধে আমি সকলোৱে ঐক্যবদ্ধ হৈ ইয়াক নিশেষ কৰিব লাগিব। অধ্যক্ষ ডাঙৰীয়াকো বিশেষভাবে ধন্যবাদ জনাইছোঁ। আমি প্ৰতি গৰাকী বিধায়ক, নিৰ্ব্বাচিত প্ৰতিনিধিয়ে আগন্তুক দিনত এই সমস্যাৰ পৰা এই সমাজখনক পৰিত্ৰাণ দিবই লাগিব। এইটো এটা সামাজিক ব্যাধি হিচাপে আজি আমাৰ সন্মূখত এটা বৃহৎ প্ৰত্যাহ্বান । গতিকে  প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিবৰ কাৰণে আমি  আগন্তুক দিনত যৌথভাবে এই বিষয়ত কাম কৰিব লাগিব। মহান মনিষী স্বামী বিবেকানন্দই কৈ গৈছে যি ৰাষ্ট্ৰই নাৰীক মৰ্য্যদা আৰু সন্মান দিযে সেই ৰাষ্ট্ৰই মহান ৰাষ্ট্ৰ হিচাপে থিতাপি লাভ কৰে। গতিকে আমাৰ এইখন সমাজো সাতামপুৰুষীয়া সামাজিক , সাংস্কৃতিক, পৰম্পৰাৰে পৰিপুষ্ট এখন সমাজ। এইখন সমাজত তেনেধৰনৰ দুষ্কৃতিকাৰীয়ে  কোনো  যুক্তিতে স্থান পাব নোৱাৰে। সেইবাবে এনেধৰণৰ দুষ্কৃতিকাৰীৰ বিৰুদ্ধে আমি সকলোৱে ঐক্যবদ্ধ হৈ ইয়াক নিঃশেষ কৰিব লাগিব। এই সামাজিক ব্যাধিৰ পৰা বৃহৎ অসমৰ ব্ৰহ্মপুত্ৰ-বৰাক পাহাৰ -ভৈয়ামত অৱস্থান কৰা সমাজখনক আমি পৰিত্ৰাণ কৰিব লাগিব। ইয়াৰ বাবে আজি অসমৰ  ৰাইজে মনে প্ৰাণে বিচাৰিছে যে এনেধৰণৰ অপৰাধীক  দৃষ্টান্তমূলক শাস্তি দিব লাগে ইয়াৰ বাবে কঠোৰভাৱে আইন প্ৰণয়ন কৰিব লাগে। ৰাইজৰ  মনৰ কথা কেৱল বিধায়কসকলৰ মনৰ কথা নহয়। মোক বহু লোকে  টেলিফোন যোগে বাৰ্ত্তা প্ৰেৰণ কৰিছে। গতিকে এতিয়া  প্ৰশ্ন হ'ল আমি যেতিয়াই  মানুহৰ পৰা কম্পপ্লেইন পাইছো ততাতৈয়াকৈ অপৰাধীক কৰায়ত্ব কৰিছোঁ। কিন্তু কৰায়ত্ব কৰিলেই আমাৰ কাম শেষ  নহয়। আইনী ব্যৱস্থাৰ মাজেৰে এই দোষীক দৃষ্টান্তমূলক শাস্তি দিবৰ বাবে আমি বলিষ্ঠ পদক্ষেপ ল'ব লাগিব। কাৰণ গোটেই কথাটো উপলব্ধি কৰি বহু ব্যক্তিয়ে আৰু ময়ো যোৱা **৩০** বছৰত এনে ধৰণৰ বহু ঘটনাৰ সৰ্নদভত  দেখিছোঁ বহু অপৰাধী বাছি গৈছে। বিলম্ব  হয় আইনী বিচাৰ প্ৰক্ৰিয়াত ১ বছৰ ২ বছৰ ৩ বছৰৰ ফলত মানুহ হতাশগ্ৰস্থ হয়।  সেই বাবে মানুহৰ মনত

এই শংকাৰ সৃষ্টি হৈছে, পাবনে কঠোৰ শাস্তি এই বটদ্ৰবা নাৰকীয় ঘটনাৰ লগত জড়িত অপৰাধীয়ে গতিকে এনেধৰণৰ হাজাৰ অপৰাধী আজি আইনৰ সুৰুঙা লৈ বাছি গৈছে। সেই বাবে এই গোটেই বিষয়টোত গণতন্ত্ৰৰ চাৰিওটা স্তম্ভই দায়িত্বসহকাৰে কাম কৰিব লাগিব। সমান্তৰালভাবে কাম কৰিব লাগিব। সি ন্যায় পালিকাই হওঁক, বিধান মণ্ডলেই হওঁক বা কাৰ্য্যপালিকাই হুওঁক, যৌথভাৱে আমি সমাজৰ বাবে দায়িত্বসহকাৰে, মই দায়বদ্ধতাৰে কাম কৰিব লাগিব। সেই কাৰণে মই মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশলৈ ততাতৈয়াকৈ পত্ৰ লিখিলো। আমাৰ হাতত যিহেতু শাস্তি দিয়াৰ ব্যৱস্থা নাই কিন্তু ৰাইজে শাস্তি দিয়াটো বিচাৰিছে চৰকাৰৰ পৰা । মুখ্যমন্ত্ৰী ডাঙৰীয়া কিয় আপুনি বহি আছে শাস্তি দিয়ক। এনেধৰণৰ বহু মেচেজ আহিছে সেই কাৰণে মাননীয় ন্যায়াধীশলৈ ততাতৈয়াকৈ পত্ৰ লিখিছোঁ। মাননীয় মুখ্য ন্যায়াধীশে ততাতৈয়াকৈ ব্যৱস্থা লৈছে আৰু প্ৰতিখন জিলাত fast track Court প্ৰতিষ্ঠা কৰাৰ ইতিমধ্যে সিদ্ধান্ত ঘোষণা কৰিছে। দ্বিতীয়তে ফাষ্ট ট্ৰেক কোৰ্ট গঠন কৰিলেই যথেষ্ট নহয়। পুলিছৰ তৰফৰ পৰা চাৰ্জশ্বিটখন অভিযোগনামা নিখুটভাবে প্ৰস্তুত হ'ব লাগিব। তাত যাতে সুৰুঙা নাথাকে সেই বাবে যিগৰাকী Investing officer থাকিব লগতে আৰক্ষা অধীক্ষক তেখেতসকলক এই ক্ষেত্ৰত সমান্তৰালভাবে দায়বদ্ধ কৰা হৈছে। জ্যেষ্ঠ পুলিছ বিষয়াসকলক বিশেষভাবে দায়িত্ব প্ৰদান কৰা হৈছে। আৰু তেখেতসকলক কোৱা হৈছে আৰু মই নিজে কৈছোঁ প্ৰতিগৰাকী S P ক কৈছোঁ আপোনালোকে আইনজ্ঞৰ সহায় লওক চাৰ্জশ্বিট প্ৰস্তুত কৰোঁতে যাতে ক'তো সুৰুঙা নাথাকে। সেই Charge shit ৰ যোগেদি এই কথা প্ৰমান কৰিব পাৰিলে এই গৰাকী অপৰাধীক তেতিয়া নিশ্চিতভাবে আদালতে কঠোৰ শাস্তি প্ৰদান কৰিবৰ বাবে সক্ষম হ'ব । ইতিমধ্যে মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ফালৰ পৰা মুখ্য নায়াধীশে জনাইছে যে তেখেতে Day to Day Hearing আৰু ১ মাহৰ ভিতৰ আৰু এই গোটেই বিচাৰ প্ৰক্ৰিয়াটো ১ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব। তথাপিও যিহেতুকে আজি ভাৰতবৰ্ষৰ চৌদিশে এই ব্যাধিয়ে গ্ৰাস কৰিছে কণ্যাকুমাৰীৰ পৰা কাশ্মীৰলৈকে, গুজৰাটৰ পৰা অৰুনণাচল প্ৰদেশলৈকে প্ৰতিখন ৰাজ্যৰ মানুহৰ নিদ্ৰা হৰণ কৰিছে। এইটো এটা ৰাষ্ট্ৰীয় ব্যাধি হিচপে মানুহৰ সন্মূখত দেখা দিছে সেই বাবে বিভিন্ন ৰাজ্যই বিধান সভাৰ মজিয়াত বিভিন্নধৰণে আইন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ নিমিত্তে ততাতৈয়াকৈ পদক্ষেপ লৈছে। অৰুণাচলেই হওঁক, ৰাজস্থানেই হওঁক, মধ্যপ্ৰদেশেই হওঁক, হাৰিয়ানাই হওঁক এই ৰাজ্যসমূহে ইতিমধ্যে কঠোৰ আইন বলবৎ কৰাৰ নিমিত্তে কঠোৰ আইন প্ৰণয়ন কৰিছে, বিধান সভাৰ মজিয়াত বিল পাছ কৰিছে। গতিকে আগন্তুক দিনত নিশ্চয় আমি কঠোৰ আইন প্ৰণয়ন কৰিবই লাগিব। গতিকে এইক্ষেত্ৰত মই আপোনালোকৰ সকলোৰে সহযোগিতা বিচাৰিছোঁ। আৰু এটা কথা কৈ ৰাখো যুগে যুগে এই কথাটো প্ৰমান হৈ আছে , নাৰীৰ মৰ্য্যদাত যিয়ে হাত দিছে তেনেধৰনৰ ব্যক্তি এই পৃথিৱীত কেতিয়াও বাচি যাব পৰা নাই। মহাভাৰত, ৰামায়ণত যিয়ে নাৰীক নিৰ্য্যাতন কৰিছিল সি পৃথিৱীৰ বুকুৰ পৰা নিচিহ্ন হৈছে। সি কৌৰৱে হওঁক বা ৰাবনেই হওঁক। গতিকে সেইবাবেই এইখন অসমত যিসকলে নাৰীৰ মৰ্য্যদাত হাত দিছে সন্মান হানি কৰিছে তেওঁলোকক কঠোৰ শাস্তি নিশ্চিভাবে প্ৰদান কৰা হ'ব। আৰু সমাজে সেই শাস্তি প্ৰদান কৰাৰ নিমিত্তে দলে বলে ওলাই আহিব লাগে। মই অসমৰ প্ৰতিগৰাকী সাজাগ আৰু সচেতন নাগৰিকক আহ্বান জনাইছোঁ এই পবিত্ৰ সদনৰ পৰা বিভিন্ন দল , বিভিন্ন সংগঠন সকলোকে , স্বতঃস্ফূৰ্তভাৱে আপোনালোকে আগুৱাই আহক, কাৰণ অসমৰ বুকুত **৬৮** লাখ পৰিয়াল আছে। প্ৰতিটো পৰিয়ালৰ চৌহদত পুলিছ দিয়াটো সম্ভৱ নহয়। প্ৰতিখন সমাজে সামাজিক চেতনা লৈ কাম কৰিব লাগিব। আমি সৰুতে পঢ়ি আহিছোঁ- মানুহ সামাজিক প্ৰাণী।

এজন ব্যাক্তিৰ দ্বাৰা সমাজ নিৰ্মাণ নহয়। সেই বাবে সমাজত যেতিয়া আমি বাস কৰোঁ , গাঁও , চাহ বাগিছা , পাহাৰ , ভৈয়াম , চহৰ, নগৰ যিয়েই নহওঁক প্ৰতিটো স্থানতে আমি এজনে আন এজনৰ প্ৰতি দায়িত্ব সহকাৰে কাম কৰিব লাগিব। সহানুভূতিৰ দৃষ্টিভঙ্গী ৰাখিব লাগিব। ধৰক ৩ ঘন্টাৰ কাৰণে ঘৰৰ পৰা ওলাই গৈছোঁ। চুবুৰীয়া দুটা পৰিয়ালক মই কৈ গৈছো দাদা মোৰ ভন্টিজনীক অলপ চাব দেই, মই তিনিঘন্টাৰ কাৰণে বজাৰলৈ যাম। সেই মুহূৰ্ত যদি, যিসকলক দায়িত্ব দিলোঁ তেখেতসকলৰ মাজৰে যদি এজনে মোৰ ভন্টিজনীক অপদস্থ কৰে ইয়াতকৈ আৰু দুখৰ কথা পৃথিৱীত কি হ'ব পাৰে? আজি এইখন অসমত কেনেধৰনৰ লাজলগা ঘটনা হৈছে? মই এইবিলাক কথা উদ্ধৃতি দিবলৈ বেয়া পাওঁ, এইবিলাক কথা ভাল কথা নহয়, তথাপিও ক'ব লাগিব-যে, ছাত্ৰী যদি শিক্ষকৰ ওচৰত নিৰাপদ নহয়, ভিনিদেউৰ ওচৰত যদি খুলশালীয়েক সুৰক্ষিত নহয় ইয়াতকৈ আৰু বেদনাযুক্ত কথা থাকিব পাৰে নেকি ? এনেধৰণৰ ঘটনাতো আজি অসমত ঘটিছে, এই সমাজত। কিন্তু আজি এই সমাজৰ ৰোগটো কোনে নিৰাময় কৰিব? গতিকে এইবিলাক প্ৰতিৰোধৰ বাবে সমাজ দৃঢ়তাৰে আগবাঢ়ি আহিব লাগিব। মহাপুৰষ শ্ৰীমন্ত শংকৰদেৱে নামঘৰ প্ৰতিষ্ঠা কৰি এখন শৃংখলাবদ্ধ সমাজ নিৰ্মাণ কৰাৰ উদ্দেশ্যে এটি মহৎ আধ্যাত্মিক যাত্ৰা আৰম্ভ কৰিছিল। সেই শৃংখলাবদ্ধ ধ্যান ধাৰণাৰে আমি এজনে আন এজনক আন্তৰিকতাৰে আকোৱলি লৈ সকলোকে নিজৰ ভাতৃ ভগ্নী জ্ঞান কৰি সমাজ শক্তিশালী কৰাৰ যাত্ৰাত অৱতীৰ্ণ হ'ব লাগিব। মহাপুৰষ শ্ৰীমন্ত শংকৰ দেৱ-মাধৱদেৱে যি আদৰ্শ আমাৰ সমাজ জীৱনত প্ৰতিষ্ঠা কৰি গ'ল সেই আদৰ্শ আমি কেতিয়াও পাহৰি যোৱাটো উচিত নহয়। গতিকে মই আগন্তুক দিনত প্ৰতি গৰাকী মাননীয় বিধায়কে নিজ নিজ সমষ্টিত যিমান সংখ্যক সন্মানিত নাগৰিক আছে সকলোকে সাঙুৰি আপোনালোকেও নাৰীৰ মৰ্য্যদা অক্ষুন্ন ৰখাত যাতে আপোনালোকেও আত্মনিযোগ কৰে। নাৰী মৰ্য্যদা ৰক্ষা কৰাৰ যাত্ৰাত, মাতৃৰ স্বাভিমান ৰক্ষা কৰাৰ যাত্ৰাত আমি সকলোৱে যেনেধৰণে আজি এই পবিত্ৰ সদনত দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিছোঁ তেনেকৈ নাৰী নিৰ্যাতনৰ ক্ষেত্ৰত আমি শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিব লাগিব। কোনো যুক্তিত, কোনো ক্ষেত্ৰতে, আমি কোনো ব্যাক্তিক আমি এই ক্ষেত্ৰত প্ৰাধান্য নিদিওঁ আৰু যিয়ে নাৰীৰ মৰ্য্যদা হানি কৰা কাৰ্য্যত লিপ্ত হ'ব তাৰ বিৰুদ্ধে সমাজ আৰু আমি ঐক্যবদ্ধভাৱে ঠিয় হ'ম । কোনোয়ে যাতে ঋণাত্মক চিন্তা চৰ্চাৰ গৰাকী হ'ব নোৱাৰে। আমাৰ উঠি অহা প্ৰজন্মৰ চিন্তা চৰ্চাত মূল্যবোধ প্ৰতিষ্ঠা কৰিব লাগিব। মূল্যবোধ প্ৰতিষ্ঠা কৰিলেহে সমাজ সংস্কাৰ কৰাটো সম্ভৱ হ'ব। সেই কাৰণে মই অসমৰ পৰম শ্ৰদ্ধাৰ শিক্ষক শিক্ষয়ত্ৰীসকলক আহ্বান জনাইছো, পিতৃ-মাতৃসকলক আহ্বান জনাইছোঁ, সচেতন নাগৰিক সকলক আহ্বান জনাইছোঁ, আপোনালোকে সকলোৱে পুত্ৰ-কন্যা, ছাত্ৰ-ছাত্ৰী সকলক ল'ৰালি কালৰ পৰাই তেখেতসকলৰ মানসিকতাত মূল্যবোধ প্ৰতিষ্ঠা কৰা বিশেষভাবে আন্তৰিকতাৰে পদক্ষেপ লওঁক। নীতি শিক্ষা প্ৰৱৰ্ত্তন কৰক। তাহানি আমি আইৰ কোলাত , আইতাৰ কোলাত, আজোককাৰ কোলাত, ককাদেইতাৰ কোলাত যি সাধুকথা শুনিছিলোঁ প্ৰতিটো সাধু কথাৰ অন্তৰালত এটা সুন্দৰ মূল্যবোধ আছিল। এটা নীতি শিক্ষা আছিল । এইটো নকৰিবি , সেইটো কৰিবি । এইটো কৰিলে সমাজে ভাল পাব, সেইটো কৰিলে সমাজে বেয়া পাব। ভাল বেয়াৰ পাৰ্থক্য যাতে বিচাৰি উলিয়াব পৰা যোগ্যতা আমাৰ ছাত্ৰ - ছাত্ৰীসকলে অৰ্জন কৰিব পাৰে তাৰ বাবে মূল্যবোধৰ শিক্ষা প্ৰৱৰ্ত্তন কৰিব লাগিব। সেই বাবে আমাৰ সমাজৰ প্ৰতিগৰাকী সজাগ আৰু সচেতন নাগৰিকৰ এইখিনি দায়িত্ব আৰু কৰ্ত্তব্য আছে আৰু সদায় থাকিব। এইখন আমাৰ অসম ইমান সুন্দৰ, শস্য শ্যামলা বাৰেৰহনীয়া কলা, কৃষ্টি ,সংস্কৃতিৰে জাতিস্কাৰ উন্নত মানদণ্ডৰ এখন সাৰুৱা পথাৰ। যিখন পথাৰত উৰ্ব্বৰতা আছে, মানবীয়

প্ৰমূল্যবোধ আছে। কেৱল আমি বুটলিব জনা নাই। আমাৰ পূৰ্ব্বপুৰুষ মহান মনীষীসকলে সুন্দৰভাৱে সমাজৰ ভেটি নিৰ্মাণ কৰি গৈছে। কিন্তু এই পবিত্ৰ ভূমিত জন্ম লাভ কৰি এতিয়া আমি যুগ সন্ধিক্ষণত অন্ধকাৰৰ বলি হৈছোঁ। . ভাল বেয়াৰ মাজত পাৰ্থক্য বিচাৰি উলিয়াব পৰাৰ যোগ্যতা যাতে ছাত্ৰ-ছাত্ৰীসকলে অৰ্জন কৰিব পাৰে, তাৰ বাবে মুল্যবোধৰ শিক্ষাৰ প্ৰৱৰ্তন হওঁক। গতিকে সেই বাবে আমাৰ সমাজৰ প্ৰতিগৰাকী সচেতন নাগকিৰ এইখিনি দায়িত্ব আছে আৰু থাকিব। এইখন অসম ইমান সুন্দৰ সেউজীয়া, শস্যশ্যমলা, বাৰেৰহনীয়া কৃষ্টি সংস্কৃতিৰ উন্নত মাণদণ্ডৰ এখন পথাৰ। ইয়াৰ পথাৰত উৰ্বৰতা আছে, মানৰীয় প্ৰমুল্যবোধ আছে, কেৱল বুটলিব আমি জনা নাই। মহান মনীষী সকলে সুন্দৰভাৱে ভেটি নিৰ্মাণ কৰি থৈ গৈছে। কিন্তু আমি এই পবিত্ৰ ভূমিত জন্মলাভ কৰা মানুহে অন্ধকাৰৰ বলি হৈছো। গতিকে সেই বাবে সমাজৰ পৰা অন্ধবিশ্বাস, অপ-সংস্কৃতি, সামাজিক ব্যাধি দূৰ কৰাৰ যাত্ৰাত আমি **১২৬** জন বিধায়কে দৃঢ়তাৰে প্ৰতিজ্ঞা বদ্ধ হ'লে আগন্তুক দিনত আমাৰ সমাজখন সংস্কাৰ কৰিব পৰা যাব। পৃথিৱীৰ বুকুত এখন আদৰ্শ সমাজ হিচাপে স্বীকৃতি বুটলিব পৰাকে সকলো সম্বল আমাৰ আছে। গতিকে আজি মই বিশ্বাস ৰাখিছো যিবিলাক পদক্ষেপ চৰকাৰৰ তৰফৰ পৰা লোৱা হৈছে, বিশেষকৈ অসম চৰকাৰে নাৰীজনিত অপৰাধৰ প্ৰতিটো ঘটনাত গুৰুত্বসহকাৰে লৈ তৎকালীন ব্যৱস্থা গ্ৰহণ কৰি প্ৰায় বোৰ গোচৰতে অপৰাধীক গ্ৰেপ্তাৰ কৰিছে। ইতিমধ্যে ৰাজ্যখনৰ সকলো জিলা উপায়ুক্তক, আৰক্ষী অধীক্ষক, উপ মহাপৰিদৰ্শক আৰু মাণ্ডলিক আয়ুক্ত সকলৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ যোগেদি নাৰীজনিত অপৰাধ সংক্ৰান্তীয় সমগ্ৰ বিষয়টো আলোচনা কৰিছো আৰু এনে ধৰণৰ অপকৰ্মত লিপ্ত হোৱা অপৰাধী সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লবৰ বাবে নিৰ্দেশ প্ৰেৰণ কৰা হৈছে। তদুপৰি ৰাজ্যখনত যাতে নাৰীজনিত অপৰাধমুলক ঘটনা সংঘটিত হ'ব নোৱাৰে, তাৰ কাৰণে প্ৰতিখন আৰক্ষী চকীকে চোক দৃষ্টি ৰখাৰ বাবে ইতিমধ্যে নিৰ্দেশ প্ৰেৰণ কৰা হৈছে। সকলো নিৰ্য্যাতিত মহিলাই যাতে উচিত ন্যায় লাভ কৰিব পাৰে, তাৰ বাবে নাৰীজনিত অপৰাধৰ গোচৰ সমূহৰ charge sheet নিখুট আৰু সময়মতে দাখিল কৰাতো সুনিশ্চিত কৰাৰ বাবে আৰক্ষী অধীক্ষক সকলক নিৰ্দেশ দিয়া হৈছে। নাৰীজনিত অপৰাধমুলক ঘটনাৰ গোচৰ সমূহৰ দ্ৰুত মীমাংসা আৰু অপৰাধীক শীঘ্ৰে শাস্তি প্ৰদানৰ নিমিত্তে দৈনিক ভিত্তিত বিচাৰ প্ৰক্ৰিয়া চলাব পৰাকৈ ৰাজ্যখনত ইতিমধ্যে fast track court গঠন কৰা হৈছে। নাৰীজনিত অপৰাধমুলক গোচৰ দ্ৰুতগতিত কৰাৰ বাবে আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্য্যালয়ত সম্প্ৰতি এটা গোট গঠনৰ বাবে চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা গ্ৰহন কৰা হৈছে। এগৰাকী শীৰ্ষ মহিলা আৰক্ষী বিষয়াক এই বিষয়ত বিশেষ ভাৱে দায়িত্ব দিয়া হৈছে। সমগ্ৰ অসমত মহিলা সম্পৰ্কীয় অপৰাধ আছে, সেইবিলাক বিচাৰ প্ৰক্ৰিয়া জানিব ততাতৈয়াকৈ পৰা যায়, তাৰ বাবে এই Cell টো গঠন কৰা হৈছে।

ইতিমধ্যে ৰাজ্যৰ প্ৰতিখন জিলাৰ মহকুমাত ৬৪ টা মহিলা গোট গঠন কৰা হৈছে। আমাৰ চৰকাৰে মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লক্ষ্যৰে সমগ্ৰ ৰাজ্যখনকে সাঙুৰি কিছুদিন পূৰ্বে **১৮১** সখী নামেৰে এক Toll Free মহিলা help line নম্বৰ মুকলি কৰা হৈছে। গতিকে এইবিলাক প্ৰবৰ্তন কৰিলে নহ'ব, মানুহে সহযোগ কৰিব লাগিব।

আমাৰ চৰকাৰে ব্যৱস্থাবিলাক ভালকৈয়ে প্ৰৱৰ্তন কৰে। কিন্তু যেতিয়ালৈকে জনসাধাৰণ তাৰ লগত সংযোগ নহয়, তেনেহলে এই ব্যৱস্থাটো কেতিয়াও কাৰ্য্যক্ষম কৰি তুলিব নোৱাৰি। গতিকে যিমান বিলাক এতিয়ালৈকে মই ঘোষণা কৰিছো, সকলোতে মাননীয় বিধায়ক সকলে নিজ নিজ জিলাত, নিজ নিজ সমষ্টিত এই বিলাক প্ৰকৃতাৰ্থত কাৰ্য্যকাৰী ৰূপ ধাৰণ কৰিছে নে নাই,

ইয়াৰ প্ৰতি কিন্তু সকলো বিধায়কে চোকা দৃষ্টি ৰাখিব লাগিব, সোধ-পোছ কৰিব লাগিব। এই যে মুখ্যমন্ত্ৰীয়ে এইবিলাক ঘোষণা কৰিলে আৰু যি থানাই থানাই ব্যৱস্থা প্ৰৱৰ্তন কৰিলে, এই বিলাক প্ৰকৃতাৰ্থত আছে নে নাই, তাত কোনজন বিষয়া ইয়াৰ বাবে বিশেষভাৱে দায়বদ্ধ, এই কথাবিলাক আপোনালোকে জানিবৰ বাবে সোধ-পোছ কৰিব, মই ভাৱো গোটেই ব্যৱস্থাটো সক্ৰিয় হ'ব। কাৰণ আমাৰ গণতন্ত্ৰত মই দেখিছো provision ঠিকে কৰা হয়, কিন্তু এই ব্যৱস্থাৰ ওপৰত যদি জাগ্ৰত ভুমিকা লৈছো, চোকা দৃষ্টিৰে গৈ সোধ-পোছ কৰো তেতিয়া সেই ব্যৱস্থাত থকা দায়িত্বশীল বিষয়াজন সক্ৰিয় হৈ উঠিব, দায়বদ্ধ হৈ উঠিব। He must be make accountable and answerable to the people of the State. Whatever responsibility he or she has been entrusted. তেতিয়াহে আমাৰ ব্যৱস্থাটো সফল হ'ব। ইয়াৰ ওপৰিও প্ৰাপ্তবয়স্ক মহিলাৰ উপৰিও কিশোৰীসকল সন্মুখীন হৈ অহা নিৰ্য্যাতন নিয়ন্ত্ৰণ কৰাৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা হাতত লৈছে, তথা প্ৰতিখন জিলাত বিশেষ Juvenile আৰক্ষীগোট গঠন কৰি থানা সমুহৰ দ্বিতীয় আৰক্ষী বিষয়া সকলক শিশু কল্যাণ বিষয়াৰূপে দায়িত্ব অৰ্পন কৰা হৈছে। গতিকে এইবিলাক প্ৰকৃতাৰ্থত আৰক্ষী থানাত আছে নে নাই, সেই বিলাক আপোনালোকে সোধ-পোছ কৰিব। আৰু আপোনালোক যিমান সক্ৰিয় হৈ থাকিব, মই ভাৱো মোৰ কাৰণে সুবিধা হ'ব। লগে লগে আপোনালোকে মোক report কৰিব যে কোনোবাই অৱহেলা কৰিছে।

এই দৰে নাৰী সৰবৰাহ ৰোধ কৰাৰ বাবে ইতিমধ্যে ৰাজ্যখনৰ প্ৰতিখন জিলাত মানৱ সৰবৰাহ বিৰোধী গোট গঠন কৰা হৈছে। এই গোটসমূহে সক্ৰিয়তাৰে কাম কাজ চলাই আছে। ইয়াৰ ফলস্বৰূপে **২০১৬** চনত ৰাজ্যখনত নাৰী সৰবৰাহৰ ক্ষেত্ৰত দশম স্থানত আহিবলৈ সক্ষম হৈছে। অৰ্থাৎ এই ক্ষেত্ৰত alertness টো বাঢ়িছে। পূৰ্বতে কোন ছোৱালী ক'ত গৈছিল, কোনো হিচাপ নিকাচ নাছিল। এতিয়া হিচাপ - নিকাচ ৰখাৰ বাবে, এই ক্ষেত্ৰত চোকা দৃষ্টি ৰখাৰ বাবে ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছে। তদুপৰি নাৰীজনিত অপৰাধৰ গোচৰসমুহ মোকাবিলা কৰিবৰ বাবে, আৰক্ষী দক্ষতা বিকাশৰ উদ্দেশ্যে প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ডেৰগাওঁ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ত **৩৬৬** গৰাকী উপ- পৰিদৰ্শকক অপৰাধ অনুসন্ধান বিশেষজ্ঞৰ দ্বাৰা মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ সংক্ৰান্তীয় বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। Legal awareness, কাৰণ এই technical legal language বিলাক বা তাৰ meaning বিলাক আয়ত্ব কৰাৰ ক্ষেত্ৰত তেখেতসকল যাতে সক্ষম হয়। এই ক্ষেত্ৰত তেখেতসকলক দক্ষতা দিয়া হৈছে Legal awareness, Legal Skill, যাতে Sub-Inspector বিলাকেও ভৱিষ্যতৰ দিনত এনেধৰণৰ অপৰাধ বিলাকৰ ক্ষেত্ৰত কেনেধৰণে approach কৰিব লাগে আইনগত ভাৱে, কেনেধৰণে তেওঁ গোটেই অৱস্থাটো অধ্যয়ন কৰি report prepare কৰিব লাগিব, আজিৰ তাৰিখত Investigating Officer বিলাকক, তেখেতসকলৰ যদি আইনৰ ক্ষেত্ৰত স্পষ্ট জ্ঞান নাথাকে, তেতিয়া হ'লে তেওঁলোকে defective case diary প্ৰস্তুত কৰিব। লগতে charge sheet প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো তেওঁ ক্ৰুতি বিচ্যুতিৰ সৃষ্টি কৰিব। সেই বাবে এই বিষয়টো বিশেষভাৱে ধ্যান দিয়া হৈছে।

আনহাতে, Tata Institute of Social Sciences ৰ সহযোগত ৰাষ্ট্ৰীয় মহিলা আয়োগে গুৱাহাটী পানবজাৰ থানাত এটা বিশেষ গোট গঠন কৰিছে। এইটোৱে গোটেই নাৰীৰ বিৰুদ্ধে অপৰাধ সংক্ৰান্তীয় বিষয়সমূহ চোৱা - চিতা কৰি আছে। মহিলা বিৰুদ্ধে সংঘটিত হোৱা অপৰাধৰ বিচাৰ সমূহ তদন্ত কৰি বিষয়া সকলৰ সহায়ক হোৱাকৈ standard operating procedure on investigating of crime against women and POCSO আইনৰ

প্ৰতিলিপি ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে প্ৰতিখন জিলালৈ প্ৰেৰণ কৰা হৈছে।

এতিয়া যিখন POCSO (Protection of Child from Social Offences) এই আইনবিলাকৰ ক্ষেত্ৰত যাতে, আমাৰ নিজৰ ভাষাৰে তেখেতসকলে যাতে গোটেই বিষয়টো অধ্যয়ন কৰিব পাৰে, বুজি উঠিব পাৰে সেই ব্যৱস্থাৰ বাবে এইখিনি কৰা হৈছে। মহিলাৰ বিৰুদ্ধে Cyber crime বৃদ্ধি পোৱা বিষয়টো আমাৰ চৰকাৰে গুৰুত্বসহকাৰে লৈ এই ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। The Cyber crime is a most sensitive issue. কাৰণ আজিৰ তাৰিখত আমাৰ যিটো মোবালইৰ device, ইয়াৰ যোগেদি ভাবিব নোৱাৰাকৈ অপৰাধ বৃদ্ধি হৈ গৈ আছে। গতিকে মই ভাৱো, এই ক্ষেত্ৰত প্ৰত্যেকে সাবধান হ'ব লাগে ইয়াৰ utility ৰ ক্ষেত্ৰত। এই ক্ষেত্ৰত আমাৰ উঠি অহা চামটোক বিশেষভাৱে সজাগ সচেতন কৰিব লাগে। কাৰণ আপোনালোকে জানে আজি কালি এই device ৰ যোগেদি কেনেধৰণৰ ছবি এজনে আন এজনলৈ প্ৰেৰণ কৰে। যাৰ ফলত বিকৃত মানসিকতাৰ গঢ় লৈ উঠে। We all know the technicalities of the particular device. How this is acting in our day to day life. It is a serious issue. সেই কাৰণে Cyber crime ৰ ক্ষেত্ৰত আমাৰ আইন মহাবিদ্যালয়ৰ অধ্যক্ষসকলকো আহ্বান জনাওঁ যে এই ক্ষেত্ৰত অধিক আমাৰ ছাত্ৰ-ছাত্ৰীসকলক সজাগ সচেতন কৰি তুলিব লাগে। যাতেআগন্তুক দিনত আমাৰ সদৌ অসম উকিল সন্থাৰ তৰফৰ পৰা যাতে অসমৰ বিভিন্ন ঠাইত গৈ ছাত্ৰ-ছাত্ৰীসকলক এই ক্ষেত্ৰত সজাগ সচেতন কৰি তোলাৰ বাবে উদ্যোগ ল'লে আমাৰ কাৰণে বেছি ফলপ্ৰসু হ'ব। কাৰণ বিষয়টো অত্যন্ত স্পৰ্শকাতৰ, অত্যন্ত serious। মই ভাৱো যে এইটো যদি আমি নিয়ন্ত্ৰণ কৰিব নোৱাৰো, ভৱিষ্যতৰ দিনত প্ৰতিটো পৰিয়ালৰ হয়তো নানান নতুন ধৰণৰ সমস্যাই দেখা দিব পাৰে আৰু ইতিমধ্যে দেখাও দিছে। বহুত বিলাক কেচ আমাৰ পুলিচ বিষয়াই যেতিয়া অধ্যয়ন কৰে, investigation চলাই, দেখে যে অন্য এটা কাৰণ, ভুল বুজা বুজি, নানা ধৰণৰ বিকৃত মানসিকতাৰ গঢ় দিয়াৰ ক্ষেত্ৰত এই device ৰ উল্লেখযোগ্য ভুমিকা আছে। গতিকে যেনেধৰনে ভাল, বেয়াও আছে ইয়াত। গতিকে আমি ভালটো লৈ, বেয়াটো সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিব লাগে। এই দৃষ্টিভঙ্গী তৈয়াৰ কৰাৰ বাবে আমি কাৰিকৰী দিশত বিশেষ পদক্ষেপ লব লাগিব।

মই বেছি দীঘলীয়া কৰিব বিচৰা নাই, ইতিমধ্যে মহিলা বিষয়াৰ সংখ্যা কম আছে। সেই কাৰণে 30 % মহিলা Sub- Inspector এটা Special drive যোগেদি নিযুক্তি দিয়াৰ বাবে সিদ্ধান্ত লৈছো। আগন্তুক দিনত মই বিশ্বাস ৰাখিছো যে আমাৰ পৰম শ্ৰদ্ধাৰ মোৰ সতীৰ্থ বিধায়ক সকলে, এই গোটেই বিষয়টোৰ ক্ষেত্ৰত আন্তৰিকতা, সহযোগিতা আগবঢ়াব। আৰু আমাৰ Forensic Laboratory এইটোৰ কাৰণে অত্যাধুনিক কৰি তুলিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, পৰম শ্ৰদ্ধাৰ মোৰ সতীৰ্থ বিধায়ক সকলে এই গোটেই বিষয়টোৰ ক্ষেত্ৰত আন্তৰিক সহযোগিতা আগবঢ়াব। আমাৰ যিটো Forensic Laboratory আছে, সেইটো অত্যাধুনিক কৰিব লাগিব, আমাৰ বহুত Sample এতিয়া কলকাত লৈ পঠিয়াব লাগে, গুজৰাটলৈ পঠিয়াব লগা হয়। এই ক্ষেত্ৰত মই আগতীয়াকৈ জনাই থ'লো, এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা হাতত লোৱা হৈছে। আমি যেতিয়া লৈকে এই ক্ষেত্ৰত Self Sufficient নহওঁ। আমাৰ Sample বিলাক যদি ইয়াতে test কৰি ইয়াৰ ফলাফলটো ঘোষণা কৰি দিয়ে, তেতিয়া হ'লে আমাৰ বিচাৰ প্ৰক্ৰিয়াটো fast হব। দ্ৰুত গতিত বিচাৰ প্ৰক্ৰিয়া আগবাঢ়িব লগা হ'লে Forensic Laboratory ত যি বিলাক Sample যায়, ইয়াৰ ফলাফলটো আহিব লাগিব। পৰীক্ষা-

নিৰীক্ষা কৰি তেখেত সকলে কি পালে কি নাপালে এই গোটেই Report টো সময় মতে যদি আদালতত প্ৰেৰণ কৰিব পৰা যায়, তথ্য সহকাৰে তেতিয়াহে কোনোৱা এটা বিষয়ত নিশ্চত ভাৱে আমি উচিত সিদ্ধান্ত ল'ব পাৰোঁ। গতিকে মই এইখিনি কথাকে কৈ আগন্তুক দিনত এখন কঠোৰ আইন বলবৎ কৰাৰ ক্ষেত্ৰত অসমৰ আইনজ্ঞ সকলৰ লগত আলাপ আলোচনাত মিলিত হ'ম, মাননীয় বিধায়ক সকলৰ আমি পৰামৰ্শ লম। সকলো বিধায়কৰ মনত নিশ্চিত ভাৱে বহু উন্নত ধৰণৰ চিন্তা-চৰ্চা আছে। আপোনালোকক আজি মই Invite কৰিছোঁ, আপোনালোকৰ পৰামৰ্শ বিলাক লিখিত আকাৰত মাননীয় অধ্যক্ষৰ ডাঙৰীয়াৰ হাতত অৰ্পন কৰিব। আৰু সেই সকলো বিলাক আপোনালোকৰ পৰামৰ্শ আমি পৰীক্ষা নিৰীক্ষা কৰি আইনজ্ঞ সকলৰ লগত বহি next আমাৰ বিধান সভা অধিৱেশন হ'ব তাতে আমি সেইখন Place কৰিবলৈ সক্ষম হ'ম। পৰম শ্ৰদ্ধাৰ অধ্যক্ষ ডাঙৰীয়া, আপোনাক ধন্যবাদ জনাইছো, আৰু বিধায়ক-বিধায়িকা সকলক ধন্যবাদ জনাইছোঁ, আপোনালোকে আজি এটা অত্যন্ত স্পৰ্শকাতৰ বিষয় এটা উপস্থাপন কৰিলে আৰু সকলোয়ে মই ভাৱো ঈশ্বৰৰ নামত প্ৰতিজ্ঞা ল'ব লাগে। আজি মনৰ পৰা ইয়াত ব্যক্ত কৰিব নালাগে, আমি আমাৰ ভিতৰতে শব্দ বাক্যৰে প্ৰতিজ্ঞা কৰিব লাগে যে, যি সকলে নাৰী নিৰ্যাতন, ধৰ্ষণৰ নিচিনা কামত জড়িত হয় তেওঁলোকক আইনগত ভাৱে কঠোৰ শাস্তি প্ৰদান কৰিম বুলি, কাৰণ মাতৃ সদায় মাতৃয়ে। আপুনি আম্মা বুলি কওঁক, মাতৃ বুলি কওঁক, আই বুলি কওঁক আমি সকলোৱে মাতৃৰ সন্তান। মাতৃৰ মৰ্য্যাদা হানি হোৱাটো পুত্ৰ, কন্যাই নিৰবে চাই থাকিব এইটো মানৱীয় দায়িত্ব নহয়, গতিকে আমি সকলোৱে অন্তৰ আত্মাৰ পৰা আজি প্ৰতিজ্ঞাৱদ্ধ হ'ব লাগে যে আগন্তুক দিনত মই য'তেই থাকো যি এলেকাতে থাকো যি এলেকাৰ বাবে মই দায়িত্ব লৈছোঁ আনুষ্ঠানিক ভাৱে সেই এলেকাত মই এই সামাজিক ব্যাধি সম্পূৰ্ণৰূপে ৰাইজক লগত লৈ নাইকিয়া কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Thank you very much. আমাৰ আগৰ বিধায়ক এজনে এটা খুৱ গুৰত্বপূৰ্ণ কথা কৈ গৈছে মই তেখেতকো ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিধায়ক সকলে কেইবাটাও দৰকাৰী কথা কৈছে, Check maigration policy, Women Commission ৰ কথা কৈছে, এই ক্ষেত্ৰত আপুনিও কিবা কৈছে, এই আটাইবোৰ কথা মই লিখিত আকাৰে আমাক দিয়াটো বিচাৰিছোঁ। মই আপোনালোক সকলোকে অনুৰোধ কৰিম সেইখিনি দিব যাতে পৰৱৰ্তী অধিৱেশনৰ আগতে আমি মুখ্যমন্ত্ৰী মহোদয়ক, এই বিষয়ত এটা Report আপোনালোকৰ Suggestion ৰ ওপৰত ভিত্তি কৰি দাখিল কৰিব পাৰোঁ। এতিয়া কাৰ্য্যসূচী নং ২, মাননীয় সদস্য শ্ৰী গুৰুজ্যোতি দাসক Rule 54 ৰ বিষয়টো উৎথাপন কৰিবলৈ অনুৰোধ কৰিলোঁ।

**শ্ৰী গুৰুজ্যোতি দাস (মাননীয় বিধায়ক, মঙ্গলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৮ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে দৈনিক অগ্ৰদূত কাকতত প্ৰকাশিত "মৰিগাওঁত ধোৱা চাঙত শিশু শ্ৰমিক আইন" এই বাতৰিটো প্ৰকাশ হৈছিল আৰু সেই বাতৰিটো আপুনি ইয়াত উপস্থাপন কৰিব দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ। "আইন ভংগকাৰী সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী মৰিগাওঁত ধোৱা চাঙত শিশু শ্ৰমিক আইন অসমৰ অন্য জিলাৰ লগতে মৰিগাওঁ জিলাৰ বিভিন্ন ব্যৱসায়কি প্ৰতিষ্ঠানত দিনক দিনে শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি পোৱাত ভৱিষ্যত প্ৰজন্ম ধ্বংস হোৱাৰ আশংকা ব্যক্ত কৰিছে, সচেতন নাগৰিকে।" কেন্দ্ৰীয় চৰকাৰে প্ৰাথমিক শিক্ষাক মৌলিক অধিকাৰ ৰূপে স্বীকৃতি দি ৬ ৰ পৰা ১৪ বছৰ বয়সৰ শিশু সকলক বাধ্যতা মূলক বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পিছতো মৰিগাওঁ জিলাৰ শিশু শ্ৰমিকৰ সংখ্যা বৃদ্ধি হল। দৰিদ্ৰতাৰ ফলতে শিক্ষা-

দীক্ষা, খেল-ধেমালী আদিত মনোযোগ দিয়াৰ বিপৰীতে বিভিন্ন ব্যৱসায়ীক প্ৰতিষ্ঠানত শিশু সকলে শ্ৰমিক ৰূপে নিয়োজিত হবলৈ বাধ্য হয়। মৰিগাওঁৰ উত্তৰ অঞ্চলৰ ইটা ভাটা, চাহৰ দোকান, হোটেল, গেৰেজ আদিত শ্ৰমিক ৰূপে কাম কৰাৰ উপৰি ব্যক্তিগত যান বাহনত শিশু সকলে কাম কৰা পৰিলক্ষিত হৈছে। নিজৰ ভৱিষ্যত জীৱনক জলাঞ্জলী দি এমুঠি অন্নৰ বাবে যি সকল শিশুৱে দিনে নিশাই শ্ৰমিক ৰূপে কাম কৰাৰ বিনিময়ত দৈনিক হিচাবত ৫০ ৰ পৰা ৬০ টকা লাভ কৰে। এই সামান্য টকাৰ বিনিময়ত ফুল কুমলীয়া শিশু সকলে যন্ত্ৰৰ দৰে পুৱাৰ পৰা নিশালৈকে কাম কৰি থাকিব লগা হয়। এনেদৰে দিনটো কাম কৰি শিশু সকলে নিশা ভালদৰে শুব নোৱাৰে। অস্বাস্থ্যকৰ পৰিৱেশত থাকি কষ্ট অনুভৱ কৰা এই শিশু সকলে মালিক পক্ষৰ চৰ-কিল আদিও খাব লগা হয়। সৰ্বশিক্ষা অভিযানে শিক্ষা সাৰ্বজনীন কৰিছে, যদিও এতিয়াও বহুত শিশু শিক্ষাৰ বাহিৰত আছে। শিশু শ্ৰমিক আইনৰ বাস্তৱ প্ৰয়োগ কৰি আইন ভংগ কাৰী সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে প্ৰত্যেক শিশুৰ সৰ্বাঙ্গীন বিকাশ সাধন কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে সেই অঞ্চলৰ সচেতন নাগৰিকে। অধ্যক্ষ মহোদয়, অকল মৰিগাওঁতে নহয়, এই শিশু শ্ৰমিক ইতিমধ্যে সমগ্ৰ ভাৰতবৰ্ষটেই বৃদ্ধি হোৱাৰ লগতে অসমতো বিভিন্ন জিলাত ইয়াৰ বৃদ্ধি হোৱা দেখা গৈছে। ইয়াক নিৰ্মূল কৰিবৰ কাৰণে এখন আমাৰ আইন প্ৰৱৰ্তন কৰা হৈছিল। যিখন আইন The Child Labour (prohibition and regulation) Act 1986. এই শিশু সকল আমাৰ দেশৰ ভৱিষ্যত নাগৰিক। দেশৰ ভৱিষ্যত নাগৰিক সকলক আমি মানৱ সম্পদ হিচাবে গঢ় দিবৰ কাৰণে ইতিমধ্যে এতিয়ালৈকে বিভিন্ন চৰকাৰ সমূহে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। সৰ্বশিক্ষা অভিযান মিছনৰ উদ্যোগত জ্যোতি কেন্দ্ৰ, বা কস্তুৰী বিদ্যালয় আদি স্থাপন কৰা হৈছে। কিন্তু অতি পৰিতাপৰ বিষয় যিটো সময়ত Sustainable Developement ৰ কথা চিন্তা কৰা হৈছে, সেই সময়ত যদি শিশু সকল শ্ৰমিক হিচাবে কাম কৰিব লগা হয়, যে আমি মানৱ সম্পদ হিচাপে গঢ় কাক দিম। ইয়াৰ মূল কাৰণ হয়তো দৰিদ্ৰতা। তাৰ কাৰণে শিশু শ্ৰমিক সকলে কাম কৰিবলৈ বাধ্য। According to the Labour Organization মতে ৫ ৰ পৰা ১৪ বছৰ যি সকল কাম কৰে সেই সকলক শিশু শ্ৰমিক হিচাবে কোৱা হৈছে। ২০১১ ৰ Census মতে ৪.৩ million Child Labour আছিল আকৌ সেইটো International Labour Organization claim কৰিছে যে ১০.৩ million হে Child Labour তাৰে আকৌ ১৭ শতাংশ ছোৱালী বুলি তেওঁলোকে এটা দাবী কৰিছে। আমি Child Labour ৰোধ কৰিবৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমাৰ চৰকাৰখনে কি ব্যৱস্থা গ্ৰহণ কৰিছে, ইতিমধ্যে আমি বিভিন্ন সময়ত দূৰদৰ্শনত বা বাতৰি কাকতত পাওঁ যে শিশু শ্ৰমিক সকলক বিভিন্ন ধৰণত অত্যাচাৰ মালিকী পক্ষই কৰে। এই বাতৰিটো সুন্দৰভাৱে প্ৰকাশ কৰিছে। এই গোটেইখিনি কথা সঁচাকৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ, সেই সংবাদ দাঁতা গৰাকীক। কাৰণ ইমান সুন্দৰভাৱে বাতৰিটো প্ৰকাশ কৰিছে। আমিও বহু হোটেলত দেখিছো হোটেলৰ মালিক সকলে শিশু শ্ৰমিকক নিয়োগ কৰে আৰু কেতিয়াবা ভঙা -চিঙা বিচাৰি ফুৰা বিভিন্ন তেনেকুৱা লোকক আমি দেখা পাওঁ। আমি সেই সমূহ নিৰ্মূল কৰিবৰ কাৰণে যথেষ্ট পদক্ষেপ লব লাগিব। যিটো সময়ত Right to Education Act য়ে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰণৰ চিন্তা কৰিছে। যিটো সময়ত আমাৰ চৰকাৰখনেও যিখন আমি পৰিবৰ্তন কামি চৰকাৰ অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত আৰু শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া যি শিক্ষা ব্যৱস্থাটোক বিনামূলীয়া কৰা চেষ্টা কৰিছে। যাতে শিক্ষাৰ ক্ষেত্ৰত দৰিদ্ৰতা হেঙাৰ হ'ব নোৱাৰে। প্ৰত্যকে যাতে শিক্ষা ব্যৱস্থাটো লাভ কৰিব পাৰে সেই

সময়ত যদি আমি শিশু শ্ৰমিক দেখিবলৈ পাওঁ এইটো পৰিতাপৰ কথা আমি ২০১১ৰ Census মতে অসমত প্ৰায় ৯৯ হাজাৰ ৫১২ জন শিশু শ্ৰমিক পোৱা গৈছে। ইতিমধ্যে মই ভাৰতবৰ্ষৰ বিভিন্ন censusৰ পৰা ২০১১চনৰটো যুগুতাইছোঁ। আন্দামান নিকোবৰ দ্বীপপুঞ্জত প্ৰায় ৯৯৯ জন, অৰুনাচল প্ৰদেশত ৫৭৬৬ জন, বিহাৰত ৪৫১৫৯০ জন এনেকৈ গোটেইখিনি যুগুতাইছোঁ। কিন্তু ভাৰত বৰ্ষৰ প্ৰতিখন ৰাজ্যতে শিশু শ্ৰমিক আছে। সভাপতি মহোদয়, আমাৰ যিখন The Child Labour provision and regulation Act. 1986 আছে ২০১৬ চনত Amendment কৰা হ'ল। The Child Labour provision and regulation Amendment. তাত এটা কথা স্পষ্টভাৱে কৈছে, যদি তাত ১৮ বছৰ বয়সৰ ল'ৰাজন যদি বিপদ জনক কামত ব্যৱহাৰ হয়, তাক Child Labour বুলি কোৱা হৈছে। কিন্তু ২০১৫ চনত ভাৰত চৰকাৰে এখন বিল আনিছিল, তাত এই কথাটো স্পষ্ট কৰিছে যে এখন ঘৰৰ অৰ্থনৈতিক অৱস্থা বা এজন সমাজ প্ৰেমিক বা কৰ্মমুখী হ'বৰ কাৰণে যদিকোনোবাৰ ঘৰত কাম কৰে তেওঁক Child Labour বুলি কোৱা নহয়। তেতিয়া এই সময়ত কিন্তু আমাৰ সৰ্বশিক্ষা অভিযান মিছন বা বিভিন্ন N G O কাম কৰা দেখিছোঁ। Child Labourৰ ক্ষেত্ৰত কিন্তু যোৱা দুদিন ধৰি Sustainable Development Goals ৰ ওপৰত এই সদনত যথেষ্ট সময় বিভিন্ন জন সন্মানীয় সদস্যই তেওঁলোকৰ বক্তব্য ৰাখিছে আৰু আমাৰ অসম চৰকাৰৰ যিখন ২০৩০ চনৰ Assam Agenda, সেইখন সম্পূৰ্ণ কৰিবৰ কাৰণে আমি Child Labourৰ 0% লৈ নিবই লাগিব আৰু আমি সেই 0% কৰিবৰ কাৰণে যথেষ্ট পদক্ষেপ হাতত লব লাগিব। Child Labour নিৰ্মূল কৰিবৰ কাৰণে আমি প্ৰত্যেকে এক ইতিবাচক মানসিকতাৰ গৰাকী হ'ব লাগিব। আমি মানবীয় এক প্ৰমূল্যবোধ জগাব লাগিব। আচলতে আমি যেন যান্ত্ৰিক যুগত কঠোৰ হৈ গৈছো, কেতিয়াবা এনেকুৱা এক অনুভৱ হয়। আমি ইমান মানৰ মৰমিয়াল কিন্তু দেৱশিশু সকলক কেনেকৈ শ্ৰমিক হিচাপে কামত লগাব পাৰোঁ। হয়তো কেইটকা মানৰ বাবে আমি যদি বয়োজেষ্ঠ্যক লেবাৰ হিচাপে ব্যৱহাৰ কৰোঁ হয়তো তেওঁলোকক ২৫০-৩০০ টকা দিব লাগিব, কিন্তু আমি যদি এজন শিশুক কামত লগাওঁ তেন্তে তেওঁক ৫০-৬০ টকা বা ১০০ টকা দিলেই হৈ যায়। কেতিয়াবা দেখা যায় যে প্ৰায় ১৪ বছৰ বয়সৰ তলৰ শিশুক গাড়ীৰ হেণ্ডিমেন হিচাপে ব্যৱহাৰ কৰা হয়। কিন্তু এই শিশু শ্ৰমিক ৰোধ কৰাৰ কাৰণে আমি বিভিন্ন ব্যৱস্থা অৱলম্বন কৰিবই লাগিব আৰু যি আমাৰ অসম চৰকাৰৰ The Assam 2030, এজেণ্ডাখনক আমি Sustainable growth তেতিয়াহে ক'ব পাৰিম যদি আমি শিশু শ্ৰমিক ৰোধ কৰিব পাৰোঁ, ইতিমধ্যে আমাৰ ভগৱানে প্ৰতিগৰাকী ব্যক্তিক যথেষ্ট পৰিমাণে প্ৰতিভা দিছে। এয়া আমি নুই কৰিব নোৱাৰোঁ। ভগৱান ইমান নিষ্ঠুৰ নহয়। কিন্তু কাৰ গাত কি প্ৰতিভা আছে, সেই প্ৰতিভা সমূহ হয়তো বিকাশ হ'বৰ কাৰণে এখন মঞ্চ লাগিব। যদি সেই প্ৰতিভা তেওঁ বিকাশ কৰিবৰ কাৰণে তেওঁৰ যদি ঘৰ ভঙা চিঙা থাকে, তেওঁ যদি হোটেলত বাচন ধোৱা হিচাপে বা চাহ দিয়া হিচাপে কাম কৰে তেতিয়াহলে সেই প্ৰতিভা কেতিয়াও বিকাশ নহয়। কাৰণ যোৱা কালি অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ দৰং জিলাৰে পুদুমাৰি অঞ্চলৰ এগৰাকী শিশু Class-VII ত পঢ়ি আছে, শ্ৰী মানসী চহৰীয়া তেওঁ The voice of India kids ত খ্যাতি অৰ্জন কৰি আহিছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱাকালি ৫০ হাজাৰ টকা তেওঁক পুৰস্কাৰ দিছে। এই চেগতে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। এতিয়া মই বিশেষ বক্তব্য নাৰাখো, কিন্তু মই বিভাগীয় মন্ত্ৰীৰ পৰা এই কথাটো জানিব বিচাৰিছো বা এই কথাটো অৱগত কৰিছো যে আমি কেতিয়ালৈকে অসমত এই

Child Labour শেষ কৰিব পাৰিম, নিৰ্মূল কৰিব পাৰিম তাৰ কিবা ব্যৱস্থা কৰিছে নেকি আৰু যিখন আইন কৰিবৰ কাৰণে কঠোৰ সিদ্ধান্ত ল'বৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নেকি আৰু যি সকলে শিশু শ্ৰমিকক ব্যৱহাৰ কৰে তেওঁলোকৰ প্ৰতি যাতে উচিত ব্যৱস্থা লয় তেনেকুৱা এক সিদ্ধান্ত লওঁক তাকে মই সভাপতি মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। যাতে অনাগত দিনত এনেকুৱা বাতৰি আমি দেখিবলৈ নাপাওঁ, শুনিবলৈ নাপাওঁ তাৰ কাৰণে চৰকাৰ খনে যাতে বলিষ্ঠ পদক্ষেপ লয়। ধন্যবাদ।

**সভাপতি (শ্ৰীবীৰ ভদ্ৰ হাগজেৰ) ঃ** Hon'ble Minister.

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মাননীয় সদস্য গুৰুজ্যোতি দাস ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১৮ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখৰ "দৈনিক অগ্ৰদূত" কাকতত প্ৰকাশিত বাতৰি আমাৰ তেওঁ বক্তব্য আকাৰে খুব গুৰু ত্বপূৰ্ণ বিষয় এটা উত্থাপন কৰিছে আৰু তেখেতে এই কথাখিনি বক্তব্যৰ মাজতে কৈছে যে নিশ্চিত ভাৱে আজি যি শিশু শ্ৰমিক সকলৰ ওপৰত যি ধৰণৰ নিৰ্যাতন বা তেওঁলোকক শ্ৰমিক হিচাপে কাম কৰোৱাবলৈ বাধ্য কৰাইছে সেই ক্ষেত্ৰত চৰকাৰে কেনেকৈ পদক্ষেপ গ্ৰহণ কৰিব বা সমাজে কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব। এতিয়া মাননীয় সভাপতি ডাঙৰীয়া, আজি বিধান সভাৰ দিনটোত কেইমুহূৰ্তমানৰ আগত আমি নাৰী নিৰ্যাতনৰ ওপৰত সকলোৱে আজি বিধান সভাত বিশেষ ভাৱে গুৰুত্ব আৰোপ কৰি বিষয়টো আলোচনা কৰিলোঁ। আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও এই বিষয়টোৰ ওপৰত চৰকাৰৰ দৃষ্টিভংগী বা আমি সকলোৱে একেলগে এই সমস্যাটো সমাধান কৰাৰ কথাও বক্তব্যত অৱগত কৰিলে। ঠিক তেনেধৰণে আজি যি শিশু শ্ৰমিকৰ কথা কোৱা হৈছে এই শিশু শ্ৰমিকো আজিৰ দিনত এক সামাজিক ব্যাধি। কাৰণ আজি এফালে যেনেকৈ চৰকাৰে ১৪ বছৰ বয়সলৈকে সকলো শিশুক বিনামূলীয়া শিক্ষা আৰু তেওঁলোকৰ সকলো ধৰণৰ ব্যৱস্থাৰ কথা চৰকাৰে গ্ৰহণ কৰিছে আৰু শিক্ষাক মৌলিক অধিকাৰলৈ ৰূপান্তৰ কৰিছে। এনেকুৱা এটা সময়ত একোটা প্ৰতিচ্ছবি আমি দেখা পাওঁ যে বিভিন্ন ঠাইত আজি শিশু শ্ৰমিক হিচাপে শ্ৰমিক বা কিশোৰ সকলে নিৰ্যাতনৰ বলি হ'ব লগীয়া হৈছে। আমি যি লক্ষ্য নিৰ্ধাৰণ কৰিছো Sustainable Development Goals তাতো ৮ নং ত আমি শিশু শ্ৰমিক কেনেকৈ নিৰ্মূল কৰিব পৰা যায় তাৰ কাৰণেও পদক্ষেপ গ্ৰহণ কৰাৰ কথা কৈছোঁ। কিন্তু বৰ্তমান সময়ত শিশু শ্ৰমিকৰ যিটো বিষয় আমি এই কথাত বুজিব লাগিব যে শিশু শ্ৰমিক কোনে ব্যৱহাৰ কৰে। শিশু শ্ৰমিকে নিজে নিজে কাম কৰে নেকি। নহয় সভাপতি ডাঙৰীয়া, শিশু শ্ৰমিক আমাৰ যি সকল শিক্ষিত জনাশুনা মানুহ সেই সকলে শিশু শ্ৰমিকক নিয়োজিত কৰোঁ। আমি যি সকলে ভাৱো যে আমি সকলো ফালৰ পৰা জ্ঞান সমৃদ্ধ আমি বহু কথা জানো, কিন্তু আমাৰ সকলো জনাশুনা মানুহে শিশু শ্ৰমিক ৰাখে। কিন্তু মুখ্যত বিষয় হৈছে যে শিশু শ্ৰমিক ৰখা যিসকল ব্যক্তি তেওঁলোকৰ ওপৰত আমি কেনেকৈ পদক্ষেপ গ্ৰহণ কৰিব পাৰোঁ এইটো ডাঙৰ কথা। আজিৰ সমাজত এনেকুৱা পৰিয়াল আছে যিয়ে হয়তো নিজৰ পৰিয়ালটোক পোহ পাল দিব নোৱাৰে। বহু এনেকুৱা জাতি আছে বা জনগোষ্ঠী আছে বা কোনোবা ব্যক্তি আছে যে নিজৰ পৰিয়ালটোক পোহপাল দিব নোৱাৰি নিজৰ শিশুটোও গৈ কৰবাত কাম কৰতো তেওঁলোকে কামনা কৰে বা তাত গৈ বাধ্য হৈ কাম কৰে। কিন্তু যেতিয়া কাম কৰোৱাও মই যিগৰাকী ব্যাক্তিয়ে সেই শিশু গৰাকীক লৈ কাম কৰোৱাৰ মোৰ দুটাই উদ্দেশ্য থাকিব। এই উদ্দেশ্য হৈছে যে মই কম দামত এগৰাকী শ্ৰমিক পাইছো আৰু দ্বিতীয় কথাটো হৈছে তেওঁৰ জৰিয়তে মই সহজতে যিকোনো কামত তেওঁক ব্যৱহাৰ কৰিব পাৰো।

আজি যদি আপুনি domestic worker চায়, অসমতে বিভিন্ন ডাঙৰ ডাঙৰ মানুহৰ ঘৰত আপুনি চাব, তেওঁলোকৰ ঘৰত শিশু শ্ৰমিক আছে। কিন্তু তাৰ ওপৰত আমাৰ দৃষ্টিভঙ্গী কি ? আমি কি কৰিব পাৰো ? সেয়েহে মই আজি বিধানসভাত মাননীয় সভাপতি ডাঙৰীয়াৰ জৰিয়তে এটা অনুৰোধ জনাব বিচাৰিছো যে, বিধানসভাতে এটা পদক্ষেপ গ্ৰহণ কৰিব পাৰো। আমি ভাবিছো বিভাগৰ ফালৰ পৰা আমি কিছুমান পদক্ষেপ কৰিব লাগে। আমি Task Force গঠন কৰিব লাগে। প্ৰত্যেকটো উপায়ুক্তৰ under ত এটাTask Force বনোৱা হৈছে। Task Force ত আমি এটা welfare society বনাইছো। সেই society ৰ জৰিয়তে আমি টকা দিম। Govt. of India ৰ Direction আৰু আমিও মিলি প্ৰত্যেকজন উপায়ুক্তৰ অফিচত এগৰাকী Nodal Officer, ADC এগৰাকীক দায়িত্ব দিয়া হৈছে যাতে শিশু শ্ৰমিক সকলৰ কাৰণে তেওঁলোকে পদক্ষেপ গ্ৰহন কৰিব পাৰে। তাত rescue কৰিব পাৰে আৰু তেওঁলোকৰ কাৰণে এটা Fund ৰো ব্যৱস্থা কৰা হৈছে। তাৰোপৰিও আমি awareness ৰ কাৰণেও ব্যৱস্থা গ্ৰহন কৰিছো। 12 June তাৰিখে যিহেতু বিশ্ব শিশু শ্ৰমিক দিৱস ,সেইদিনা আমি এসপ্তাহ যোৰা কাৰ্য্যসূচী লৈছো আৰু awareness ৰ কাৰণে UNICEF ৰ লগত আমি বিভিন্ন কাম কৰিছো। এইখিনি জানো পৰ্য্যাপ্ত হৈছে? এইখিনিতো পৰ্য্যাপ্ত হোৱা নাই। এতিয়াও শিশু শ্ৰমিক আছে। এইকাৰণে মই আপোনালোক সকলোকে অনুৰোধ জনাব বিচাৰো যে আমি এনেকুৱা পদক্ষেপ গ্ৰহন কৰিব পাৰো নেকি যে, আমি সকলো বিধায়কসকলে যেতিয়া আমি নিৰ্ব্বাচনত অৱতীৰ্ণ হ'ব যাওঁ আমি নিজৰ property ৰ declaration দিওঁ। আমাৰ সেই declaration ত থাকিব পাৰে নেকি যে, আমি আমাৰ নিজৰ ঘৰত শিশু শ্ৰমিক নলগাওঁ বুলি। সেয়া মই undertaking দিব পাৰো নেকি ?যিমান চৰকাৰী বিষয়া আছে, সকলো চৰকাৰী বিষয়াই undertaking দিব যে মই মোৰ ঘৰত শিশু শ্ৰমিক লগোৱা নাই। সেইটো ব্যৱস্থা আমি কৰিব পাৰো নেকি ? যিমান Businessman আছে বা যিমান Contractor আছে , সকলোৰে Undertaking দিব নেকি যে মই কোনো শিশু শ্ৰমিক ব্যৱহাৰ কৰা নাই বুলি। যিমান resister কৰা দোকান আছে, প্ৰতিখন দোকানৰ মালিকে এইটো undertaking দিব পাৰিব নেকি যে, তেওঁলোকৰ দোকানত কোনো শিশু শ্ৰমিক ব্যৱহাৰ নকৰে বুলি। Renewalৰ ক্ষেত্ৰত হওঁক বা registration ৰ ক্ষেত্ৰত হওঁক , আমি সেই undertaking তেওঁলোকৰ পৰা ল'ব পাৰো নেকি ? আমি সেই undertaking যদি সকলোৰে পৰা লওঁ, যিমান চৰকাৰী চাকৰিয়াল যি পৰ্য্যায়তে নাথাকক কিয়, যদি প্ৰত্যেকেই undertaking দিয়ে, তেতিয়াই সেই সদিচ্ছাটো প্ৰকাশ পাব যে, হয়, শিশু শ্ৰমিকৰ ওপৰত আমি serious. আপুনি Airport ত যদি যায়, তাতো শিশু শ্ৰমিক দেখিব। Airport ত কোন মানুহ যায় ? শিক্ষিত মানুহেহে যায়। তেওঁ নাজানে নেকি তাত আইন ব্যৱস্থা আছেনে নাই ? তেওঁৰ ঘৰতেই কেচুৱা ৰাখিবলৈ শিশু শ্ৰমিক ৰাখিছে। দুখীয়া মানুহেতো শিশু শ্ৰমিক ৰাখিব নোৱাৰে। সকলো ডাঙৰ ডাঙৰ মা নুহে শিশু শ্ৰমিক ৰাখে। ইয়াৰ বিৰুদ্ধে আমাৰ ব্যৱস্থাটো কি ? সদিচ্ছাটো আমি দেখুৱাব পাৰিছো নে নাই সেইটো সকলোতকৈ ডাঙৰ কথা। সেইকাৰণে এই regulation বা এই ব্যৱস্থাটো আনিব লাগে। তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো মই অনুৰোধ জনাম আৰু বিধানসভাৰো সকলোৰে মিলি এটা resolution লব লাগে যে আমাৰ চৰকাৰৰ under ত যিমান বিষয়া কৰ্মচাৰী বা যিমান দোকান পোহাৰ যি আছে সকলোৰে undertaking দিব লাগে যে তেওঁলোকৰ তাত শিশু শ্ৰমিক নাই। সেই undertaking ৰ পৰা আমি বুজিব পাৰিম যে ইয়াত শিশু শ্ৰমিক নাই

আৰু কোনোৱাই যদি শিশু শ্ৰমিক ব্যৱহাৰ কৰে তেতিয়াহলে আমি যাতে তেওঁৰ ওপৰত কঠোৰতকৈও কঠোৰ ব্যৱস্থা ল'ব পাৰো। ইয়াত ৬ মাহৰ পৰা ২ বছৰলৈ জেলৰ ব্যৱস্থা আছে, তেওঁলোকক Penalty দিয়াৰ ব্যৱস্থা আছে কিন্তু মানুহে এইবিলাক গুৰুত্ব নিদিয়ে। আজি গুৱাহাটীতে যদি আমি চাওঁ Labour Deptt.ৰ ফালৰ পৰা কেইজনমান মানুহ raid মাৰিবলৈ মানুহৰ ঘৰত গৈছিলে। যেতিয়া শিশু শ্ৰমিক আমি ধৰি আনো , তাৰ পাছত আমি প্ৰমান কৰিব লাগে তেওঁ ১৮ বছৰৰ তলৰ নে ওপৰৰ। বয়স প্ৰমান কৰিব লাগে আমি। তাৰ পাছত তেওঁলোকক rescue কৰিব লাগে, rescue কৰি তেওঁলোকক rehabitation কৰাব লাগে। Social wealfare Deptt.য়ে এইটো কৰে। গতিকে এইটো এটা lengthy process. সেইকাৰণে আমি যদি undertaking লওঁ , ফ্লেটবিলাকৰ পৰাও, যে, তাত কোনো শিশু শ্ৰমিক নাই বুলি, তেনেকুৱা যদি আমি ব্যৱস্থা কৰিব পাৰো আৰু আমি strick কৰিব পাৰো সেইকাৰণে মই সন্মানীয় বিধায়ক সকলক অনুৰোধ জনাম। আমাৰ Labour Deptt. ৰ ফালৰ পৰা আমি এইটো ব্যৱস্থা কৰিছো। আপোনালোকেও নিজৰ নিজৰ জিলাৰ পৰা সকলোৰে পৰা undertaking লওক আৰু আমি বিধায়ক সকলেও নিজে undertaking দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি প্ৰথমতে নিজক প্ৰমান কৰিব লাগিব আমাৰ শিশু শ্ৰমিক নাই। তেতিয়াহলে মই ভাৱো এই শিশু শ্ৰমিকৰ যিটো সমস্যা সেইটো সমাধান হোৱাৰ সামাজিক দায়বদ্ধতাটো বাঢ়িব। তেতিয়া অন্ততঃ ভৱিষ্যত দিনত শিশু শ্ৰমিক নাথাকিব। Labour Deptt. ৰ ফালৰ পৰাও এতিয়াৰ পৰা যিমান renewal বা registration হ'ব, আমি এইবাৰ ব্যৱস্থা কৰিম যে, তেওঁলোকে আমাক undertaking দিব লাগিব যে তেওঁলোক শিশু শ্ৰমিক ব্যৱহাৰ কৰা নাই। আমি অন্যান্য বিভাগ সমূহলৈ চিঠি লিখিম যে, আপোনালোকেও এইটোৰ ওপৰত undertaking লব লাগিব আৰু মই ভাৱো বিধায়ক সকলেও নিজেও কেনেদৰে পদক্ষেপ লয় তাৰ যাতে সিদ্ধান্ত লয় আৰু চৰকাৰী বিষয়া সক লৰ ক্ষেত্ৰতো যদি এইটো mandatory কৰে, মই ভাৱো আমাৰ কাৰণে খুউব ভাল হ'ব। মই আশা কৰিম যাতে গুৰুজ্যোতি দাস ডাঙৰীয়াই আজি যি বিষয় উত্থাপন কৰিছে , তাৰ কাৰণে ভৱিষ্যৎ দিনত আমি সকলোৱে মিলি এটা পদক্ষেপ গ্ৰহন কৰিব পাৰিম। তেতিয়া অসমৰ প্ৰতিও মানুহৰ দৃষ্টিভঙ্গী সলনি হ'ব আৰু আমি অসমৰ পৰা শিশু শ্ৰমিক নাইকীয়া কৰিব পাৰিম। আমি পৰ্য্যায়ক্ৰমে এখন এখন জিলাত যদি সকলো উপায়ুক্তক এটা declaration কৰিব পাৰো নেকি বা বিধান সভাতো আমি declaration কৰিব পাৰো নেকি যে, আমাৰ ইয়াত শিশু শ্ৰমিক নাই। যেনেকৈ ODF আমি declare কৰিব পাৰো, তেনেকৈ declare কৰি দিব পাৰো নেকি যে, আমাৰ এইখন জিলাত শিশু শ্ৰমিক নাই। আমি District Devlopment ৰ বিভিন্ন সভা সমিতি সমূহ কৰো। এই সভা সমিতি সমূহতো এই বিষয়টোৰে গুৰুত্ব পাব লাগে আৰু তাত সিদ্ধান্ত গ্ৰহন কৰিলে মই ভাৱো সকলো জিলাত আমি শিশু শ্ৰমিক নাইকীয়া কৰিব পাৰিম। আমাৰ চৰকাৰৰ ফালৰ পৰা আমি যিখিনি কৰিবলগীয়া আছে সেইখিনি আমি সকলো কৰিছো। আমি আশা কৰিম আপোনালোকে এই ক্ষেত্ৰত অলপ awareness বৃদ্ধি কৰিব আৰু শিশু শ্ৰমিক অসমৰ পৰা সম্পূৰ্ণ নিৰ্মূল কৰাত আমাক সহায় কৰিব। SDG ত এইটো যিহেতু আমি এটা goal হিচাপে লৈছো আমি যাতে এইটো আগতীয়াকৈ লবলৈ সক্ষম হওঁ। আপোনাক ধন্যবাদ জনাই এইখিনিকে কৈ মই সামৰিছো।

**সভাপতি ঃ** ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** সভাপতি মহোদয়, মই এটা পৰামৰ্শ দিব বিচাৰিছো। শিশু শ্ৰমিক

দিনে- দিনে বৃদ্ধি পাইছে আৰু তেওঁলোকৰ ওপৰত শাৰিৰিক বা মানসিক নিৰ্যাতিন চলিয়েই আছে। এই সম্পৰ্কত জিলা ভিত্তিক কিবা কমিটি কৰিব পৰা যায় নেকি?

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় সভাপতি মহোদয়, ইতিমধ্যে জিলাভিত্তিক এটা কমিটি গঠন কৰা হৈছে। জিলা উপায়ুক্তৰ নেতৃত্বত এখন Task Force গঠন কৰা হৈছে। প্ৰতিটো জিলা উপায়ুক্তৰ এগৰাকী ADC ক Nodal Officer হিচাপে দায়িত্ব দিয়া হৈছে আৰু সেই সমিতিখনৰ সভা তাত হয়েই। সেইকাৰণে আপোনালোকক অনুৰোধ জনাইছো যেতিয়া Development ৰ বিষয়ে বিভিন্ন আলোচনা হয়, তেতিয়া শিশু শ্ৰমিকৰ বিষয়টো আপোনালোকে জিলা উপায়ুক্তৰ লগত আলোচনা কৰিব । আপোনালোৰে চেষ্টা কৰিব যাতে প্ৰত্যেকৰে নিজৰ নিজৰ সমষ্টি কেইখন যাতে শিশু শ্ৰমিক নাই বুলি declare কৰিব পাৰে।

**মাননীয় সভাপতি ঃ** ধন্যবাদ। এতিয়া আমাৰ নিয়ামাৱলী ৩০১, Special Mention ৰ অধীনত মই মাননীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদক তেখেতৰ কথা উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** মাননীয় সভাপতি মহোদয়, ৩০১ ৰ জৰিয়তে মই সদনৰ কিছু দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনত থকা দক্ষিণ কামৰূপৰ পলাশবাৰী, ছয়গাওঁ বকো সমষ্টিত চলি থকা বালিৰ চিণ্ডিকেট চক্ৰই বালিমহলৰ আবন্টনৰ ক্ষেত্ৰত হোৱা ব্যাপক খেলি মেলিৰ বাবে চৰকাৰী ৰাজহ লোকচান হৈছে।

সভাপতি মহোদয়, এই বাজেট অধিবেশনৰ যোৱা ভালে কেইটা দিনত এই বিষয়ে মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। মোৰ অতি শ্ৰদ্ধাৰ বন মন্ত্ৰী মহোদয়াই এই ক্ষেত্ৰত মোক যথাযথ উত্তৰ দিছিল। সভাপতি মহোদয়, মই এই ক্ষেত্ৰত আৰু কেইটামান কথা সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিগত সময়ছোৱাত সদনত আলোচনা কৰাৰ পিছত বন বিভাগ আৰু গৃহ বিভাগৰ যৌথ উদ্যোগত যি কেইটা নাম মই বিধান সভাত উল্লেখ কৰিছিলো, তাৰ ভিতৰত কেইটামান নাম উল্লেখ কৰা নহ'ল। সেই নাম সমূহৰ ভিতৰত ছিণ্ডিকেট মহলৰ লগত জড়িত অন্যতম নাম এটা আছিল শ্ৰী বিশ্বজিত দাস । এই ব্যক্তি জনৰ ঘৰত ইতিমধ্যে ছয়গাঁও আৰু কামৰূপ পুলিচে raid কৰিছে আৰু তেওঁৰ ঘৰত লক্ষাধিক টকা আৰু অসংযত নথি-পত্ৰ পোৱা গৈছিল। শেষত তেওঁৰ ওপৰত ছয়গাওঁ আৰু কামৰূপ পুলিচে ২২ পৃষ্ঠাৰ seizure list বনাব লগীয়া হৈছিল। সভাপতি মহোদয়, এইখিনিতে প্ৰমাণ হয় যে এই ব্যক্তিজন কিমান দোষী আৰু তেওঁ কিমান দিনৰ পৰা দক্ষিণ কামৰূপত এক অৰাজকতাৰ সৃষ্টি কৰি আহিছিল। পুলিচ বিভাগে Hon'ble Court ত আবেদন জনাইছিল যে, further I pray before your Hon'ble Court, the arrested accused person may not enlarge on bail at this stage of investigation. If they enlarge on bail, then they were hampered the process of investigation and also very possibilities of tampering the evidence. সভাপতি মহোদয়, এই বিশ্বজিৎ দাসৰ বিৰুদ্ধে থকা Police ৰ document খিনি মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়াক দিব বিচাৰিছো। এই বিশ্বজিৎ দাস নামৰ ব্যক্তি জনেই হ'ল- বেছিমাৰী মহলৰ মালিক, বৈমাৰী মহলৰ মহলদাৰ, দুধনৈ মহলৰ মহলদাৰ আৰু একচনীয়া শিলৰ মহলদাৰ । এই ব্যক্তি জনৰ ক্ষেত্ৰত মই এটা clarification দিবলৈ আছে। যোৱা সময়ত কথোপকথনত মই এটা ভুল কৰিছিলো যে প্ৰফেচাৰ অনুপমা বাইদেউৰ পুত্ৰ দেৱ কিশোৰ ডেকাৰ হত্যাৰ লগত আচলতে অ.গ.প. দলৰ নেতা লোহিত ঠাকুৰীয়াৰ পুত্ৰ চন্দন ঠাকুৰীয়াহে জড়িত আছিল কিন্তু মই ভুলতে বিশ্বজিৎ দাস বুলিহে কৈছিলো। অজনজাতীয়

ছাত্ৰ-সন্থাৰ এজন সদস্যই এদিন বিশ্বজিৎ দাসৰ গাড়ী ৰখাই তেওঁৰ চালান খন আছে নে নাই বুলি যেতিয়া সুধিছিল, তেতিয়া বিশ্বজিৎ দাসৰ নেতৃত্বত এদল যুৱকে সেই অজনজাতীয় ছাত্ৰ-সন্থাৰ সদস্য জনক মৰিয়াই মৰিয়াই হত্যা কৰি পুখুৰীৰ তলত পুতি থৈ দিছিল আৰু তেওঁৰ মৃতদেহ এবছৰ পিছতহে উদ্ধাৰ হৈছিল। এই বিশ্বজিৎ দাসৰ ইমানেই ক্ষমতা যে তেওঁ সমগ্ৰ দক্ষিণ কামৰূপৰ বালি মহল নিয়ন্ত্ৰণ কৰে, অবৈধ চালানৰ ব্যৱস্থা কৰে।

(ইতিমধ্যে সদনত মাননীয় অধ্যক্ষই নিজৰ আসন গ্ৰহণ কৰে)।

**মাননীয় অধ্যক্ষঃ** শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া, আমাৰ আইনত আছে যে সদনত যি সকল ব্যক্তিৰ নাম লোৱা হয়, তেওঁলোকে ইয়াত আহি defend কৰিব নোৱাৰে। গতিকে আপুনি সেই মানুহ জনৰ নাম বেছিকৈ নক'ব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, মাননীয় সদস্য, (ছয়গাঁও)ঃ** অধ্যক্ষ মহোদয়, পুলিচ বিভাগে ইতিমধ্যে তেওঁলোকৰ নাম ইয়াত উল্লেখ কৰিছে।

**মাননীয় অধ্যক্ষঃ** সেই কাৰণে মই আপোনাক প্ৰথমতে কৈছো যে তেওঁক arrest কৰা কথাটো ঠিকেই আছে কিন্তু বৰকৈ ব্যক্তিগত কথা ক'ব নালাগে। আমাৰ democratic society ৰ এইটো নিয়ম যে, যিহেতুকে ব্যক্তিজনে নিজে আহি একো ক'ব নোৱাৰে গতিকে তেওঁৰ নাম নোকোৱাকৈ আপুনি কথাখিনি কওঁক। প্ৰয়োজন হ'লে মন্ত্ৰী মহোদয়াক আপুনি ব্যক্তিগত ভাৱে লগ কৰি নামটো দিব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, মাননীয় সদস্য, (ছয়গাঁও)ঃ** ঠিক আছে। অধ্যক্ষ মহোদয়, বিশ্বজিৎ দাস, গাজিৰাম দাস, মইনা আলী, মনোজ দাস এই লোকসকল সেই হত্যাকাণ্ডত জড়িত আছিল।

**মাননীয় অধ্যক্ষঃ** তেওঁলোকে জড়িত থকা বুলি পুলিচে report ত দিছে নেকি? আপুনি ব্যক্তি কেইজনৰ নাম উল্লেখ নকৰি তাত কেইবাজনো জড়িত থকা বুলি ক'ব পাৰে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, মাননীয় সদস্য, (ছয়গাঁও)ঃ** হয়। অধ্যক্ষ মহোদয়, মই আপোনাক report টো দি আছো।

**মাননীয় অধ্যক্ষঃ** As per law, মই আপোনাক কৈ আছো যে আপুনি সদনৰ নিয়মৰ মাজেৰে কওঁক। কোনো মানুহৰ যদি নাম আছে মোক দি দিয়ক, মই Minister ক দি দিম কিন্তু সদনত কোনো মানুহৰ নাম নল'ব। গতিকে আপুনি মূল কথালৈ আহি চৰকাৰে এই ক্ষেত্ৰত কি কৰিব লাগিব সেই বিষয়ে কওঁক।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, মাননীয় সদস্য, (ছয়গাঁও)ঃ** অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত দেখা গৈছে যে এটা Nexus চলি আছে। এই Nexus ৰ ক্ষেত্ৰত আৰু বহুতো লোক জড়িত হৈ আছে, গাজীৰাম দাস

**মাননীয় অধ্যক্ষঃ** মই আপোনাক নাম উল্লেখ নকৰিবলৈ বাৰে বাৰে কৈ আছো। আপুনি বোধকৰো এই Nexus টো বন্ধ কৰা আৰু বেয়া কামবোৰ বন্ধ কৰাৰ বাবে বিহীত ব্যৱস্থা লোৱাৰ বিষয়ে ক'ব বিচাৰিছে। গতিকে আপোনাৰ ওচৰত যিখিনি নাম আছে মোক দি দিব, মই মন্ত্ৰী মহোদয়াক দি দিম।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, মাননীয় সদস্য, (ছয়গাঁও)ঃ** অধ্যক্ষ মহোদয়, মই নাম খিনি আৰু তথ্য খিনি আপোনাক দিম।

(মাননীয় অধ্যক্ষৰ ওচৰত তথ্য দাখিল কৰে)।

এই ক্ষেত্ৰত পুলিচ বিভাগে ইতিমধ্যে যিখিনি ব্যৱস্থা লৈছে তাৰ বাবে মই ধন্যবাদ দিছো লগতে

অনুৰোধ কৰিছো এই ক্ষেত্ৰত যাতে আৰু কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। বালি মহল সমূহত যে এক বৃহৎ অৰাজকতাই স্থান পাইছে তাৰ প্ৰমাণ হিচাপে মই এটা মহলৰ উদাহৰণ দিব বিচাৰিছো যে মহল KW Ververi, Kulsi range ত আছে। ইয়াত first bidder আছিল ১২ কোটি টকাৰ কিন্তু allotment দিয়া হৈছিল ২ কোটি ৫৩ লাখ টকাৰে দ্বিতীয় স্থানত থকা দীপক ৰাভাক । আনহাতে, KW Kulsi,Kulsi range ত আছিল ৮ কোটি টকাৰ কিন্তু ৪ কোটি টকাৰে চতুৰ্থ স্থানত থকা ৰামান্য ৰাভাক allotment দিয়া হৈছিল। অধ্যক্ষ মহোদয়, এইখন যুগুত কৰোতে যি কেইজন অফিচাৰ আছিল তেওঁলোকৰ মাজত এখন Table বহিছিল য'ত D.F.O. Shri Mrinal Baruah, Shri Gunodeep Das, Shri Biren Kalita, Shri B. Buragohain আৰু Shri D. Kalita আছিল। এই কাগজখনো মই আপোনাক দিম।

(মাননীয় অধ্যক্ষৰ ওচৰত দাখিল কৰে)।

এই কাগজখনত এটা কথা স্পষ্ট ভাৱে উল্লেখ আছে যে আমাৰ চৰকাৰে ৰাজহ পাবৰ বাবে মহল দিব লাগে। আৰু এই ক্ষেত্ৰত আমাৰ বিভাগৰ কেতিয়াবা হয়তো কিছু অসুবিধা আহি পৰে যে, highest bidder ক মহল দিলে, মহলৰ যিখিনি পইচা হয় সেইখিনি হয়তো চৰকাৰক উঠাই দিব নোৱাৰে যাৰ কাৰণে মহলদাৰক কেতিয়াবা নতুনকৈ rectify কৰিব লগা হয়। কিন্তু, এই মহল আৱণ্টনৰ ক্ষেত্ৰত Department ৰ কিছু Official এ বহুত অনৈতিক আশ্ৰয় লোৱা দেখা যায় গতিকে এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়াৰ দৃষ্টি গোচৰ কৰিব বিছাৰিছো। আমাৰ মাননীয় মন্ত্ৰী মহোদয়া খুউব ভাল মহিলা, মই তেওঁৰ পৰা বহুত শিকিছো। কোনোবা ঠাইত হাড়গিলা মৰিলেও তেওঁ গৈ সেই ঠাইত উপস্থিত হয়। গঁড় মৰিলে তেওঁ ৰাতি কাজিৰঙাতে থাকে। বালি-শিলৰ ছিণ্ডিকেটৰ কথা য'ত আহি পৰিছে, বাইদেউৰে তাতে গৈ থিয় হয়। সেয়েহে বাইদেউক মই যথেষ্ট শ্ৰদ্ধা কৰো। কিন্তু অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেৰে বাইদেউৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো যে এই অফিচবোৰত এটা সাংঘাটিক Nexus আছে আৰু ইয়াৰ লগতে যোৱা কালিৰ ঘটনা এটা ক'ব বিছাৰিছো যে যোৱা কালি ছয়গাঁৱৰ O.C. ভাস্কৰমল্ল পাটোৱাৰীয়ে কাগজ নোহোৱা বালিৰ গাড়ী এখনক ধৰিবলৈ যাওঁতে কুকুৰমৰা নদী পাৰ হোৱাৰ পিছত তেখেতক এখন Scorpio গাড়ীয়ে পিছ লৈছিল। Police Force এ যেতিয়া Scorpio খন আগুৰি ধৰিছিল তেতিয়া Scorpio গাড়ী খন পলাই গৈছিল। এই বালিৰ গাড়ীৰ মানুহে O.C. শ্ৰী ভাস্কৰমল্ল পাটোৱাৰীক মাৰিবলৈ চেষ্টা কৰিছিল আৰু সেই সময়ত যদি বিজয় নগৰৰ আৰক্ষী আহি নাপালেহেঁতেন তেন্তে তেওঁক নিশ্চয় হত্যা কৰা হ'ল হেঁতেন। পিছত এই বালি গাড়ীৰ চালক জনক যেতিয়া আটক কৰা হৈছিল তেতিয়া তেওঁ স্বীকাৰোক্তি দিছিল যে, এই বালিৰ গাড়ীৰ মালিকজনে ছয়গাঁৱৰ O.C. শ্ৰী ভাস্কৰমল্ল পাটোৱাৰীক হত্যা কৰিবলৈ কৈছিল। গতিকে, অধ্যক্ষ মহোদয়, এওঁলোকে যদি এজন O.C. ক হত্যা কৰিবলৈ ওলায় তেন্তে তেওঁলোকে যুৱ-প্ৰজন্মৰ মাজত কিমান ডাঙৰ Nexus গঢ়ি তুলিবলৈ সক্ষম হৈছে। এটা কথা মই আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে, ছয়গাঁও সমষ্টি হ'ল চান্দ সদাগাৰৰ ৰাজ্য। তাত সদাশিৱৰ পুত্ৰী পদ্মাৰ ইতিহাস জড়িত হৈ আছে, চণ্ডিকা বাঘেশ্বৰীৰ ইতিহাস তাত আছে, উকিয়ামৰ সংস্কৃতি তাত আছে কিন্তু এওঁলোকে easy money ৰ বাবে কিছুমান যুৱক তৈয়াৰ কৰিব লৈছে যি সকলে ছয়গাঁৱৰ ঐতিহ্য হানি কৰিবলৈ ওলাইছে। মই আপোনাক এখন চালান দেখুৱাব বিচাৰিছো, যিখন চালানত Guwahati Municipal Corpopration ৰ হয়তো Executive Engineer বা

Junior Engineer এ চহী কৰিছে। কিন্তু Guwahati Municipal Corpopration এ চহী কৰা চালান খন ছয়গাঁৱত কেনেকৈ বিক্ৰী হ'বলৈ পালে? ইয়াৰ কি যুক্তি আছে? অধ্যক্ষ মহোদয়, এই চালানখন মই আপোনাক দি দিম।

**মাননীয় অধ্যক্ষ ঃ-** এই গোটেই বিষয়টোত এটা তদন্ত হোৱা উচিত। ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া, আপুনি আজি এটা খুব sensitive বিষয় উত্থাপন কৰিছে আৰু সেয়েহে আপোনাক ক'বলৈ দিয়া হৈছে। আপুনি গোটেই খিনি তথ্য মন্ত্ৰী মহোদয়াক দিব, তেওঁৰ উত্তৰ শুনাৰ পিছতে মই মোৰ comment দিম। আপুনি চমুকৈ কৈ শেষ কৰক।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, মাননীয় সদস্য, (ছয়গাঁও)ঃ** অধ্যক্ষ মহোদয়, এটা সমষ্টিৰ বিধায়ক হিচাপে মোৰ বহুত কষ্ট হয় আৰু এওঁলোকৰ অত্যাচাৰৰ মোৰ river Dolphin কেইটা বিপদাপন্ন। river Dolphin অসমৰ এটা আপুৰুগীয়া সম্পত্তি। আপুনি comment টো দিছে। আজি তেওঁলোকে তেল পেলাই, মেছিন লগাই এইবিলাক বিপদাপন্ন কৰিছে। আমাৰ ইয়াত পাট্টা লেণ্ড ও আছে। আমাৰ জনজাতীয় ভাইভণী সকলে বোকোচাত কেচুঁৱাটো বান্ধি গোটেই দিন বেলচাত বালি উঠায়। আজি তেওঁলোকো এইসকলৰ অত্যাচাৰৰ সন্মূখীন হ'ব লগা হৈছে। অধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপৰ এটা resource, খুব দুখ লগা কথা দুধগৌৰী বুলি এখন পাহাৰ আছে তাত মোৰ ৰাভা ভাই সকলে গাখীৰ ঢালি পূজা কৰে। আগতেও এইটো আবন্টন দিব বিচৰাত বাধা দিয়া হৈছিল। এতিয়া দুটা বিশেষ গোষ্ঠীৰ হৈ সেইটো আবন্টন দিছে। বহুত মানুহ মোৰ ওচৰত আহি কান্দিছে। বনমন্ত্ৰী বাইদেউলৈ মই পঠিয়াইছিলোঁ আৰু বাইদেউয়ে ইয়াৰ ওপৰত action ল'বলৈ কৈছে। ৰাভা হাছঙৰ CEM য়ে মানুহ পঠাই সেইটো বন্ধ কৰিছে। ছয়গাওঁৰ এটা ঐতিহাসিক স্থান, তাত আকৌ বিশ্বজিত দাস বুলি শিল বালি ......

**মাননীয় অধ্যক্ষ ঃ** I have got your point. I look into it.এতিয়া please Minister ক reply টো কৰিব দিয়ক।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছোঁ। বনমন্ত্ৰী বাইদেউকো জনাইছোঁ। বাইদেউ বহুবাৰ তালৈ গৈছে। বাইদেউৰে য'ত complain পাইছে, গছ কাটিছে, গতিকে এই ক্ষেত্ৰত কঠোৰ ভাৱে ব্যৱস্থা কৰিব লাগিব। এক special enquiry হ'ব লাগিব আৰু মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে বনমন্ত্ৰী বাইদেউক মই অনুৰোধ জনাইছো এই গোটেই দক্ষিণ কামৰূপৰ যি resource আছে, ৰাস্তা বিলাক মই ৯ ৰ পৰা ১৪ কোটি টকাৰে বনাইছোঁ। বনালে কি হ'ব হাজাৰ হাজাৰ ট্ৰাক গৈ ৰাস্তা ভাঙি দিয়ে। তাৰ পিছত MLA বিলাকক মানুহে ঘেৰাও কৰে। office ত কোন official জড়িত আছে, কোনে সহায় কৰে এইবিলাকৰ enquiry হ'ব লাগে আৰু ইয়াৰ action লব লাগে। আমাৰ revenue collection হ'ব লাগে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই এক শক্তিশালী নেতৃত্ব দিবলৈ বিচাৰিছে। zero tolerance ৰ কথা ক'বলৈ বিচাৰিছে। এই ক্ষেত্ৰত যাতে কঠোৰ ব্যৱস্থা লোৱা হয়। আপুনি যিহেতু transparent মানুহ আৰু ন্যায়ত মাত দিয়ে গতিকে এই ক্ষেত্ৰত মই Parliamentary Affairs Minister ক অনুৰোধ জনাম যি যি কেচ লুকোৱা হৈছে, কৰবাত manipulate কৰা হৈছে সকলো বিলাক check কৰিব লাগে আৰু ইয়াত কঠোৰ ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Thank you. We all are with you. বেয়া কাম কৰিলে বাধা দিবলৈ আমিও আপোনাৰ লগত আছোঁ। মই অকল কৈছোঁ যে কিছুমান নীতি নিয়মৰ মাজেৰে আমি কথা

বিলাক ক'ব লাগে। মন্ত্ৰী ডাঙৰীয়াণী যিমান পাৰে brief কৈ উত্তৰ খিনি দিব। তেখেতে কথা কিছুমান কৈছে। মইও কাগজখিনি পিছত আপোনাক দিম।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই যিটো বিষয় আজি পবিত্ৰ সদনত উৎথাপন কৰিছে তেখেতৰ statement মতে পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনত থকা দক্ষিণ কামৰূপৰ পলাশবাৰী, ছয়গাওঁ, বকো সমষ্টিত চলি থকা বালি চিণ্ডিকেট চক্ৰটোৱে বালি মহলৰ আবন্টনৰ ক্ষেত্ৰত কৰা ব্যাপক খেলিমেলিৰ বাবে চৰকাৰী ৰাজহৰ লোকচান হৈছে। মাননীয় অধ্যক্ষ মহোদয়, তেখেতে ইয়াৰ লগতে কিছুমান nexus ৰ কথাও কৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই nexus আজিৰ নহয়। এইটো বহুত পুৰণি। তেখেতে গম পায়। যিহেতু তেখেতৰ সমষ্টিতে এইবিলাক চলি থাকে আৰু তেখেতে যিসকল ব্যক্তিৰ কথা কৈছে, সেইটো অৱশ্যে মোৰ দৃষ্টিগোচৰ হোৱা নাছিল। যদি এনেকুৱা ধৰণৰ হৈছে তেওঁলোকৰ ওপৰত আইনী ব্যৱস্থা লোৱা হ'ব। কিন্তু তেখেতে যিটো কথা কৈছে যে চৰকাৰী ৰাজহ লোকচান হৈছে আৰু অনিয়ম তাত হৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, তাত আমাৰ ছয়টা বালিৰ মহল আছে। যিটো AMC rule 2013 এই নিয়মৰ অধীনত সকলো মহলদাৰকে কামৰ allotment দিয়া হয়। তেখেতে কৈছে যে যি highest price ত আবন্টন দিয়া হৈছে তেখেতেক দিয়া নাই। কিন্তু excessiveবালি যিমানখিনি বালি মহলতআছে তাত যদি সিমানখিনি available নাথাকে তাত সিমানখিনি ৰেটত বালি দিলে ৰাইজ যথেষ্ট ক্ষতিৰ সন্মুখীন হয়। সেইকাৰণে সেই দিশ বিলাক চালি জাৰি চাই কেনেকৈ allotment কৰিলে ভাল হয়, সেইটো ব্যৱস্থা কৰা হয় আৰু তাত যিহেতু কমিটি বনোৱা হয়, DFO অকলে তাৰ অধিকাৰী নহয়। আমাৰ higher officer ও তাত আছে। তেওঁলোকৰ লগত বহি Sub-committee বনোৱা হৈছে আৰু সেই কমিটিৰ যোগেদি পৰীক্ষা নিৰীক্ষা কৰা হৈছে। আকৌ তেওঁলোকে যাক যাক allotment দিবৰ বাবে পঠিয়াই দিয়ে তাৰ ওপৰত আকৌ higher level ত PCCF level ত সেইটো পৰীক্ষা নিৰীক্ষা কৰা হয়। Finaly PCCF level ত মহলদাৰ সকলক allotment কৰা হয়। গতিকে মই ভাৱো যে allotment কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ understanding কৰা হোৱা নাই। নিয়মৰ অধীনত মহলদাৰ সকলক allotment দিয়া হৈছে আৰু ২০১৩-১৪ চনৰ পৰা কিছুমান মহলদাৰক তাত allotment দিয়া হৈছে। বাকী কেইটামানক আমাৰ চৰকাৰৰ দিনত allotment দিয়া হৈছে। যিহেতু কোনো ধৰণৰ খেলিমেলি কৰিবলৈ আমি তেওঁলোকক সাহস দিয়া নাই। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছোঁ যে ৰাজহ ক্ষতি হোৱাৰ ক্ষেত্ৰত মই ক'ব লাগিব এই যিবিলাক মহল সেই মহলৰ পৰা কামৰূপ পশ্চিম সংমণ্ডলৰ অধীনত যিবিলাক বালিৰ মহল আছে তাৰ পৰা আমি কিমান পইচা পালোঁ, ৰাজহ হিচাপে কিমান পইচা পালোঁ, এইটো মই পঢ়ি দিব লাগিব। ২০১৩-১৪ চনত আমি পাইছো ২৪ লাখ ৭ হাজাৰ ১৩৩ টকা, তাৰ পিছত ২০১৪-১৫ চনত আমাৰ চৰকাৰে পাইছে ২৭ লাখ ১০ হাজাৰ ৪৭৫ টকা। ২০১৫-১৬ ত আমাৰ চৰকাৰে পাইছে বিগত চৰকাৰৰ দিনত ১ কোটি ৭৫ লাখ ৯৩ হাজাৰ ৯৪৫ টকা। তাৰপিছত আমাৰ চৰকাৰ আহিল। ২০১৬-১৭ চনত আমি পাইছো ৫ কোটি ৯৫ লাখ ৯১ হাজাৰ ৮১ টকা। ২০১৭-১৮ ত আমি পালো ৮ কোটি ২৭ লাখ ১৪ হাজাৰ ৮১৪ টকা। মাননীয় অধ্যক্ষ মহোদয়, অকল কুলছীতে ২০১৩-১৪ ত আগৰ চৰকাৰৰ দিনত collection কৰিছে মাত্ৰ ৭ লাখ ৫০ হাজাৰ টকা। ২০১৪-১৫ ত collection কৰিছে মাত্ৰ ৮০ লাখ টকা। ২০১৫-১৬ ত collection কৰিছে ৭৫ লাখ টকা।

আমাৰ চৰকাৰ অহাৰ পিছত আমি collection কৰিলোঁ এই কুলছীৰ পৰা ২ কোটি ৭৫ লাখ টকা। এতিয়া যোৱা বছৰ আমি collection কৰিলো ৫ কোটি। মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ ক্ষতি হোৱা বুলি ক'লে আমি নিশ্চয় এই পবিত্ৰ সদনত যিহেতু এই কথাবিলাক কৈছে। মই জনাই দিব লাগিব। সেইকাৰণে মই জনাই দিছোঁ মাননীয় অধ্যক্ষ মহোদয়, যে ৰাজহ ক্ষতি হোৱাৰ কাম আমি কৰিবলৈ নিদিওঁ। হয় কিছুমান চলি আছে, সেইটো আপুনিও জানে মইও জানো। সিদিনা আপুনি আমাৰ এই পবিত্ৰ সদনত প্ৰশ্ন আকাৰে আনিছিল মই তেতিয়াও কৈছোঁ যে তাত কিছুমান দুখীয়া মানুহ আছে, যিসকলৰ কোনো ধৰণৰ source নাই জীয়াই থাকিবৰ কাৰণে। তেওঁলোকে এপাচি, দুপাচি আনি তেওঁলোকৰ ঘৰৰ সন্মূখত ৰাখে। কোনোবাৰ যদি প্ৰয়োজন হয় তেওঁলোকে তাৰ পৰা লৈ যায়। কিন্তু দুনীৰ্তি নহয় বুলি মই ক'ব বিচাৰোঁ। বাচি থাকিবৰ কাৰণে কিছুমান কাম তেওঁলোকে কৰে আৰু ইয়াৰ উপৰিও কিছুমান উন্নয়ন মূলক যেনে- PWD ৰ কামৰ কাৰণে যিখিনি লাগে সেইটো আমি মোন হিচাবে আমি allotment দিওঁ। তাৰ ওপৰঞ্চি কিছুমান কামৰ কাৰণে DRDA ৰ কাৰণে, IAY ৰ ঘৰ বনাব লাগে বা বিভিন্ন কাৰণত ব্যৱহাৰৰ কাৰণে বালি লাগে। তাৰ কাৰণে আমি Government permit দিছো। সেই permitৰ যোগেদি আমি আকৌ এই বছৰ collection কৰিছোঁ ১ কোটি. এইবছৰ আমি কালেক্টশ্যন কৰিছো, ৯৮ লাখ ১ হাজাৰ ৪০০শ ৫৯ টকা। অকল পাৰমিটৰ পৰা । যিটো সৰু সৰু ঘৰ বনাবৰ কাৰণে গুৱাহাটী লৈ বালি কুকুৰমৰা কুলচীৰ পৰা আহে। গুৱাহাটীৰ কামবোৰ চলি যায়। কোম্পেনীবিলাকে ঘৰ কৰে। তাৰ কাৰণে আমি পাৰমিট দিবলৈ বাধ্য হৈছো। কাৰণ মহলৰ পৰা যিবিলাক বালি, এই বালিটো ডিপাৰ্টমেণ্টে ডিভলপমেণ্টৰ কাৰণে লৈ যায়। সেই গতিকে ইয়াৰ extra গুৱাহাটী চহৰৰ যিখিনি কাম হয়, তাৰ কাৰণে extra ভাৱে পাৰমিট দিয়া হয়। সেইপাৰমিটৰ পৰাও আমি এইখিনি পইচা কালেক্টশ্যন কৰিছো। Total মিলি যোৱা বছৰ ৯ কোটি ৯৪ লাখ টকা। আগত, য'ত পাচ লাখ টকা কালেক্টশ্যন কৰিছিলে ৮০ লাখ কৰিছিল, ৭৫ লাখ কৰিছিল তাৰ পাছৰ বছৰত আমি ২ কোটি ৭৫ লাখ কালেক্টশ্যন কৰিলো। কেনেকৈ আপুনি কব পাৰে যে, ৰাজহ লোকচান হৈছে, ৰাজহ লোকচান হ'বলৈ আমি নিদিও। আমাৰ চৰকাৰৰ লোকচান নহওঁক।

**মাননীয় অধ্যক্ষ ঃ** Please. This is 301. You should go to the Rule. Don't say like this. I am allowing you. It is not a debate.

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি অলপ চলপ কৰিব বিচাৰে তাৰ কাৰণে আমি ব্যৱস্থা লৈছো। তহলদাৰী আছে। তহলদাৰী বিলাকৰ যোগেদি যিবিলাকে চোৰ কৰিব বিচাৰে, চুৰি কৰি লৈ যাব বিচাৰিছে, তেওঁলোকৰ গাড়ী আমি seize কৰিছো। ২০১৬ চনত মাত্ৰ ৩৬খন গাড়ীয়ে seize কৰিছে। কিন্তু আমাৰ দিনত ২০১৬-১৭ seize কৰিলো ১৭৫ খন গাড়ী আৰু offence লগাই আমি কালেক্টশ্যন কৰিছো ইয়াতো বহুত পইচা। ২০১৭-১৮ ত আমি গাড়ী seize কৰিলো ১২১ খন। তাৰে offence লগাইছো। আমি অহাৰ আগৰ বছৰত ৩৬ টা মাত্ৰত offence. পিছত ১৭৫ টা offence লগালো। তাৰে যোৱা বছৰ ১২১ টা offence লগালো। ইয়াৰ পৰা অনুমান কৰিব পাৰি, যে বিষয়া সকল বহি থকা নাই। আপুনি নিজে কৈছে অ'চি ডাঙৰীয়াক মাৰিবৰ কাৰণে খে্দি গৈছিলে, হয় কিছুমান তেনেকুৱা ধৰণৰ । আগৰ পৰা চলি আছিলে। আমাৰ চৰকাৰৰ দিনত সেইটো যথেষ্ট কমিছে। আমি যথেষ্ট পদক্ষেপ লৈছো। মই ক'ব লাগিব আপুনিও সহায় কৰিছে আৰু ৰাইজে সহায় কৰিছে। পাব্লিকৰ ফালৰ পৰা আমি বহুত মেচেজ পাওঁ আৰু মই লগে লগে বিষয়া সকলক তাত পঠিয়াই দিও আৰু তেওঁলোকে

গৈ সেইবিলাক ধৰা-ধৰি কৰা কামটো কৰি আছে। গতিকে আমাৰ ৰাজহ তেনেকুৱা ধৰণৰ লোকচানৰ সন্মুখীন হোৱা নাই। আমাৰ চৰকাৰে যথেষ্ট পদক্ষেপ লোৱাৰ কাৰণে এইবিলাক ৰাজহ আমি বৃদ্ধি কৰিবৰ কাৰণে সক্ষম হৈছো আৰু আজি অৱশ্যে এইটো মই নকওঁ। ক'ব বিচাৰিছো যে, মই নিজে Pressmeet দি কম। কেনেকুৱা ধৰণৰ ৰেভিনিউ আহি থাকে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতেও আপোনাৰ লগত সহযোগ কৰিছে বুলি কৈছে। This is a good thing. আমাৰ কথাটো হৈছে এইটো সত্য যে, কিছুমান কথা এদিনত নহয়। বহুদিনৰ পৰা হয়তো কিবা কিবি এনেকুৱা হৈছে। গতিকে এই বিলাক কঠোৰ হাতেৰে দমন কৰিলেওঁ তাতো সুৰুঙা থাকে। আপুনি এতিয়া যিটো কথা ক'লে এজন অ' চিক খেদি যোৱাতো আৰু অ' চি মানে তেওঁ Government Dutyতহে গৈছিল। গতিকে কোনোবা দৈস্যু থাকিলে দৈস্যুক দমন কৰিবৰ কাৰণে এটা যৌথ প্ৰচেষ্টা সকলোৰে লাগিব। আপোনাক মই সেই কাৰণে কৈছো,আপুনি দিয়া কাগজখিনি মোক আৰু এখন কাগজ ভালকে দিব So, I can discuss the matter but today I can't মোৰ হাতত নাই। আজি নোৱাৰো মই। আপোনাক দিছো এই কাৰণেই আ পোনাৰ

**মাননীয় অধ্যক্ষ ঃ** কথাটো জটীল কাৰণে কিন্তু আজি লব নোৱাৰো আৰু আছো আমি, সদনত শেষ হৈ নাযায়। এতিয়া শ্ৰী চুম ৰংহাং। যিমান পাৰে চমু কৰিব। সময়ৰ কথা চাইছো।

**শ্ৰী চুম ৰংহাং, ( ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি Rules of Procedure and Conduct of Business, Assam Legislative Assembly. ৰ Rules 301ত মোক বিশেষকৈ সেই সুবিধাটো দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। যে মোৰ কবলগীয়া বিষয়টো হ'ল Mou between the Government of Assam and the Movement Leaders on 1st April 1995. ১৯৯৫ চনৰ ১ এপ্ৰিল তাৰিখেআমাৰ চুক্তি হৈছিল ।আমাৰ Movement Leaders আৰু অসম চৰকাৰৰ মাজত পাহাৰীয়া জিলাখনৰ কাৰণে যি Six Schdule Area. আছে, এই Six Schdule Area.ৰ কাৰণে অভাৱ অভিযোগ সমূহৰ কথাৰ ওপৰত গুৰুত্ব দি আলোচনাৰ অন্তত সিদ্ধান্ত লৈ এই চুক্তিটো কৰা হৈছিল দৰাচলতে এই চুক্তিটো সম্পন্ন হৈছিল Movement Leaders সকলে কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত Six Schdule Areaত Article 244 (A) implementationৰ Constitutionৰ 244 (A) of the Indian Constitution. implementation ৰ ওপৰতে Movement টো কৰা হৈছিল। যাৰ ফলত নেকি পিছলৈ আলোচনাৰ অন্তত অসম চৰকাৰ Movement Leaders, কেন্দ্ৰীয় চৰকাৰৰ উপস্থিতিত এই Mou চুক্তিটো সম্পন্ন হৈছিল। এইটো বিশেষকৈ পাহাৰীয়া জিলাৰ কাৰণে। পাহাৰীয়া জিলা দুখনৰকাৰণে এই চুক্তিটো কৰা হৈছিলে যে এই চুক্তি হোৱাৰ আগে আগে মই কিছুমান কথা কব লাগিব যেআমাৰ কাৰ্বি আংলং জিলা আৰু ডিমা হাচাও জিলা প্ৰথমতে United Mikir and NC Hills District আছিলে। পিছলৈ এইটো কাৰ্বি আংলং আৰু ডিমা হাচাও NC Hills আৰু Mikir Hills এই দুয়োখন জিলা বিভক্ত হ'ল। দুখন সম্পূৰ্ণ পৰ্য্যায়ৰ জিলা হ'ল । তাৰ পাছত আমাৰ এই দুখন জিলাৰ নামাকৰণ ১৪ অক্টোৱৰৰ ১৯৭৪ চনত এইটো কাৰ্বি আংলং জিলা হিচাপে Mikir Hills ৰ ঠাইত কাৰ্বি আংলং জিলা হিচাপে নামাকৰণ কৰা হ'ল। তাৰ পাছত আমাৰ যিটো Special Status যিটো কাৰ্বি আংলং জিলা গঠন হোৱা 1951 ত। ১৯৫২ চনত Autonomous Council গঠন কৰা হৈছিল। তেতিয়াৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিষ্ণুৰাম মেধি ডাঙৰীয়াই আনুস্থানিকভাবে মুকলি কৰিছিল। Six Schdule ৰ provision অনুসৰি আমাৰ District Council ত Legislative,

Executive আৰু Judicial Power ন্যষ্ট কৰি Autonomous Council, District Council আছিল তেতিয়া। কাৰ্বি আংলং District Council এইটো গঠন কৰা হৈছিল। এই Special Status যিটো ভাৰত স্বাধীন হোৱাৰ আগত 1919 ৰ যিখন Act Government of India ৰ Act, 1935 Government of India ৰ Act সেইটোৰ মতে আমাৰ Partially এই Excluded Area যিটো কাৰ্বি আংলং জিলা গঠনৰ সময়ত তেতিয়া নগাওঁ জিলা, শিৱসাগৰ জিলা অবিভক্ত শিৱসাগৰ জিলা আৰু খাচী জয়ন্তী Hills Block 1 and Block 2 আৰু লগতে Cachar Hills Sub-Division, North Cachar Hills Sub-Division ত। এই গোটেই কেইখন জিলা সামৰি লৈ আমাৰ কাৰ্বি আংলং জিলা আৰু উত্তৰ কাছাৰ জিলাটো গঠন কৰা হৈছিল। সেই Status টো তেতিয়া বৃটিছৰ সময়ত বেকৰাৰ্ড ট্ৰেক হিচাপে চিহ্নিত কৰা হৈছিল আৰু এইটো Special Status দি তেওঁলোকে Administration টো চলাইছিল। এই গোটেইখিনিৰ পিছত Six Schdule 1950 ত যিটো Constitution তৈয়াৰ কৰা হৈছিল তে তিয়া তাত সন্নিবিষ্ট কৰি আমাৰ এই ক্ষমতাবিলাক অৰ্পণ কৰা হৈছিল, য'ত নেকি Autonomous Council ত Legislative Power, Executive Power আৰু Judicial Power টো দিয়া হৈছিল। কিন্তু কালক্ৰমত এই অভাৱ অভিযোগবিলাক District Council ৰ চৰকাৰে আৰু অসম চৰকাৰৰ বিভিন্নতাৰ কাৰণে আমাৰ বহুত অভাৱ অভিযোগ বিলাক ৰৈ গৈছিল। এই পঞ্জীভূত অভাৱ অভিযোগ বোৰক লৈ যেতিয়া আমাৰ দাবী, যিহেতু সংবিধান প্ৰদত্ত সুবিধা এটা আছে Article 244(A). ত কিজানি স্বায়ত্ব শাসিত ৰাজ্যপালে আমি অধীক উন্নতিৰ পথত আগুৱাই যাব পাৰিম। এই চিন্তা কৰিয়েই খুৱ সম্ভৱ তেতিয়া কাৰ্বি আংলং আৰু ডিমাহাচাও বাকী পাহাৰীয়া জিলাৰ ৰাইজে এই দাবীটো উত্থাপন কৰিছিল আৰু এই দাবীৰ সন্দৰ্ভতে অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰৰ উপস্থিতিত Movement Leaders ৰ সৈতে এই Mou চুক্তিটো সম্পন্ন হৈছে। য'ত নেকি বিভিন্ন Salient features ৰ কথাটোলৈ মই নাযাও, কিন্তু তাত কিছুমান More Autonomy দিয়াৰ কথাটো উল্লেখ কৰা আছে। 30 more department দিয়াৰ কথাটো তেওঁলোকে অৰ্ন্তভুক্ত কৰিছে। Vide Notification HAD 57/95/63/64, Dated 29/6/1995, entrusted 30 more departments to Karbi Anglong District Council those are সেই খিনি মই পঢ়ি দিছো Industry, Animal Husbandry & Veterinary, Forest, Agriculture, PDW, Sericulture, Education, Primary Education upto level of Higher Secondary Education, Adult Education, Cultural Affairs, Soil Conservation, Cooperation, Fisheries, Panchayat and Rural Development including DRPI, Handloom and Textile, Health & Family Welfare, Public Health Engineering, Irrigation, Social Welfare, Flood Control, Sports & Youth Welfare, Weight & Measure, Food & Civil Supply, Town & Country Planning, College Education including Library Service, District Museum & Archaeology, 24 Land Reform, Publicity & Public Relation, Printing & Stationary, Tourism, Transport, Excise, Fine & including Self Tax on purchase of goods other than newspapers, Excise, Personal Tax,এইকেইটা department আমাৰ কাৰ্বি

আংলং District Council ক entrust কৰা হৈছিল। তাৰে ভিতৰত ইয়াত যদিও ৩০ টা দিয়া হৈছিল, কিন্তু এতিয়ালৈকে ৪টা department সম্পূৰ্ণ ৰূপে হস্তান্তৰকৰণ হোৱা নাই। সেইবোৰ হ'ল Land Reform, Transport, Exciseআৰু Self Taxএই বিভাগ কেইটা এতিয়া লৈকে আমাৰ Karbi Anglong Autonomous Council লৈ হস্তান্তৰ কৰা হোৱা নাই। চাৰ ১৯৯৫ চনত চুক্তিটো সম্পন্ন কৰা হৈছে। ১৯৯৬ ৰ OM মতে, এই হস্তান্তৰকৰণ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হব লাগিছিল। কিন্তু এতিয়ালৈকে এতিয়া প্ৰায় ২২ বছৰ সম্পূৰ্ণ হব। এই ২২ বছৰলৈকে এই ৪ টা department দিয়াৰ উপৰিও যি ২৬ টা departmentত entrust,কৰা হৈছে, partiallyহে দিয়া হৈছে, যাৰ ফলত আঁচনিৰ কাম-কাজ বিলাক ৰূপায়ণ কৰবলৈ যাওঁতে কিছু খেলি-মেলিৰ সৃষ্টি হৈছে, যাৰ কাৰণে যেনে ধৰণে তাত উন্নয়ণমুলক কাম-কাজ হব লাগিছিল, ঠিক তেনেধৰণে হব পৰা নাই।

**माननীয় অধ্যক্ষ ঃ**- এতিয়া আপুনি সেই কথাটো লৈ মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্নটো কৰিলে ভাল হব। কথাখিনি আপুনি কলে, এতিয়া প্ৰশ্নটো এইটোৱে শুধক যে কেতিয়া কৰিব আৰু কেনেকৈ কৰিব?

**শ্ৰী চোম ৰংহাং, বিধায়ক ঃ**- ইয়াৰ উপৰিও চাৰ মই আৰু এটা কথা কব বিচাৰো,

**মাননীয় অধ্যক্ষ ঃ**- নহয় নহয়। মই আপোনাক কৈছো কালিলৈ । This is 301. 5 মিণিটত মই সকলো কথা কব লাগে বুলি কওঁ তথাপি মই দিছো। আপোনাৰ কথাখিনি মই patiently শুনিছো। বুজিছো। কিন্তু আপুনি যিটো কাৰণে প্ৰশ্নটো আনিছে, সেইটো এতিয়া সোধক।

**শ্ৰী চোম ৰংহাং, বিধায়ক ঃ**- Legislative Power যিখিনি দিয়া হৈছে, সেই Executive Power বা Financial Power ৰ যি কেইটা Rules, Act, আৰু policy আমি ল'ব পাৰো। সেই ক্ষমতা খিনি এতিয়া দিনক দিনে নাইকীয়া হৈ পৰিছে।

**মাননীয় অধ্যক্ষ ঃ**- আপোনাক ট্ৰেন্সফাৰটো total নকৰাৰ কাৰণে আপোনালোকৰ সমস্যা হৈছে। এইটোৱেটো কথা। গতিকে এই বিষয়ত মন্ত্ৰীৰ উত্তৰটো শুনিলে আপোনাৰ সুবিধা হব। এতিয়া discussion ৰ কাৰণে নহয় লাগিলে আকৌ আনিব ইয়াত কোনো নটিচো বেলেগে নাই। তেখেতে কোৱা কথাখিনিৰ ভিত্তি কৰি হে গুৰুত্ব দি আনিছো। Historical গোটেইখিনি কথা আজি আমি ৩০১ ত সুবিধা নাই । লাগিলে আপুনিও বুজিব লাগিব ৰুল বিলাক চাব। আমি তেনেকে কৰিছো। মই আপোনাক নিদিয়াকে থকা নাই । এতিয়া ৭-৮ মিনিট আপোনাক দিছো। মই কৈছো এতিয়া আপুনি মুল প্ৰশ্নটোলৈ আহক। কি কাৰণে আপুনি আনিছে। Because the Government has not given the total indipendance বা total transfer বোধ কৰো তেনেকুৱা কথা এটা আপুনি আলোচনা কৰিব বিচাৰিছে। সেইটো মন্ত্ৰীয়ে কি উত্তৰ দিয়ে তেতিয়াহে কথাটো লাভ হব।

শ্ৰী চোম ৰংহাং, বিধায়ক ঃ- যি ৪টা বিভাগ, সেই কেইটা হৈছে Land Reform, Transport, Excise, Self Tax এই ৪ টা বিভাগ এতিয়ালৈকে হস্তান্তৰকৰণ প্ৰক্ৰিয়াই আৰম্ভ কৰা হোৱা নাই চাৰ। সেই কাৰণে এতিয়া এই বিভাগকেইটা অতি সোনকালে আমাৰ Karbi Anglong Autonomous Council লৈ হস্তান্তৰ কৰিব লাগে। যিটো চুক্তি কৰা হৈছে সেই চুক্তি মতে হস্তান্তৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰিব লাগে। সেই কাৰণে over all status ৰ বিষয়ে মই আমাৰ MOU চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কেনে ধৰণৰ প্ৰক্ৰিয়া চৰকাৰে গ্ৰহণ কৰিছে, আৰু এই পদক্ষেপ অতি সোনকালে কৰিলে ভাল হয়। গতিকে অধ্যক্ষ মহোদয়, এইখিনি কথাৰ উত্তৰ জনাবৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া আপুনি কব। সময়টো চাব। বেছি দীঘল নকৰিব।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয় আমাৰ মাননীয় সদস্য চোম ৰংহাং ডাঙৰীয়াই যি বিষয়টো উত্থাপন কৰিছে, বেছি সময় নলওঁ, অধ্যক্ষ মহোদয়,বিষয়টোত তেওঁ ইতিমধ্যে MOU সম্পৰ্কে কৈছে , ১ এপ্ৰিল ১৯৯৫ ত যি খন MOU হৈছে , এই MOUৰ অধীনত যি ৩০ টা বিভাগ হস্তান্তৰ কৰাৰ কথা কোৱা হৈছে, সেই বিভাগ সমূহ ৪ টা বিভাগ তেওঁলোকক হস্তান্তৰ কৰা হোৱা নাই। সেইটো তথ্য মই ইয়াত পাইছো।

**মাননীয় অধ্যক্ষ ঃ**-বোধ কৰো এইটো কোৱা নাই নেকি? তেখেতে এতিয়া ৪টা বিভাগ immediately বিচাৰিছে। বাকী বিলাক বিভাগ হৈ গৈছে নেকি?

শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ-সকলো বিভাগ দিয়া হৈছে। তেওঁ ৪ টা বিভাগৰ কথা কৈছে। কিন্তু ৪ টা বিভাগৰ কথা কওঁতে তেওঁ যি কেইটা বিভাগৰ নাম ক'লে তাৰে এটা বিভাগ কলে তেওঁ Land Reform কিন্তু আমাৰ ইয়াৰ তথ্য অনুসৰি Land Reform already দিয়া হৈছে। আমাৰ তথ্য অনুসৰি যি ৪টা বিভাগ আছে, তাৰে এটা Printing & Stationary,Transport, Excise and Finance, এই চাৰিটা বিভাগৰ কথা কৈছে। তাৰে যিটো Transport Department সেইটো already দিয়া হৈছে, খালী Control over DTO. DTO control টোহে State Government ৰ পৰা আছে। তাৰোপৰি বাকী Transport Department টো তাত দিয়া হৈছে বুলি আমাৰ ইয়াত তথ্য দিয়া হৈছে। Printing & Stationary বিভাগত যিহেতু পদ নাছিলে আপোনালোকক কিমান পদ ৰ প্ৰয়োজন সেইটো ইতিমধ্যে আমাৰ বিভাগৰ পৰা বিচৰা হৈছে, পদখিনি create কৰি দিব লাগিব, আপোনালোকক তেতিয়া তাত entrust কৰিব পৰা যাব। পদৰ কাৰণে ইতিমধ্যেPrinting & Stationary ত সেইখিনি ব্যৱস্থা কৰা হৈছে। Excise Department ক ইতিমধ্যে চিঠি লিখা হৈছে। Excise Department য়ে আপোনালোকক সেইখিনি দিবৰ কাৰণে তেওঁলোকক যাতে যি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেইখিনিৰ কাৰণে ফেব্ৰুৱাৰী মাহত শেহতীয়াকৈ Excise Department ৰ লগত যোগা-যোগ কৰা হৈছে যাতে আপোনালোকক সেইটো কৰিব পাৰো। Finance Department, সেই বিভাগত এই File টো পঠিওৱা হৈছিল, Finance ৰ যিটো Opinion সেইটো নিশ্চয় আকৌ আপোনালোকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত এই বিষয়ে আলোচনা কৰিবলগীয়া থাকিলে কৰিব। Finance Departmentৰ যিটো Opinion তেওঁলোকৰ Opinion টো মই আপোনালোকক পঢ়ি দিব বিচাৰিছো। Finance taxasion Department examine the proposel transfered and deligation of Department to theKarbi Anglong Autonomous Council and observed that taxation power given to the state by the Constitution of India can not possibility given to the 6th Schedule District and Council without amending the Constitution. The 7th Schedule State list and 6th Schedule it has also be agreed by the Judicial Department. যদি এইটো Finance Department দিয়া হয় তেতিয়া Constitution amendment কৰিব লাগিব। তেওঁলোকৰ সেইটো pinion, তেওঁলোকে সেই কথাটো ইয়াত কৈছে তাৰোপৰি যদি আৰু অন্য বিষয় আনো, তিনিটা বিভাগৰ কোনো বিষয় নাই, Finance Department ৰ এইটো বিষয় আছে। যদি পৰৱৰ্তী পয্যায়ত আৰু এইটো বিষয়ত আপোনালোকে আলোচনা কৰিব বিচাৰে নিশ্চিত

বিষয়টো আলোচনা কৰি বাকীখিনি কাম আপোনালোকে কৰিবৰ কাৰণে আপোনালোকে চেষ্টা কৰিব।

**মাননীয় অধ্যক্ষ ঃ-** Thank you.

**শ্ৰী চোম ৰংহাং, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ ডাঙৰীয়া, Transport Department টো দিয়া হৈছে বুলি কৈছে,Transport Department টো এতিয়ালৈকে দিয়া হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ-** ১ মিনিট। আপুনি প্ৰশ্ন কৰিছে। তেখেতে উত্তৰ দিছে তেখেতে কৈছে আৰু যদি কিবা থাকে we can discuss.

**শ্ৰী চোম ৰংহাং, বিধায়ক ঃ-**কেনা লাগি গৈছে চাৰ।

**মাননীয় অধ্যক্ষ ঃ-** কোনটো কি কওক।

**শ্ৰী চোম ৰংহাং, বিধায়ক ঃ-** ২০০৬ চনৰ পৰা যিটো 90:10 ratio ত MVI tax যিটো collection হয় তাত, এইটো access কৰাৰ পাছত আমি জানিব পাৰিছো যে প্ৰায়২৫ কোটি টকা ২০০৬ ৰ পৰা ২০১৮ লৈকে এই period খিনি এতিয়ালৈকে দিয়া হোৱা নাই। আৰম্ভনিতে দুটা বছৰ দিছিলে ২ টা বছৰ দিয়াৰ পাছত বন্ধ কৰি দিছে।

**মাননীয় অধ্যক্ষ ঃ-**ঠিক আছে। এইখিনি আলোচনা কৰি লব। মই আপোনাক এটা কথা কওঁ শুনক। মুল purpose of the house কি ? খৰচী মাৰিটো গোটেইখিনি কৰিব নোৱাৰো ইয়াত। কথা হৈছে আপোনালোকৰ যিটো grivance, I have allowed it to raised that grivance. আৰু grivance ৰ পাছত further discussion ৰ কাৰণে আপোনালোকৰ দৰকাৰ হব। তেখেতে কৈছে, আপুনি কৈছে এইটো পোৱা নাই। I have recorded that. গতিকে মই ভাবো যে ইয়াৰ পাছত এই বিষয়টো আলোচনা কৰিব, মন্ত্ৰী ডাঙৰীয়াকো কম তেখেত সকলক যিটো পাৰে দিব। কি আছিলে কমল সিং নাৰ্জাৰী।

**শ্ৰী কমল সিং নাৰ্জাৰী, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত মই সহযোগিতা কৰিব বিচাৰিছো, যে Excise ৰ ক্ষেত্ৰত totaly 6th Schedule ৰ এলেকাৰ কাৰ্বি আংলং BTC আৰু NC Hills , ডিমা হাচাও তাতে Union list ত যিবিলাক আছে সেইটো already transfer কৰা হৈছে, কিন্তু State list ত যিবোৰ আছে, সেই বিলাক transfer কৰা হোৱা নাই। কথাটো তেওঁ ভালকে কব পৰা নাই। মন্ত্ৰী মহোদয়ৰ ভাল হব। action লোৱাত কাৰ্য্যকৰী কৰাত, execution কৰাত। Excise Department ৰ State list ত যিবোৰ আছে সেই State list টো 6th Schedule area লে হস্তান্তৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** It is a very sensitive and constitutional issue. সংবিধান বনোৱাৰ সময়ত সংবিধানৰ ষষ্ঠ অনুচ্ছেদত উল্লেখ কৰিছিল আমাৰ মানুহখিনিক সংৰক্ষণ কৰাৰ কথা। যাৰ কাৰণে আজিও ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰীক সকলোৱে স্মৰণ কৰে। মাননীয় সদস্যগাৰাকীয়ে মোক জাননীখন দিছে। কিন্তু There was no additional papers. মই জাননীখন চাই গম পালো যে It is an important issue. গতিকে মই কৈছিলো যে ভৱিষ্যতে ক'বলৈ দিম। আপোনালোকেও চাব আৰু মইও চাম কি নিয়মৰ আধাৰত আলোচনা কৰিব পৰা যায়। I am thinking BTC, Karbi Anglong, Barak as next issue under Speaker's Initiative. আমি 'অধ্যক্ষৰ উদ্যোগ' শিতানত বহুখিনি কথা আলোচনাৰ বাবে

আনিব পাৰো। I will allow you in the future. But today considering the time constraint বিষয়টো ইয়াতে সামৰিবলৈ আপোনাক অনুৰোধ জনাইছো। মই এতিয়া কাৰ্য্যসূচী নং ৪ লৈ যাব বিচাৰিছো। মই এতিয়া বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীক “The Assam Forest Regulation (Amendment) Bill, 2018” বিবেচনাৰ সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, “The Assam Forest Regulation (Amendment) Bill, 2018” বিধেয়খন সদনত দফাই দফাই বিবেচনাৰ কৰাৰ বাবে মই প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সদনৰ মজিয়াত প্ৰস্তাৱটো উত্থাপন কৰিছো “The Assam Forest Regulation (Amendment) Bill, 2018”be taken into consideration. Those who are in favour may say ‘ayes’. Those who are against may say ‘noes’. I think ‘ayes have it’, ‘ayes have it’, ‘ayes have it’ প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়খনৰ ২ নং দফাটোত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীসকলৰ এটা সংশোধণী প্ৰস্তাৱ আছে। গতিকে মই মাননীয় শ্ৰীশ্বেৰমান আলি আহমেদ ডাঙৰীয়াক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** Hon'ble Speaker Sir, I move that in clause 2 of the proposed Bill after the word 'omitted' and punctuation mark 'fullstop', "The words only for bamboo grown by farmers on their own land in non-forest areas and this amendment shall not be applicable to bamboo grown on forest areas, that is, on an amendment of sub-section 2 in section 3, it will read as tree includes palm, bamboo, stump, brush-wood and canes provided that bamboo grown by the farmers on their own land, non-forest areas shall not be included in the definition of tree" মাননীয় অধ্যক্ষ মহোদয় মই এতিয়া ইয়াৰ সপক্ষে বক্তব্য দিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, সংশোধনীত সপক্ষে কোৱাৰ আগতে দুটামান তথ্য ক’ব বিচাৰিছো ভাৰতবৰ্ষৰ মুঠ যিমান বাহ উৎপাদন হয় তাৰে ৬৫ শতাংশ উত্তৰ-পূৰ্বাঞ্চলত হয়। গতিকে অসমৰ কাৰণে এই বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ আৰু সুকীয়াকৈ বিবেচনাৰ প্ৰয়োজন আছে। দ্বিতীয়তে আমাৰ যিমান বাঁহ গোটেই অসমত উৎপাদন হয় তাৰে 94% comes from forest and only 6% of the bamboo is grown in the private area, non-forest areas by the farmers যদিহে statement ৰ objective ত কোৱা হৈছে যে আমাৰ যিসকল খেতিয়ক তেওঁলোকৰ বাঁহৰ ব্যৱসায় কৰিবলৈ বা পৰিবহণৰ যি অসুবিধা সেই অসুবিধা দুৰ কৰিবলৈ অৰ্থাৎ ৬ শতাংশ বাঁহৰ পৰিবহণ আৰু ব্যৱসায়ৰ সুবিধা কৰিবলৈ এই সংশোধীন বিধেয়ক অনা হৈছে বুলি objective ত কোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ যি ৯৪ শতাংশ বাঁহ বনাঞ্চলত উৎপাদন হয় সেইখিনি pilferage ৰোধ কৰিব পৰা নাই। Infact গোটেই বনজ সম্পদখিনি ৰক্ষণা-বেক্ষণ দিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয় যোৱাকালি আপুনি এটা সদনত clipping দেখুৱাইছিলে, তাত ecological balance নকৰিলে কেনেকুৱা প্ৰলয়ংকাৰী পৰিস্থিতি হ’ব পাৰে, এই বিষয়টো ধুনীয়াকৈ দেখিবলৈ পাইছো।

আমি সকলোৱেই চাইছো এই ecological balance ৰক্ষা কৰাৰ মুল কথাটো হৈছে green vegetation cover অক্ষুন্ন ৰখা। Earlier Assams green vegetation cover was 39%. Now it is 36%. A depletion of 3% আমাৰ অসমত বাঁহ উৎপান হয় মূলত উত্তৰকাছাৰ, কাৰ্বিআংলং, বৰাকভেলী এই কেইখন জিলাত। এই জিলা কেইখনত ৯০ শতাংশতকৈ বেছি বাহ হয়। কিন্তু এই জিলাসমূহত আমি দেখিছো বাহৰ দুৰ্নীতি হৈছে। ১০০ মেট্ৰিক টনৰ অনুমতি দিয়া হয় কিন্তু ১০০ মেট্ৰিক টন বাহ লৈ যায়। মাননীয় অধ্যক্ষ মহোদয় মাত্ৰ ৬ শতাংশ বাহ খেতিৰ সুৰক্ষা দিয়াৰ বাবেহে বিধেয়ক আনিছে। It is clearly mentioned that, "bamboo from the definition of tree.". Accordingly it is mentioned here that, "It proposes to amend the sub section 2 of section 3, so as to omit the word bamboos from the definition of tree in order to exempt bamboos grown in non-forest areas". Amendment ত কিন্তু এই কথাটো প্ৰতিফলিত হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** I got your point. Let the Minister give the reply. I will allow you to speak. Minister, Please.

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বনাঞ্চলৰ বাহৰ কথা আমি কোৱা নাই। বনাঞ্চলৰ বাহিৰত যিখিনি বাঁহ উৎপাদন হয় সেইখিনিৰ বাবেহে এই বিধেয়কখন অনা হৈছে, যাতে ৰাইজক সহায় কৰিব পৰা যায়। Tree এই concept টো তাত নাথাকে। Grass হিচাপে ধৰি লোৱা হ'ব। Harvesting কৰাৰ সময়ত non-forest areaত থকা bambooৰ ওপৰত যাতে ৰাইজে forestৰ পৰা অনুমতি ল'ব নালাগে। ৰাইজক সহজ কৰি দিবৰ বাবে এই বিধেয়কখন অনা হৈছে। ভাৰত চৰকাৰে কেতিয়াবাই ইয়াৰ ওপৰত সংশোধনী আনিছিল। ৰাজ্যচৰকাৰে ইয়াৰ ওপৰত সংশোধনী আনিব লাগে কাৰণে আনিছো। Forestত থকা bamboo, as per Forest Rules, permission ল'ব লাগিব, পৰিবহণৰ আমাক royalty দিব লাগিব। কিন্তু non-forest areaত বা social areaত যাতে ৰাইজে সহজতে খেতি কৰিব পাৰে, সহজভাবে উদ্যোগ স্থাপন কৰিব পাৰে তাৰ বাবে সংশোধনী বিধেয়ক অনা হৈছে যাতে bamboo, non-forest হিচাপে গণ্য কৰিব লাগে বুলি।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** Hon'ble Speaker Sir, অসমত forest regulate কৰে The Assam Forest Regulation Act, 1891. In section 3 of the Act, the definition of tree is mentioned as, "Tree includes palm, bamboo, stumps, brush-wood and canes" আৰু চৰকাৰে বাহক treeৰ definition পৰা আতৰাব খুজিছে। মাননীয়া মন্ত্ৰী মহোদয়াই সংশোধনী আনা বুলি কৈছে সেইটো আমি শুধৰণী কৰি দিছো। মাননীয়া মন্ত্ৰী মহোদয়াই যিটো কথা কৈছে আমি সেইটোৱেই আনিছো। কিন্তু চৰকাৰৰ যিটো সংশোধনী আছে তাত এইটো প্ৰতিফিলত হোৱা দেখা নাই। Whether bamboo grown in forest or in non-forest will be exempted from the definition of trees. মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে যিটো ordinance আনিছে তাত এই কথাটো স্পষ্টকৈ আছে। Hon'ble Minister Harsh Vardhan নে কোৱা কথা এটা মই গাই দিছো "The Government in a landmark initiative has promulgated the the Indian Forest (Amendment) Ordinance,2017 to exempt bamboo

grown in non-forest area from the definition of tree." আমাৰ মাননীয়া মন্ত্ৰী মহোদয়াকো মই এই সন্দৰ্ভতে কৈছে It is on line to that of the Ordinance কিন্তু সংশোধনীত এইটো কথা প্ৰতিফলিত হোৱা নাই। যদি আমাৰ কথা মানি নলয়। মাননীয়া মন্ত্ৰী মহোদয়াই কোৱা কথাখিনি reflect নহ'ব। Entire forest regulation ৰ যিটো Tree শব্দৰ পৰা bamboo বাদ দিয়া হ'ব, forest areaৰ যিটো bamboo সেইটো Treeৰ definitionত নাথাকিব। তেনেহ'লে চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাথাকিব for felling and transportation of bamboo grown in the forest areas আৰু এটা পইন্ট চাৰ bamboo যেতিয়া tree পৰা আতৰাই দিয়া হয় তেতিয়া বিষয়টোত চৰকাৰৰ নিয়ন্ত্ৰণ নাথাকিব সেই কাৰণে requirement for felling from non-forest area থাকিব লাগিব। যদি আমাৰ Amendment.টো মানি নলয়, মন্ত্ৰী মহোদয়ে কোৱা কথাখিনি Reflect নহ'ব। Entire Forest Regulation ৰ পৰা Bamboo Tree বাদ দিয়া হ'ব। অৰ্থাৎ Forest area ৰ যি Bamboo সেইটো tree defination ত নাথাকিব। চৰকাৰৰ কোনো কণ্ট্ৰোল নাথাকিব। For failing and transportation of Bamboo grown in the forest area. তাৰোপৰি মাননীয অধ্যক্ষ মহোদয়, আৰু এটা পইণ্ট ক'ব বিচাৰিছো যে Bamboo যেতিয়াই ৰাস্তাত আহিব, Forest area হওঁক বা Non Forest area হওঁক যদি এই Tree ৰ পৰা বেম্বো আঁতৰাই দিয়া হয়, চৰকাৰৰ কোনো কণ্ট্ৰোল নাথাকিব। গতিকে এই যিটো requirement for failing এইটো থাকিব লাগিব Non Forest area টো ।ৰাস্তাত উঠিলেই যাতে Forest Department ৰ মানুহে গম পাই । এইটো পাট্টা লেগুৰ হয়। Checking থাকিব লাগিব। Forest area ৰ Bamboo ৰ ক্ষেত্ৰত এইটো প্ৰমাণ কৰিব লাগিব যে It is come from Patta Land. নহ'লে Forest Land ৰ পৰা Bambooকাটি আনি ক'ব যে এইটো মোৰ Patta Land ৰ Bamboo হয়। সেইকাৰণে মন্ত্ৰী মহোদয়ৰ কথাখিনিয়ে যিহেতু আমাৰ Amendment ত Reflect হৈছে, গতিকে এইটো মানি ল'ব লাগে। অধ্যক্ষ মহোদয়, দ্বিতীয় কথা হ'ল চৰকাৰে Ordinance হে আনিছে। এক্টটো এতিয়াও Pass হোৱা নাই। এইটো Concurrent List ত আছে। আমি Pass নকৰিবও পাৰো। তথাপিও যদি Distinction কৰে সময় আছে। Tree যেতিয়া আমি কৰিম Between the Bamboo grown in the forest and the Bamboo grown in the non forest land.

**Hon'ble Speaker ;** I have got your point no. point of elaboration. মানে তেখেতে ক'ব বিচাৰিছে Bamboo grown in the forest area and Bamboo grown in the non forest area এতিয়া আপোনালোকে বিচাৰিছে Tree টো আঁতৰাব লাগে। তেওঁলোকে আশংকা কৰিছে যে Tree ৰ পৰা Bamboo ৰ Defination টো আঁতৰাই দিলে forest area ৰ Bamboo কাৰণে। আপুনি কৈছে যে forest ৰ Regulation মতে হয়। কিন্তু এইখন Forest ৰে Act. সেই কথাটো জনিব বিচাৰিছে। এতিয়া এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়াই কি ক'ব বিচাৰিছে।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, পৰিৱেশ আৰু বন মন্ত্ৰী ঃ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Forest ত থকা Bamboo টো আগৰ মতেই থাকিব। ইয়াত লিখা আছে Union Government ত এই Act খনৰ ওপৰত already Amendment আনিছে। Non forest area ত থকা যিখিনি Bamboo সেইখিনি Tree হিচাপে গণ্য কৰিব নালাগে। এইটো Export কৰিব কৈছে। ঠিক

একেধৰণে আমাৰ চৰকাৰেও আমাৰ ৰাইজক সহায় কৰিবৰ কাৰণে, খেতিয়ক সকলক সহায় কৰিবৰ কাৰণে, যাতে ফৰেষ্টৰ পৰা অনুমতি ল'ব নালাগে। তেওঁলোকে যাতে সহজভাৱে নিজৰ ঘৰত উৎপাদন কৰা বাঁহখিনি কাটিব পাৰে আৰু যিকোনো ব্যৱসায় কৰিব পাৰে, কঢ়িয়াই নিব পাৰে, যাতায়তত যাতে কোনোধৰণৰ Forest Department য়েchange নকৰে সেইবাবেহে আমি এইটো কৰিছো। Non forest area ত যাতে আমি ৰাইজক সহায় কৰিব পাৰো। যিটো forest area তআছে, সেইটো আগৰ দৰেই থাকিব। Permission ল'ব লাগিব। Royalty দিব লাগিব। কঢ়িয়াবৰ কাৰণেও Permission ল'ব লাগিব।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই On Amendment to Sub Section(2) of Section3 টো কেনেকৈ পঢ়িব সেইটো কৈ দিলে স্পষ্ট হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই আপোনাৰ কথাখিনি বুজিছো। শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আপুনি কি ক'ব খুজিছে কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** চৰকাৰে যিটো Amendment আনিব বিচাৰিছে, সেইটো আকৌ এবাৰ পঢ়ি দিলে আমাৰ সন্দেহ খিনি আঁতৰ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Amendment টো কি হ'ব?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, Reasons and objection তাত কথাখিনি স্পষ্ট আছে আৰু মাননীয় শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে এই কথাটো বাৰে বাৰে ক্লিয়াৰ কৰি আছে। ইয়াত সন্দেহ থাকিব লগীয়া নাই। দ্বিতীয় কথাটো হ'ল, অধ্যক্ষ মহোদয়, অসমত ৪৩টা Plywood Industry আছিল। এতিয়া সেইবোৰ বন্ধ হৈ গ'ল। এতিয়া অসমত Plywood ৰ বা অন্যান্য কাঠৰ উদ্যোগৰ পৰিৱৰ্তে Bamboo এটা নতুন Technology আহিছে। যাৰ ফলত ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে যে Bamboo টো grass বুলি দিব লাগে। নহ'লে Bambooটো আগত যিটো প্ৰভিজন আছিল, সেই প্ৰভিজন মতে Bamboo কাটিব নোৱাৰে। গতিকে উদ্যোগীকৰণৰ ক্ষেত্ৰত এই বিষয়টো নতুন concept নতুন Technology আহিছে। মই এটা কথা ক'ব বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয়, সদনত যিবোৰ Plywood লগোৱা আছে, এই Plywood তকৈ যদিBamboo ৰ পৰা Plywood কৰা যায়,তাৰ Longsitivity life long থাকিব। পোকে নধৰিব আৰু তাৰ পৰা খেতিয়কসকল উপকৃত হ'ব আৰু উদ্যোগীকৰণৰ কাৰণে ব্যৱস্থা হ'ব। মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে সেই উদ্দেশ্যটো আগত ৰাখি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ যিটো ইচ্ছা এই যে বাঁহটো উদ্যোগীকৰণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব লাগে, কাঠটো বন্ধ হ'ব লাগে আৰু খেতিয়ক সকল উপকৃত হ'ব লাগে। কথাখিনি মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে আনিছে। সেইটো কথাত Debate কৰিবলগীয়া কি আছে?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে তেখেত সকলে আপোনাৰ কথাত আপত্তি কৰা নাই। কাৰণ Reason and Objects ঠিক আছে। আমি তেখেতসকলৰ চিন্তাটো জনা ভাল। এটা চিন্তা কৰিছে যে গছৰ কথাটো ক'লে গোটেইটো গুচি গ'লে ফৰেষ্টৰ ভিতৰত গছবোৰো গুচি যাব নেকি? যদি আপোনাৰ হাতত সেইখিনি সম্পূৰ্ণ আছে, তেতিয়াহ'লে কথা নাই।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া Tree

হিচাপে লোৱা হৈছে, তাৰ পিছত যেতিয়া Grass কৰি দিব, তেতিয়া যদি destinction নাথাকিব। সেইকাৰণে destinction টো ৰখাটো বিচাৰিছিল কেন্দ্ৰীয় চৰকাৰে। আমিও সেইটো বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কথাটো আমি বুজি পাইছো। Forest area ৰ বাঁহবোৰ যাতে tree হিচাপে গণ্য কৰে তাৰ কাৰণে আপোনালোকে যি এমেণ্ডমেণ্ট আনিছে, তাৰ এটা কথা কৈছে যে যিটো Extract of Section 32 of Assam Forest Regulation য'ত, tree includes palms, bamboo, stumps, brushwood and canes আপোনালোকে Bambooটো গুচাব বিচাৰিব। এঁওলোকে বিচাৰে যে Bamboo in Forest Areaত থাকিব লাগে, কথাটো সেইটো আপুনি কৈছে। তেনেকৈ থাকিব। যদি তেনেকৈ থাকে ক'বলগীয়া একো নাই। কিন্তু মই অধ্যক্ষ হিচাপে কোনো ৰায় দিব নোৱাৰো। কাৰণ মই দুয়োটা পক্ষৰে কথা শুনিছো। এইটো এতিয়া সদনৰ ওপৰত নিৰ্ভৰ কৰিব। আপোনালোকে কৈছে যে আমাৰ আপত্তি নাই। কিন্তু স্পেচিফিক থাকিব লাগে। তেখেতসকলে কৈছে যে আমাৰ ফৰেষ্টৰ যেন ইতিমধ্যে সংৰক্ষিত হৈ আছে। আজি মোৰ এইখিনি কৰিবৰ উপায় নাই। আপোনালোকে যদি প্ৰটেক্টড আছে আগবাঢ়ি যাবই লাগিব।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো। statement object যিমান কথা আছে, বিলখন পাছ হোৱাৰ পিছত সেইবোৰ relevency ত নাহে।Forest Regulation Act 1891 খনৰ পৰা কেৱল মাত্ৰ bamboo টো গুচাই দিলে।

**মাননীয় অধ্যক্ষঃ** মোৰ ওচৰতRegulation খন আছে, মই পঢ়িছো। মই কথাখিনি বুজি পাইছো। এতিয়া চৰকাৰে কৈছে যে Protected হ'ব । তেওঁলোকে কোৱাত আপোনাৰ আপত্তি হ'ব নালাগে। মই কৈছো চৰকাৰে যদি vote ত যায়, মইতো আগবাঢ়িব লাগিব। মোৰ উপায় নাই। মন্ত্ৰী ডাঙৰীয়াই কৈছে যে এইটো নহ'ব। তাৰ পিচত যদি বিলখন এমেণ্ডমেণ্ট হয়, বা আপোনালোকে ভৱিষ্যতে ভাৱে যে আকৌ আনিবৰ কাৰণে কৰিব পাৰে। চৰকাৰেও তেতিয়া ভাৱিব যে আমাৰ কোনো উদ্দেশ্য নাই। ফৰেষ্টৰ ভিতৰত বাঁহখিনি কাটিবলৈ আমি এৰি দিম। গতিকে মন্ত্ৰী ডাঙৰীয়াই যদি তেওঁলোকে কোৱা কথাখিনি Protected বুলি ভাৱে, তেখেতসকলৰ মতে এমেণ্ডমেণ্টটো উঠাই ল'ব নোৱাৰে ।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, পৰিৱেশ আৰু বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Forest area ত থকা বাঁহটো Unprotected হ'ব বুলি আপোনালোকে কেনেকৈ ভাৱিলে? Forest ৰ Rules Act আছে। Forest ৰ Act মতে protection হ'ব। কেৱল Social area য'ত ৰাইজে নিজ হাতেৰে খেতি কৰিছে তাত কেৱল অনুমতি ল'ব লাগিব আৰু কোনো Tax দিব নালাগিব।

**মাননীয় অধ্যক্ষ ঃ-** সদনক মই জনাব বিচাৰিছো যে সদনৰ সময় পুনৰ ১০ মিনিট বঢ়োৱা হ'ল ।

**শ্ৰী বৃন্দাৱন গোস্বামী, বিধায়ক (তেজপুৰ ) ঃ -** মাননীয় অধ্যক্ষ মহোদয়, মই Bamboo Mission ৰ ওপৰত কিছু কথা লিখি আনিছিলো । কেতিয়াবা সময় হ'লে কম । আজি আমাৰ চৰকাৰ আৰু বিৰোধী পক্ষৰ লগত যি কথা হৈছে, মোৰ যি মতামত Advantage Assam ত সেইদিনা মোৰ বক্তব্যত কৈছিলো যে Bamboo টো Grass কৰিব লাগে ।Social Change ৰ কাৰণে যি public policy হ'ব, তাৰ কাৰণে সিমানবোৰ নীতি নিয়মৰ মাজত বাঁহখিনি আনিব নোৱাৰো । যদি এই কথাখিনি Act খনত আছে, ভৱিষ্যতে সংশোধন কৰি কোনো

Reservationত অসুবিধা নোহোৱাকৈ যাতে Grass বুলি আমি Bamboo ক ধৰো । তেনেহ'লে বাঁহখিনি অনাৰ সুবিধা কৰিব লাগে ।বাঁহ শিল্পৰ ওপৰত যিখিনি তথ্যপাতি আছে, এই দুটাৰ মাজত ২৮০০ কোটি টকাৰ অপব্যয় হৈছে । অধ্যক্ষ মহোদয়, মোৰ এইটো personal opinion, মোৰ দলৰ কথা কোৱা নাই । যদি আপোনালোকে কোৱাটোৱেই হয়, সমৰ্থন কৰো । ভৱিষ্যতে আপোনালোকেও সমৰ্থন কৰিব লাগিব । কাৰণ ৫ লাখ টকাৰ বাঁহ কিনি যিটো Bamboo Technology Commission কৰিছে, সেই উদ্যোগবোৰৰ আগভাগ লব লাগে । চীনৰ লগত সমানে যদি আমি কৰিব লাগে, বহুত Restriction আমি Withdraw কৰিব লাগিব । গতিকে চৰকাৰ আৰু বিৰোধী পক্ষৰ মাজত অমিলটো দেখিছো । মোৰ অমিলটো কৈছো যে Bamboo ৰ যিটো Science and Technology য়ে কৰা অনুষ্ঠান । মই ভাবো, Bamboo ৰ ওপৰত উদ্যোগটো বঢ়াবৰ কাৰনে ভবিষ্যতে Restriction বোৰ উঠাব লাগে ।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি এতিয়া সংশোধনী প্ৰস্তাৱটো উইদ্ৰ কৰিব নেকি ?

**শ্ৰী শ্বেৰমান আলি আহমেদ, বিধায়ক ঃ-** মই সংশোধনী প্ৰস্তাৱটো উইদ্ৰ নকৰো, চাৰ ।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া মই সংশোধনীটো দাঙি ধৰিছো । In clause -2 of the propose Bill after the word omitted in the puncuation mark. The words only for Bamboo grown by farmers in their own land in non- forest areas and the farms their own land in non-forest areas and the Amendment shall not be applicable for the Bamboo in forest Area 2-3 includes pumps, Bamboo, stumps,brush-wood and cans provided the bamboo grown by the farmers on their own land in non-forest area shall not be included in this defination of tree .

যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী প্ৰস্তাৱৰ সপক্ষে আছে, তেওঁলোকে কওঁক, হয় । যিসকল বিপক্ষে আছে , তেওঁলোকে কওঁক নহয় । মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে । সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল । (সদনত হুলস্থুলীয়া পৰিৱেশ ) । গতিকে ২নং দফাটো বিধেয়কখনৰ অংশ হ'ব । এতিয়া যিসকল মাননীয় সদস্য - সদস্যা দফাটোৰ সপক্ষে আছে, কওঁক হয় । যিসকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয়ৰ সপক্ষে , হয়ৰ সপক্ষে, হয়ৰ সপক্ষে । ২নং দফাটো বিধেয়কৰ অংশ হ'ব । এতিয়া যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে কওঁক হয় । যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, ২ নং দফাটো বিধেয়কৰ অংশ হ'ল । (এইখিনি সময়ত কংগ্ৰেছ আৰু AUIDF ৰ বিধায়ক সকলে সদন কক্ষ ত্যাগ কৰে ) ।

**মাননীয় অধ্যক্ষ ঃ-** বিধেয়কখনৰ ১নং দফাৰ সংক্ষিপ্ত নাম,পৰিসৰ আৰম্ভণিত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই । গতিকে এই বিধেয়কখনৰ ১নং দফাৰ সংক্ষিপ্ত নাম, বিষয়, আৰম্ভণি সদনৰ মজিয়াত দাঙি ধৰিলো । প্ৰস্তাৱটো হ'ল - ১নং দফাৰ সংক্ষিপ্ত নাম, পৰিসৰ, বিষয়, আৰম্ভণি বিধেয়কখনৰ অংশ হ'ব । যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয় । মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভণি বিধেয়কখনৰ অংশ হ'ল । এতিয়া মই মাননীয় পৰিবেশ আৰু বন মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বিলখন পাছ হবই । মই এটা কথা কব বিচাৰিছো। প্ৰশ্নটো হ'ল আমাৰ মাননীয় বন মন্ত্ৰী মহোদয়াই, এই কথাখিনি স্পষ্ট ভাবে কৈছে যে forest ত থকা বাঁহ protected হব । কংগ্ৰেছ দলক আপুনি ইমান সুবিধা দিলে । তেওঁলোকে কলে যে আমাৰ পৰিবেশ বিনষ্ট হব । সেইটো কৈ তেওঁলোকে সদন ত্যাগ কৰিলে, গুচি গল । যদি পৰিবেশ বিনষ্ট হোৱা বুলি কব লাগে তেতিয়াহ'লে অধ্যক্ষ মহোদয়, আপুনি এই বিষয়টোৰ ক্ষেত্ৰত এদিন এটা বিতৰ্ক পাতিব লাগে , মই participate কৰিম ।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি পিছত কব । প্ৰথমে বিলখন পাচ কৰিব দিয়ক । তাৰ পিছত কব দিম ।

এতিয়া প্ৰস্তাৱটোৰ শেষত অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো । "The Assam Forest Regulation (Amendment) Bill" ২০১৮ পাৰিত কৰা হওঁক। যিসকল সদস্য-সদস্যা প্ৰস্তাৱৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয় । যিসকল বিপক্ষে আছে, কওঁক নহয় । মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে। প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত কৰা হ'ল । এতিয়া আপুনি কওঁক ?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ-**অধ্যক্ষ ডাঙৰীয়া, আজি যিটো সংশোধ্ধনী আনিছিল যে Bamboo টো Grass অৰ্থাৎ ফৰেষ্ট বুলি নধৰি গ্ৰাচ বুলি ধৰিব লাগে । গতিকে তাৰ কাৰণে অসমৰ যিবিলাক গাওঁত আমাৰ খেতিয়ক সকল বসবাস কৰে । তেওঁলোকৰ বাঁহৰ ক্ষেত্ৰত যাতে উচিত মূল্য পায় আৰু উদ্যোগীকৰণ যাতে ইয়াৰ জৰিয়তে হয় । গতিকে তাৰ এটা মহৎ উদ্দেশ্য ৰাখি এই বিধেয়কখন মাননীয় মন্ত্ৰী মহোদয়াই আনিছে আৰু কংগ্ৰেছে ইয়াৰ ওপৰত যিটো সংশোধনী আনিছে, সেই Amendment টো কৈ অৰ্থাৎ পৰিবেশ নষ্ট হ ব এনেধৰণে কৈ সদন ত্যাগ কৰিলে ।

**মাননীয় অধ্যক্ষ ঃ-** তেওঁলোকৰ Right আছে ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ-** তেখেত সকলৰ Right আছে হয় । কিন্তু ৰাজ্যখনৰ এটা মহৎ উদ্দেশ্যৰ বাবে বিৰোধী দলে সদন ত্যাগ কৰাটো চাৰ নিন্দনীয় নহয় নেকি ? মন্ত্ৰী মহোদয়াই কৈছে যে আমাৰ এই সকলো protected হব । মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা কম কংগ্ৰেছে আজি প্ৰমাণ কৰি দিলে যে, অসমৰ খেতিয়ক সকলৰ সপক্ষে কংগ্ৰেছ নাই । সদন ত্যাগ কৰিলে । দ্বিতীয়তে অসমৰ উদ্যোগীকৰণৰ সপক্ষেও কংগ্ৰেছ নাই । আজিৰ সদন ত্যাগ কৰা বিষয়টোৱে এইটোকে প্ৰমাণ কৰিলে । তৃতীয়তে, অসমৰ নিবনুৱা সমস্যা সমাধানত কংগ্ৰেছ নাই। এই কথাখিনি প্ৰমাণ হ'ল । কংগ্ৰেছৰ স্বৰূপটো ওলাব লাগিব । অধ্যক্ষ মহোদয়, আপুনি তেখেত সকলক যথেষ্ট সুযোগ দিছে ।

**মাননীয় অধ্যক্ষ ঃ-** এইটো মোৰ Duty.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ-** চাৰ, আপুনি এজন অত্যন্ত ভাল Speaker আপোনাৰ দৰে এজন স্পীকাৰে সুবিধা দিয়াৰ পিছত তেওঁলোকে সদন ত্যাগ কৰিলে । আজি শ্ৰী বৃন্দৱন গোস্বামী ডাঙৰীয়াই যিখন কাগজ উলিয়াই দিছিল, মইটো নাজানো, তেখেতে এই সম্পৰ্কত মোৰ লগত আগতেওঁ আলোচনা কৰা নাই । যদি Bamboo Mission ৰ ওপৰত আলোচনা কৰি বলগীয়া হয়, এখন মহাভাৰত হ'ব । অধ্যক্ষ ডাঙৰীয়া , পৰিবেশ বিনষ্ট হব বুলি কৈ তেওঁলোকে গুচি গ'ল । বিগত দিনত Bamboo Mission ৰ নামত অহা পইচাৰে অসমত কিমান জোপা বাঁহ ৰুলে । সেইটো কথা কংগ্ৰেছে কওঁক । মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাক মই এটা কথা

অনুৰোধ কৰো । আপুনি নিজাববীয়াকে এই Bamboo Mission ৰ সম্পর্কত যিমান কোটি টকা ভাৰত চৰকাৰৰ পৰা আহিল, সেই টকাৰে কিমান জোপা বাঁহ ৰোপণ কৰিলে, অসমৰ পৰিবেশ সুস্থ ৰখাৰ কাৰণে । এই ক্ষেত্ৰত আপুনি নিজাববীয়াকৈ তদন্ত কৰিলে ভাল হব । গতিকে অধ্যক্ষ ডাঙৰীয়া এইবিলাক কথা কব নাপায় । কাৰণ এইবিলাক মই নিজে দেখিছো । মই এইটো জ্ঞাত যে Bamboo Mission ৰ কিমান কোটি টকা আহিছে, ময়ো জানো আৰু কিমান কোটি টকা ক'ত কেনেকৈ খৰচ হৈছে , সেইটোও মই জানো । এজোপাওঁ যে Bamboo ৰোপণ কৰা নহল। সেই কথাটোও জানো । গতিকে এই ৩টা কথা বিধান সভাত লিখা থাকিব লাগিব ।

**ডা: নুমল মমিন, বিধায়ক ঃ-** Bamboo Mission ৰ এই বিষয়টোৰ ওপৰত এটা তদন্ত হব লাগে ।

**শ্ৰী বৃন্দাৱন গোস্বামী, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিশেষ কথা নাই । যোৱা ১০-১৫ বছৰ ধৰি বাঁহ উদ্যোগীকৰণ কৰাৰ নামত হাজাৰ কোটিৰো অধিক টকা বিনিয়োগ কৰা বিষয়টোৰ সম্পর্কত তদন্ত এটা হব লাগে ।

**শ্ৰী কমল সিং নাৰ্জাৰী, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিটো কথাকলে, আমি শাসক দল সদায় খেতিয়কৰ স্বাৰ্থত আছো আৰু তেওঁলোকৰ বাবে আমি সদায় কাম কৰি যাম আৰু তেওঁলোকৰ স্বাৰ্থত যাতে কোনো ধৰণৰ ব্যাঘাট নজন্মে তাৰ বাবে আমি সদায় সচেতন হৈ থাকিম ।

**শ্ৰী বৃন্দাৱন গোস্বামী, বিধায়ক ঃ-** ১০০০ কোটি টকাৰ বিনিয়োগৰ ক্ষেত্ৰত এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হব লাগে ।

**শ্ৰী অশোক সিংহল, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ অলপ কবলগীয়া আছে । এই Bamboo Mission ৰ যি কথা ওলাল, যোৱা ৭০ বছৰে Bamboo ক Forest Product হিচাপে ৰখা হৈছিল । বৰ্তমান ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডি ডাঙৰীয়াই দীন দুখীয়াক অৰ্থাৎ দৰিদ্ৰ মানুহৰ কথা চিন্তা কৰি Bamboo ক যিটো grass ৰ শ্ৰেনীত আনিলে, সেইটো আমি শলাগ লব লাগে আৰু বিধান সভাই তেখেতক ধন্যবাদ দিব লাগে , অনুৰোধ কৰিলো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমাঃ** কেইডাল বাঁহ কংগ্ৰেছে ৰুলে অসমত সেইটো কথা কংগ্ৰেছে কওক। অধ্যক্ষ ডাঙৰীয়া এটা কথা অনুৰোধ কৰো আপুনি নিজা ববীয়াকৈ তদন্ত কৰক। কিমান কোটি টকা Bamboo মিছনৰ বাবে ভাৰত চৰকাৰৰ পৰা আহিল ? এই টকাৰে অসমৰ পৰিবেশ সুস্থ কৰি ৰখাৰ বাবে কেইজোপা Bamboo তেওলোকে অসমত ৰুলে আপুনি নিজে এটা এনকোৱাৰী কৰকছোন। গতিকে অধ্যক্ষ ডাঙৰীয়া এইবিলাক কথা ক'বলৈ নাপায় মই নিজে এইবিলাক দেখিছো। মই নিজে দুখিত এই কথাত। কাৰণ Bamboo মিছনৰ নামত কেন্দ্ৰৰ পৰা অসমত কিমান কোটি টকা আহিছে সেইটো মই জানো আৰু বেম্বো ৰুৱাৰ নামত কিমান কোটি টকা খৰছ হ'ল সেইটোও মই জানো লগতে এই টকাৰে যে এজোপাও Bamboo ৰোৱা নহ'ল মই সেই কথাটোও জানো অধ্যক্ষ ডাঙৰীয়া । গতিকে আজি এইটো লিখা থাকিব লাগিব যে এই কেইটা কথা ঢাকিবলৈ কংগ্ৰেছে আজি সদন বয়কট কৰিলে।

**মাননীয় অধ্যক্ষঃ** It has been recorded ?

**শ্ৰীবৃন্দৱন গোস্বামীঃ** অধ্যক্ষ ডাঙৰীয়া অলপ ক'ব বিচাৰিছো, এই বিষয়টোৰ ওপৰত মন্ত্ৰী ডাঙৰীয়াই কৈছে গুৰুত্বপূৰ্ণভাৱে আলোচনা কৰিব লাগে । মোৰ বিশেষ কথা নাই **১০-১৫** বছৰ ধৰি বাহঁ

উদ্যোগীকৰণৰ নামত হাজাৰ কোটিৰো অধিক টকা বিনিয়োগৰ এটা উচ্চ পৰ্য্যায়ৰ তদন্ত লাগে।

**শ্ৰীকমল সিং নাজাৰীঃ** অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই যিটো কথা ক'লে আমি সদায় অসমৰ খেতিয়কৰ স্বাৰ্থত আছো আৰু সদায় তেওলোকৰ হকে কাম কৰি যাম আৰু তেওলোকৰ স্বাৰ্থ ৰক্ষাত যাতে কোনো ব্যাঘাত নহয় তাৰ কাৰনে সদায় সচেতন হৈ থাকিম।

**শ্ৰীঅশোক সিংঘলঃ** অধ্যক্ষ ডাঙৰীয়া , বেম্বো মিছনৰ ক্ষেত্ৰত মোৰ অলপ ক'বলগীয়া আছে । এই বেম্বো মিছনৰ যিটো কথা ওলালে, যোৱা ৭০ বছৰে বেম্বোক ফৰেষ্ট প্ৰডাক্ট কৰি ৰখা হৈছিল । ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ভাৰতৰ দৰিদ্ৰ মানুহৰ কথা চিন্তা কৰি Bamboo ক Grassৰ শ্ৰেণীত আনিলে । তাৰ বাবে আমি সলাগ ল'ব লাগে আৰু আৰু বিধান সভাই তেখেতক ধন্যবাদ দিব ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া মই মাননীয় উদ্যোগ আৰু বানিজ্য মন্ত্ৰী ডাঙৰীয়াক **২০১৬-১৭** চনৰAssam state textile corporation limited ৰ বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমাঃ** Hon'ble Speaker Sir, I beg to lay the Annual Report of Assam State Textile Corporation Limited for the year 2016-17.

**মাননীয় অধ্যক্ষঃ** এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় প্ৰৰিক্ৰমা মন্ত্ৰীক বিত্ত নিগমৰ ২০১৬-১৭ৰ চনৰ দুটা বছৰৰ পৰীক্ষাৰ প্ৰতিবেদনৰ হিচাপৰ প্ৰমান পত্ৰ দুখন সদনত দাখিল কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমাঃ** Hon'ble Speaker Sir, I on behalf of the Finance Minister Assam beg to lay the seperate Audit Report and Certificate on the Accounts of Assam Financial Corporation for the Year ended 31st March, 2016 &2017.

**মাননীয় অধ্যক্ষঃ** এতিয়া মই মাননীয় জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ২০১৬-১৭ চনৰ জনস্বাস্থ্য কৰিকৰী বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদন। সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিম।

**শ্ৰীৰিহন দৈমাৰী, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মই ২০১৬-১৭ চনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰিলো । ইয়াৰ পিছত মই মাননীয় ৰাজ্যিক স্বতন্ত্ৰ শক্তি মন্ত্ৰীক ২০১৬- ২০১৭ চনৰ Assam Electricity Regulatory Commission ৰ Annual Report সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীপল্লৱ লোচন দাস, মাননীয় মন্ত্ৰী, শক্তি ইত্যাদিঃ** অধ্যক্ষ মহোদয় মই ২০১৬- ২০১৭ চনৰ Assam Electricity Regulatory Commission ৰ Annual Report খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই পুনৰ ২০১৬-১৭ চনৰ Assam Electricity Grid Corporation Limitedৰ বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ সমূহ সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীপল্লৱ লোছন দাস, মাননীয় মন্ত্ৰী, শক্তি ইত্যাদিঃ** অধ্যক্ষ মহোদয়, ২০১৬-১৭ চনৰ Assam

Electricity Grid Corporation Limitedৰ ১৩ তম বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ সমূহ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিত্ত মন্ত্ৰী হৈ Consolidated Audit Report of PRIs and U LB -2012-13 , 2013-14 প্ৰতিবেদন সদনত দাখিল কৰিলো।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমাঃ** Hon'ble Speaker Sir, I on behalf fo the Finance Minister, Assam beg to lay the Report of the Consolidated Audit Report on PRIs and U LBs -2012-13 and 2013-14 relating to the Government of Assam .

**মাননীয় অধ্যক্ষঃ** এতিয়া মই অসম বিধান সভাৰ 'প্ৰাক্কলন সমিতি'ৰ সভাপতি বৃন্দাবন গোস্বামীক এই সমিতিৰ ৮৩ তম প্ৰতিবেদন সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীবৃন্দাৱন গেস্বামীঃ** মাননীয় অধ্যক্ষ মহোদয় মই অসম বিধান সভাৰ 'প্ৰাক্কলন সমিতি'ৰ ৮৩ তম প্ৰতিবেদনখন পবিত্ৰ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই অসম বিধান সভাৰ ' অধীনস্থ বিধায়ন সমিতি'ৰ সভাপতি প্ৰদীপ হাজৰিকাক সমিতিৰ ২৪ তম প্ৰতিবেদনখন সদনত দখিল কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীপ্ৰদীপ হাজৰিকাঃ**Speaker Sir, I present the 24 th Report of the Committee of Subordinate Lagislation , Assam Legislative Assembly.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মই অসম বিধান সভাৰ Assurance Committee ৰ সভাপতি শ্ৰীভবেশ কলিতাক 53rd Report সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীভবেশ কলিতাঃ** Hon'ble Speaker Sir, I beg to present the 53rd Report of the Committee on Government Assurances Assam Legislative Assembly.

**মাননীয় অধ্যক্ষঃ** এতিয়া মই Employment Review Committee ৰ সভাপতি শ্ৰীইমানুৱেল মুছাহাৰিক সেই সমিতিৰ 46 th Report সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীই মানুৱেল মুছাহাৰী ঃ** Hon'ble Speaker Sir, I beg to present the 46th Report of the Committee on Employment Review Assam Legislative Assembly.

**মাননীয় অধ্যক্ষঃ** এতিয়া মই অসম বিধান সভাৰ অন্যান্য পিছ পৰা আৰু অধিক পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতিসমূহৰ সভাপতি শ্ৰীবলীন চেতিয়াক 12 th Report সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীবলীন চেতিয়াঃ** অধ্যক্ষ মহোদয়, মই অন্যান্য পিছ পৰা আৰু অধিক পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতিৰ দ্বাদশ প্ৰতিবেদনখন অসম বিধান সভাৰ পবিত্ৰ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধনবাদ, এতিয়া সদন অহাকালি পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হৈছে।

**(সদনৰ দিনটোৰ কাৰ্য্যক্ৰমণিকা দিনৰ ২.২০ বজাত অন্ত হয়)**